# দুধনৈ মহাবিদ্যালয়

# আলোচনী

অষ্টম সংখ্যা: ১৯৯০-৯১ চন



সম্পাদক: ধনঞ্জয় ৰাভা

# দুধনৈ মহাবিদ্যালয় আলোচনী

পঞ্চদশ বছৰ ঃ অষ্টম সংখ্যা

১৯৯০-৯১ চন

বছৰেকীয়া প্ৰকাশ

।। তত্ত্বাৱধায়ক ।।

ফণীভূষণ দাস

।। সম্পাদক ।।

শ্ৰীধনঞ্জয় ৰাভা

DUDHNOI COLLEGE MAGAZINE : ( 1990-91 ) An Annual Publication
Fifteenth year, 8 th issue. Edited by DHANANJAY RABHA on behalf
of Dudhnoi College Students' Union.

# দুধনৈ মহাবিদ্যালয় আলোচনীৰ নেপথ্যত

সম্পাদনা সমিতি ঃ

উপদেষ্টা ঃ অধ্যক্ষ শ্ৰীকৰুণা কান্ত ৰাভা ।

তত্বাৱধায়ক ঃ অধ্যাপক শ্ৰীফণীভূষণ দাস ।

সম্পাদক ঃ শ্ৰীধনঞ্জয় ৰাভা

সদস্য বৃন্দ ঃ অধ্যাপক শ্ৰীতৰুণ চন্দ্ৰ চাংমাই ।

" শ্ৰীজীৱেশ্বৰ কোঁচ ।

" শ্ৰীকল্যাণ বৰুৱা ।

" এচ. এম, এ ৰহিম ।

বেটুপাতৰ শিল্পী ঃ শ্ৰীমুন কলিতা ।

অঙ্গসজ্জা ঃ সম্পাদক

আলোক চিত্ৰ ঃ জ্যোতি ষ্টুডিঅ' ঃ দুধনৈ ।

মুদ্ৰণ ঃ সুকুমাৰ প্ৰিন্টিং ওৱাৰ্কচ ঃ ধুপধৰা ।

# শুভেচ্ছাবাণী

শ্ৰীকৰুণা কান্ত ৰাভা, এম, এ,
অধ্যক্ষ,
দুধনৈ মহাবিদ্যালয়, দুধনৈ
জিলা ঃ গোৱালপাৰা ।

দুধনৈ মহাবিদ্যালয়ৰ ৮ম সংখ্যাৰ আলোচনীখনৰ প্ৰতি মোৰ শুভেচ্ছা ৰ'ল । মহাবিদ্যালয়ৰ আলোচনীৰ মাজেদি মহাবিদ্যালয়ত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলৰ লিখনিৰ বিকাশত এনেকুৱা আলোচনী মাধ্যমৰ প্ৰয়োজন অতীৱ । সেই আশাৰে দুধনৈ মহাবিদ্যালয়ৰ ১৯৯০-৯১ চনৰ ছাত্ৰ একতা সভাৰ বিভাগীয় আলোচনী সম্পাদক শ্ৰীমান ধনঞ্জয় ৰাভাই পলমকৈ হ'লেও ঘাত প্ৰতিঘাতৰ মাজেদি সম্পাদন কৰি উলিওৱাত যি যত্নপৰ হৈছে তাৰ বাবে মোৰ ফালৰ পৰা অকৃত্ৰিম সহানুভূতি আগবঢ়াইছোঁ । লগতে আলোচনীখনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ ।

॥ জয়তু দুধনৈ মহাবিদ্যালয় ॥

( শ্ৰীকৰুণা কান্ত ৰাভা )
অধ্যক্ষ,
দুধনৈ মহাবিদ্যালয় ।

১৬ জুলাই/৯২
দুধনৈ মহাবিদ্যালয় ।

**Lakshya Dhar Chaudhury**
Ex. Chairman, G. M.
Ex. Mayor. G. M. C.
Ex. Minister, Assam

Ambari
Guwahati - 1
Phone : 26101

Date .... .... ... ....

প্ৰিয় ধনঞ্জয় ৰাভা,

চিঠিখন পঢ়ি বৰ আনন্দিত হলো, দুধনৈ কলেজৰ ছাত্ৰ সকলে এখন আলোচনী প্ৰকাশৰ বাবে যো-জা কৰা শুনি আৰু আনন্দিত হলো ।

কিয়নো দেশ সেৱাৰ উত্তম পথ হৈছে সাহিত্য-সংস্কৃতিৰ পথ । সেই পথেৰে যাতে ছাত্ৰ-ছাত্ৰীসকলে সাহসেৰে আগবাঢ়ি যাব পাৰে— তাকেই কামনা কৰিলোঁ ।

আলোচনীখনৰ সকলো দিশতে সাফল্য হওঁক ।

( লক্ষ্যধৰ চৌধুৰী )

**শ্ৰীধনঞ্জয় ৰাভা**
আলোচনী সম্পাদক
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ।

ড০ নির্মল কুমাৰ চৌধুৰী
উপাচার্য্য
গুৱাহাটী বিশ্ববিদ্যালয়
Vice-Chancellor
GAUHATI UNIVERSITY

তাৰিখ—

প্ৰিয় সম্পাদক,

জিলিকি উঠক লুইতৰে পাৰ
এয়ে মোৰ শুভেচ্ছা বাণী।

(শ্ৰীনিৰ্মল চৌধুৰী)

সম্পাদক
আলোচনী বিভাগ,
ছুধনৈ মহাবিদ্যালয়।

# সূচীপত্ৰ

## — অসমীয়া বিভাগ —

সম্পাদকীয়

**প্ৰবন্ধ**


অসম সাহিত্য সভাৰ সভাপতিৰ আসনত গোৱালপাৰা জিলাৰ সাহিত্যিক / গুণেন্দ্ৰ কলিতা / ১
পাৰ্বতি প্ৰসাদ বৰুৱাৰ কবিতা / মিচ্ মুন তালুকদাৰ / ৫
অসমীয়া সমাজ আৰু মহাপুৰুষ শঙ্কৰদেৱ / দিবাকৰ চন্দ্ৰ নাথ / ৯
বিপন্ন জীৱজগত আৰু পৰিবেশ প্ৰদূষণ / মুন কলিতা / ১২
আৰ্কিমিডিছ আৰু গণিত অসাধাৰণ মগজুৰ গোগাৱেলে / মিন্টুজবীৰ দাস / ১৫


**গল্প**


এখন চিঠি / ধৰিত্ৰী নাথ / ১৯
নিঃসঙ্গতাৰ সঙ্গী / গোপাল শঙ্কৰ নাথ / ২২
দৈনন্দিন / প্ৰদীপ দাস / ২৫
দুখ মহেন্দ্ৰ কলিতা / ২৮
উজুতি / শঙ্কৰদেৱ ৰাভা / ৩২


**কবিতা**


অজানিতে / বৰ্ণালী দাস / ৩৮
মুক্তিৰ বাবে / ভকত চন্দ্ৰ ৰাভা / ৩৮
আমি উৰিব খুজিছো / ৰবেন নাথ / ৩৯
মোক এখন মঞ্চ লাগে / বৈকুণ্ঠ দৈমাৰী / ৩৯
অপমৃত্যু / শঙ্কৰদেৱ ৰাভা / ৪০
শূণ্য দুহাত / ৰিংকুল দাস / ৪০
আহ্বান / ভূদেব চন্দ্ৰ ৰাভা / ৪১

কবিতা / ৰীণা চৌধুৰী / ৪১
অপেক্ষা / বিপুল চন্দ্ৰ ৰাভা / ৪২
লগ পাওঁ যদি / চাৰ্বেশ ৰাভা / ৪২
তোমাৰ স্থিতি / মিচ তৰুলতা দৈমাৰী / ৪৩
নৱ বিপ্লৱী চেতনা / উৎপল কলিতা / ৪৩
মই জীয়াই আছো / কংকন খাংলাৰী ৪৪

## — ইংৰাজী বিভাগ —

Cultural Integrity : An overview / Prof. Jibeswar Koch / 45
Result of the College Week Competition / 48

## — বড়ো বিভাগ —

মাহাৰী দ্বানায়াও বড়ো ফৰায়সানি বিবান / চম্পাৱতী খাখলাৰী / ৫৫
দৈখাৰ জানায় জাউ-লামা / শৈলেন্দ্ৰ বসুমতাৰী / ৫৮
উপ সভাপতি, সাধাৰণ সম্পাদক আৰু বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন / ৫৯-৭১
মহাবিদ্যালয় বাৰ্ষিক সপ্তাহৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ ফলাফলসমূহ / ৭২
অমৰ বাণী / ৪, ৮, ১১, ১৮, ২১, ২৪, ২৭, ৩৭, ৪০
কৌতুক / ৩৫, ৩৬

□

# সম্পাদকীয়

কোনো এটা জাতি বা সমাজ এখন তথা দেশৰ উত্থান পতন, ভূত-ভৱিষ্যত সকলো ফঁহিয়াই দেখুৱাই দিয়ে ভৱিষ্যতৰ বংশধৰ সকলৰ নৈতিক চৰিত্ৰই। আৰু সেই জাতি, সমাজ বা দেশৰ সামাজিক নৈতিকতাৰ অস্তিত্ব বজাই ৰাখে সুস্থ আৰু নিকা সাহিত্যই। পৌৰাণিক সাহিত্যৰ আদৰ্শ ই সাম্প্ৰতিক সাহিত্য জগতলৈ ৰিঙিয়াই কয় যে, "সাহিত্যই হ'ল সেই জাতি বা সমাজৰ দাপোন স্বৰূপ।"

গতিকে চমকপ্ৰদভাবে হোৱা দ্ৰুত সলনিৰ লগে লগে জাতিটোক সমাজখনক আৰু দেশখন সুস্থ প্ৰগতিৰ পথত আগবঢ়াই নিবলৈ সেই সাহিত্যিক প্ৰতিজন নৈতিক দায়িত্বশীল ব্যক্তিয়ে গঢ় দি যোৱাটো নিত্যান্তই প্ৰয়োজন।

সাহিত্যবিহীন সমাজ এখনৰ কোনো অস্তিত্ব নাথাকে। গতিকে সাহিত্য জগতৰ উত্তৰ পুৰুষৰ ভূত ভৱিষ্যত আদিক নিয়তিৰ গ্ৰাসত লুপ্ত হ'বলৈ দিয়া অনুচিত। তাৰ বাবে নিকা পৰিবেশ, সুস্থ নৈতিকতা আৰু সামাজিক মূল্যবোধক গঢ় দি ৰখা প্ৰত্যেকজন সচেতন ব্যক্তিৰে এক অপৰিহাৰ্য কৰ্তব্য।

আধুনিক সমাজত কিছুমান মানুহৰ সামাজিক কাৰ্যকলাপ চিন্তাৰ কাৰণ হৈ পৰিছে। বিষয়টোৱে হ'ল অতি বিচাৰ্যৰ। আধুনিক সমাজত উদ্ভৱ হোৱা যুব সমাজৰ বিকৃত যুৱ মানসিকতা এনে এক সমস্যা। ক্ৰমান্বয়ে যুবক-যুবতী চামে পশ্চাদগামী বিশৃংখল কাৰ্যকলাপৰ বশীভূত হৈ বিপথগামী হৈ আহিব ধৰিছে। মূলতঃ আধুনিকতাই যুব সমাজৰ ৰুচিবোধৰ আমুল পৰিবৰ্তন ঘটাই সামাজিক, নৈতিক, সহনশীল আৰু শিষ্টাচাৰী আচৰণক বিনষ্ট সাধন কৰাইছে। দিনক দিনে আধুনিক ৰুচিবোধৰ প্ৰতিযোগিতা চলিব ধৰিছে; ফলত যুবচামে তেওঁলোকৰ দৃষ্টিত বিশ্বব্ৰহ্মাণ্ডখনক অন্য দৃষ্টিত চাব ধৰিছে।

স্কুল কলেজ পঢ়ি ডিগ্ৰী পালেই প্ৰকৃত শিক্ষিত বা জ্ঞানী নহয়, যদিহে সেই শিক্ষাৰ মূল্যক বুজি নাপায়। বৰ্তমান সময়ত দৃষ্টিগোচৰ হৈ আহিছে যে, যিমানে শিক্ষিতৰ হাৰ বাঢ়িছে কিন্তু তাৰ বিপৰীত ফালটোহে পৰিস্ফুত হৈ পৰিছে। ৰুচিহীন মানসিকতাই যুবক-যুবতীসকলক বিকৃত ৰূপত সজাই তুলিছে। ইয়াৰোপৰি নিচাজাতীয় দ্ৰব্যৰ তীব্ৰ প্ৰভাৱে যুব সমাজক যেন নৈমত্তিক কৰ্তব্যতহে লিপ্ত কৰাইছে। সেইবোৰ দ্ৰব্য সেৱন কৰিব নোৱাৰিলে যেন সমাজত খাপ খুৱাব নোৱাৰিব।

যুৱচামে সমাজত বলিষ্ঠ 'হিৰো' প্ৰতিপত্তিশীল মনোভাৱেৰে নিজক অধিকভাৱে সজাই পৰাই 'আপ-টু-ডেট' দেখুৱাবৰ বাবে যেন প্ৰতিযোগিতাতহে নামিছে।

অত্যাধিক মাদক দ্ৰব্য ( দ্ৰাগচ্‌ ) উত্তেজক সামগ্ৰী সেৱন, ছোৱালীৰ প্ৰতি অশ্লীল ব্যৱহাৰ, অশ্লীল ছবি আৰু ভিডিও কেছেটত নিষিদ্ধ ব্লু-ফিল্ম আদি যৌন উত্তেজক আদিৰ দৰে অমানবীয় অশ্লীল কাৰ্য্যই সামাজিক, নৈতিক দিশটোক ধ্বংশৰ পথলৈ ঠেলি নিছে। এইবোৰ অসৎ কাৰ্যই শিক্ষাজগতত বেছিকৈ প্ৰভাৱ পেলাইছে। স্কুল বিলাকৰ পৰা আদি কৰি বিশ্ববিদ্যালয় স্তৰলৈ ছাত্ৰ-ছাত্ৰীচামৰ মাজত এইবোৰৰ প্ৰভাৱ পৰাটো অতি স্বাভাৱিক। এইটো শৈক্ষিক পৰিবেশৰ পৰিপ্ৰেক্ষিতত অতিকৈ বিচাৰ্যৰ বিষয়। এই ধৰণৰ সমাজৰ অসৎ কাৰ্য সম্পৰ্কে প্ৰত্যেকজন শিক্ষিত যুবক-যুৱতীয়ে উপলব্ধি কৰা অতি প্ৰয়োজন। তেওঁলোকে যে নাজানে এনে নহয়; ভালদৰেই নিশ্চয় জানে। অথচ যুৱ সমাজে এই বিপথগামী পথৰ যাত্ৰী হোৱাৰ কাৰণ কি হব পাৰে? প্ৰত্যেকেই নিশ্চয় নিজৰ বিবেকেৰে বিবেচনা কৰিব পাৰিব।

ৰাজনৈতিক ইতিহাসৰ পাত মেলিলে জানিবলৈ পাওঁ অসম দেশ স্বকীয় স্বাধীন আছিল। ইংৰাজ ঔপনিবেশিকে অসমত খোপনি পুতিছিল। বুৰঞ্জীৰ পাতত ইয়াণ্ডাবু সন্ধিৰ কথাই ইয়াৰ স্পষ্টতা দেখুৱাই দিয়ে। কিন্তু ইংৰাজৰ হাতৰ পৰা অসম দেশ সম্প্ৰসাৰণবাদী শক্তিৰ ভাৰতবৰ্ষ নামৰ ৰাষ্ট্ৰযন্ত্ৰৰ হাতত গ'ল। অসমৰ বিভিন্ন জনগোষ্ঠীয়ে ভাবিছিল শান্তিৰ ছাঁত জিৰণি লব, কলা-কৃষ্টিৰ বিকাশ ঘটাব পাৰিব কিন্তু পৰৱৰ্তী সময়ৰ সোঁতত সকলো লীন গ'ল। অসম আকৌ ভাৰতীয় শাসন যন্ত্ৰৰ কবলত পৰি প্ৰৱঞ্চিত হ'ল। অসম শোষিত হ'ল! আই অসমীৰ বুকুৰ প্ৰাকৃতিক সম্পদৰ কথা কাৰো অবিদিত নহয়। অসমত কি নাই? সকলো আছে। কিন্তু অসমে আজি প্ৰতিটো বস্তু পাবৰ বাবে আৰু কলা-কৃষ্টি বিকাশ সাধনৰ বাবেই কৰিব লগা হ'ল একোটা আন্দোলন। আজি প্ৰতিজন সচেতন ব্যক্তিৰ মনত প্ৰশ্নৰ উদয় হয়— অসম বুলিবলৈনো কোনখন? অসমৰ থলুৱা জনগোষ্ঠী কোন বিলাক? অসমীয়া কোন? অসমীয়াৰ মাজত বিভিন্ন সম্প্ৰদায়ৰ মাজত কিবা পাৰ্থক্য আছেনে? এতিয়ানো অসমৰ কিবা অস্তিত্ব আছে নে নাই? মহামান্য দিল্লীশ্বৰহঁতক আজি লাগে কি? সম্প্ৰসাৰণবাদী শোষণৰ এই পয়চল্লিচ বছৰে আমি পালো কি? "My heart goes with Assam" ক মানি লব পাৰোনে? অত্যাচাৰী শাসক বিষয়াৰ ৰঙাচকুৰ চাৱনি, বন্দুকৰ আগত অসমৰ ইতিহাস নীৰৱ হৈ যোৱা নাই। লুইতৰ পানী ৰাঙলী হোৱা অসমৰ বুকুত ত্যাগ স্বীকাৰ কৰা ইতিহাসৰ প্ৰত্যুত্তৰ বিচাৰি আগুৱাই যাব শান্তি, ঐক্য আৰু প্ৰগতিৰ পথত।

বৰ্তমান সাম্প্ৰতিক পৰিস্থিতিত শৈক্ষিক পৰিবেশত অস্থিৰতাই বিৰাজ কৰিছে। সময়ৰ

ছেগ বুজি বিভিন্ন ৰাজনৈতিক কৌশলৰে মুনাফা আদায়ৰ চেষ্টা কৰাত দলীয় গোট বিলাক গা কৰি উঠিল। বুদ্ধিজীবি শোষণকাৰী সকলেও ৰাইজৰ মাজত ক্ষোভ, বিষাদ আৰু বিভাজন আনিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে। নিষ্ঠুৰ শাসক গোষ্ঠীয়ে নিৰীহ জনসাধাৰণৰ ওপৰত আতিশয্য চলোৱাত নীৰৱে সহ্য কৰিব-লগীয়াত পৰিল। এইদৰে প্ৰতিটো শিক্ষানুষ্ঠানতে অত্যাচাৰ উৎপীড়ণৰ প্ৰভাৱ বাৰুকৈয়ে পৰিল। ছাত্ৰ-ছাত্ৰী সকলেও আতিশয্যৰ কবলত পৰিল। এনেকৈ বিভিন্ন দিশত অপূৰণীয় ক্ষতি সাধন হোৱাৰ উপৰিও শিক্ষাৰ মানদণ্ড ক্ৰমাৎ হ্ৰাস পাই অহাও পৰিলক্ষিত হৈছে।

**বিভাগীয় দুখাৰ ঃ**

হুধনৈ মহাবিদ্যালয় আলোচনীখনৰ সম্পাদক হিচাপে মই যিখিনি কৰিব পাৰিলো বা কৰিব লাগিছিল সেইখিনি হয়তো কৰিব নোৱাৰিলো। আলোচনীখনত প্ৰকাশৰ বাবে যথেষ্ট সংখ্যক গল্প, কবিতা, প্ৰবন্ধ আদি মোৰ হাতত পৰিছিল। তাৰে আধাতকৈ বেছি সংখ্যক ৰচনা আছিল নিম্ন মানদণ্ডৰ আৰু প্ৰকাশৰ অযোগ্য। এই-ক্ষেত্ৰত আমি স্বীকাৰ কৰিবই লাগিব যে, আমাৰ অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীৰে ৰচনা ৰীতি অতি দুৰ্বল আৰু বাক্য গাঁথনি আসোৱাহযুক্ত। তদুপৰি বানানৰ ভুলৰ কথা নকলোৱেই বা; আমাৰ নিজস্ব ভাষাটো শুদ্ধকৈ, সাৱলীলভাৱে লিখিবলৈ যত্ন কৰাটো প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে নিশ্চয় কৰ্তব্য হোৱা উচিত। আনহাতে সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত অধ্যয়ন আৰু চৰ্চাৰ অতি প্ৰয়োজন। আমাৰ বেছিভাগৰে অধ্যয়নো নাই, চৰ্চাও নাই, গতিকে সম্ভাৱনাপূৰ্ণ লেখনি ওলাব কেনেকৈ?

এইখিনিতে আন এটা কথা উনুকিয়াব খুজিছো যে কেইটিমান কবিতা আৰু গল্প আন লেখকৰ পৰা নকল কৰি আলোচনীখনলৈ পঠিওৱা দৃষ্টিগোচৰ হৈছে। এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ কৰিছোঁ।

এইবাৰ 'মহাবিদ্যালয় সপ্তাহ'ত সাহিত্য প্ৰতিযোগিতাত অসমীয়া গল্প, কবিতা, প্ৰবন্ধৰ উপৰিও থিতাতে আঁকা চিত্ৰ প্ৰতিযোগিতা পতিছিলোঁ। সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতা সমূহত যোগদান কৰিছিল। সকলো প্ৰতিযোগীৰে উজ্জ্বল ভৱিষ্যত কামনা কৰিছোঁ।

**স্বীকাৰোক্তি ঃ**

হুধনৈ মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ সেৱা আগবঢ়োৱাৰ সুবিধা পোৱা বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জনাইছোঁ। যিসকলৰ লেখনিলৈ আলোচনীখনে পোহৰৰ মুখ দেখিলে তেওঁলোকৰ ওচৰত মই ঋণী। আনহাতে যি-

সকলৰ ৰচনাই ছপা আখৰৰ মুখ দেখা নাপালে তেওঁলোকে নিৰাশ নহৈ সাহিত্য চৰ্চাত মনোনিবেশ কৰিব বুলি আশা ৰাখিলোঁ।

আলোচনীখনৰ সম্পাদনাৰ কাম বছৰটোত পৰিস্থিতি সাপেক্ষে ৰাস্তাৰ উপৰিও আন বহুতো আনুসঙ্গিক অসুবিধাৰ হেতুকে পলমকৈ প্ৰকাশ পালে। তাৰ বাবে সমূহ পঢ়ুৱৈৰ ওচৰত ক্ষমা বিচাৰিছোঁ। তদুপৰি আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত অজানিতে ৰৈ যোৱা ভুল ত্ৰুটিৰ বাবে কৰযোৰে ক্ষমা বিচাৰিছোঁ। সম্পাদনাৰ ক্ষেত্ৰত আৰম্ভনীৰ পৰা শেষলৈ সৰ্বাত্মক সহযোগ আগবঢ়াইছে তত্বাবধায়ক শ্ৰীফণী ভূষণ দাস ছাৰে। তেওঁলৈ আগবঢ়াইছো মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা। প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিহা পৰামৰ্শ দান কৰা বাবে অধ্যক্ষ শ্ৰীকৰুণাকান্ত ৰাভা, শ্ৰীজীৱেশ্বৰ কোঁচ, শ্ৰীতৰুণ চন্দ্ৰ চাংমাই, শ্ৰীদশৰথ কাকতি, শ্ৰীগোপাল চন্দ্ৰ ৰায়, শ্ৰীহৰ কুমাৰ নাথ আৰু শ্ৰীঅমৃত কলিতালৈ সেৱা আৰু কৃতজ্ঞতা জনাইছোঁ। বিভিন্ন কামত আংশিক সহায় কৰা নকৰা বন্ধু বান্ধৱী সকললৈও মোৰ মৰম আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত বেটুপাতৰ শিল্পী শ্ৰীমুন কলিতা, জ্যোতি ষ্টুডিঅ' (দুধনৈ) লগতে ধুপধৰাৰ সুকুমাৰ প্ৰিন্টিং ওৱাৰ্কচৰ সমূহ কৰ্মীবৃন্দলৈ আৰু শ্ৰীনৰকুমাৰ মিশ্ৰলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

॥ জয়তু দুধনৈ মহাবিদ্যালয় ॥

**শ্ৰীধনঞ্জয় ৰাভা**

আলোচনী সম্পাদক,

দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

□

# দুধনৈ মহাবিদ্যালয় আলোচনী

পঞ্চদশ বছৰ ঃ অষ্টম সংখ্যা ঃ ১৯৯০-৯১

## অসমীয়া বিভাগ

দুধনৈ মহাবিদ্যালয়

দুধনৈ, জিলা ঃ গোৱালপাৰা (অসম)

# পার্বতি প্ৰসাদ বৰুৱাৰ কবিতা

—মিচ্‌. মুন তালুকদাৰ
স্নাতক ( কলা ) দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী।

"উৰুৱাই শুকালে সৰুৱাই পেলালে
নকৰো মৰণক ভয় ;
সুন্দৰ হৈ মৰিব জানিলে
মৰণকো কৰে জয়।"

'সুন্দৰ হৈ মৰিব জনা' দিখৌ পাৰৰ কবি পাৰ্বতি প্ৰসাদে ওৰে জীৱন লৰিছিল গীত আৰু সুৰৰ কল্লোলক ধিয়াই। গীত নাট আৰু কবিতাৰ ছন্দ-স্পন্দনেৰে অসমীয়া সাহিত্যৰ মন্দিৰ ৰজন-জনাই তোলে। সুৰৰ যাদুকৰ পাৰ্বতি প্ৰসাদ বৰুৱাৰ জন্ম হয় ১৯০৪ চনৰ ১৯ আগষ্টত, এটি অভিজাত পৰিয়ালত। ভাষা সাহিত্যৰ প্ৰতি এই পৰিয়ালটোৰ আছিল অকৃত্ৰিম মৰম আৰু সহচৰ্য। গীতিকাৰ পাৰ্বতি প্ৰসাদ বৰুৱা এগৰাকী ভাল চাহ খেতিয়কো আছিল। চাহ বাগিছাৰ অক্লান্ত পৰিশ্ৰমে পাৰ্বতি প্ৰসাদক ৰুগীয়া কৰি তুলিছিল।

পাৰ্বতি প্ৰসাদ বৰুৱাৰ জীৱন কবিতাৰ সুৰ-তেই বন্ধা। কবিৰ একান্ত ব্যক্তিগত ভাবানুভূতি আশা-আকাঙ্খা যেতিয়া কবিতাৰ ৰূপত কম্পিত শুৰত নিগৰি ওলায় তেতিয়া তাক 'গীতি কবিতা' বোলে। সুৰৰ সাধক পাৰ্বতি প্ৰসাদ বৰুৱাই কবিতা লিখিছিল প্ৰাণ ঢালি আত্মাৰ নিৰ্দেশত। 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল', 'গুণগুণনি' 'লুইতী', 'ভঙা টোকাৰীৰ সুৰ', 'খেল ভঙাৰ খেল' নামৰ কবিতাৰ পুথিত সন্নিবিষ্ট কবিতা-ৰাজি বৰ মিঠাসুৰীয়া। গীতি কবিয়ে যেতিয়া কটন কলেজত পঢ়িছিল ( ১৯২১ চনত ) আৰু ছাত্ৰাবাসত নিশা গীত গাইছিল তেতিয়া অন্য ছাত্ৰৰ আপত্তিত অধীক্ষকৰ কঢ়া নিৰ্দেশ আহিল, 'নিশা গীত গোৱা নিষেধ।' সুৰবলিয়া কবিয়ে তথাপি গীত গোৱাত অধ্যক্ষৰ প্ৰশ্নৰ উত্তৰত কৈছিল, "ছাৰ গাওঁ বুলি গান নেগাওঁ, হঠাৎ এনেয়ে ওলাই যায়।" পাৰ্বতি প্ৰসাদ বৰুৱাৰ কবিতাত এটি নতুন সুৰ আছে। বৰুৱাৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য হ'ল কবিতাত বনগীতৰ সুৰ সংযোজন। তেওঁৰ কবিতাৰ আন এটি মন কৰিবলগীয়া কথা হ'ল, অসমৰ কেঁচা মাটিৰ গোন্ধ। মহাজীৱনৰ উত্তাল ছন্দত তেওঁৰ বৰাগী মনে ৰূপহী সোঁতৰ ঢল চাই, প্ৰচণ্ড উচ্ছ্বাসত নিভাঁজ অসমীয়া কবিতা ৰচনা কৰিব লৈছিল। বনগীতৰ উপৰিও তেওঁৰ গীতি কবিতাত লোকগীত, আইনাম, ধাইনাম, টোকাৰীগীত, বিয়ানাম, বিহুগীতৰ সুৰ দি অসমীয়া সংগীত জগতলৈ এটি নতুন ধাৰা প্ৰবৰ্ত্তন কৰিলে।

পাৰ্বতি প্ৰসাদ বৰুৱাৰ কবিতাত বনগীতৰ সুৰ বিচাৰিলে পাওঁ :

"হাতী হেৰুৱালো লিহিৰি বনত
ঘোঁৰা হেৰুৱালো ৰণত,
পাই হেৰুৱালোঁ সৰগৰ মুকুতা
চোতালৰ দুবৰি বনত।"

পাৰ্বতি প্ৰসাদ বৰুৱাই যি সময়ত কবিতা চৰ্চা কৰিছিল সেই সময়ত অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ জগততো বঙালী সাহিত্য সংস্কৃতিৰ প্ৰভাব অতি বেছি আছিল। গীতি কবিৰ ওপৰত বিশ্বকবি ৰবি ঠাকুৰৰ প্ৰভাব স্বীকাৰ্য। অৱশ্যে এইটোও সত্য যে বিশ্বকবি ৰবি ঠাকুৰৰ সাহিত্যৰ প্ৰভাৱ কম-বেছি পৰিমাণে সেই সময়ৰ প্ৰায়ভাগ কবি সাহিত্যিকৰ ওপৰতে পৰিছিল। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই পাৰ্বতি প্ৰসাদ বৰুৱাৰ কবিতাৰ বিষয়ে মন্তব্য দি কৈছিল— "পাৰ্বতি প্ৰসাদ গীতিকাৰ, নিৰ্জীৱ কবিতাত প্ৰাণ প্ৰতিষ্ঠা কৰি নৈসৰ্গিক চিত্ৰত মানৱী চেতনা অৰ্পি কবিয়ে সৃজনী প্ৰতিভাৰ পৰিচয় দিছে। আত্মীয়তাৰ বাহিৰেও প্ৰকৃতিৰ লগত কবিয়ে আশা আনন্দৰ সম্বন্ধ গঢ়িছে। এইপিনৰ পৰা পাৰ্বতি প্ৰসাদ কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ সমগোত্ৰীয়। তেওঁ পোহৰ আৰু সুন্দৰৰ উপাসক জীৱন বিলাসী কবি।" তেওঁ অসমৰ শৰৎ কালৰ অপৰূপ সৌন্দৰ্য মনোমোহা ৰূপত যেনেদৰে গীতি কবিতাত প্ৰকাশ কৰিছে, তেনেদৰে আন কোনো অসমীয়া কবিয়ে পৰা নাই। অৱশ্যে পুৰণি সাহিত্যত শংকৰদেৱে ভাগৱত দশম স্কন্ধত 'শৰৎ বৰ্ণনা'ৰ এক জীৱন্ত বৰ্ণনা দিছে। পাৰ্বতি প্ৰসাদ বৰুৱাক প্ৰকৃততে "শৰতৰ কবি' আখ্যা দিয়াহে উচিত। শৰতৰ আকাশৰ স্নিগ্ধতা, নিৰ্মল নবীনতা আৰু মলয়াৰ মৃদু পবিত্ৰতাই যিকোনো লোকৰ মনতেই আনন্দ দিয়ে। ভগবান শ্ৰীকৃষ্ণকো শৰৎকালৰ সুন্দৰ ৰাতিৰ অন্তহীন সৌন্দৰ্যই ৰাসলীলাত প্ৰবৃত্ত কৰাইছিল। ভাগৱত দশম স্কন্ধত পাওঁ :

শৰত কালৰ ৰাত্ৰি অতি বিতোপন।
বহুবিধ পুষ্প বিকশিত বৃন্দাবন॥
ৰাস ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত্ত।
(শংকৰদেৱ)

শৰতৰ সোণোৱালী পুৱা, শুকুলা ডাৱৰ, লুইতৰ পাৰৰ বাউলী কঁহুৱা, পথাৰৰ লানি নিছিগা শালি ধান, বতাহত ভাহি অহা শেৱালীৰ গোন্ধ' আকাশত ৰাজহংসৰ কলনাদ, নিয়ঁৰত তিতা দুবৰিৰ বৰ্ণনা আদি মনোমোহা সৌন্দৰ্য ৰাশিয়ে কবিক আপোন পাহৰা কৰিছিল। ইংৰাজ কবি ৱৰ্ডছৱৰ্থৰ মতে প্ৰকৃতি শক্তিদায়িনী আৰু মংগলদায়িনী। তেওঁ নিজে প্ৰকৃতিৰ পূজা কৰিছিল এনেকৈয়ে : "My heart is in the high lands where I go"। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰেও প্ৰকৃতিৰ ৰূপত মুগ্ধ হৈ কৈছিল— "এমন ধানের ওপর ঢেউ খেলে যায় বাতাস পাহাৰ থেকে।" প্ৰকৃতি প্ৰেমিক পাৰ্বতি প্ৰসাদে অসীমলৈ ঢাপলি মেলিছিল :

আকাশৰ সৌ বগা ডাৱৰৰ শাৰী
তাৰ লগতেই অসীমত দিওঁ পাৰী।
সোণৰ গৰুম বিচাৰি যাওঁ
পদুম বনত মৃণাল উভালি খাওঁ।
(শুকুলা ডাৱৰ ঐ কহুঁৱা ফুল)

শুকুলা শৰতে কবিৰ মন চঞ্চল কৰি তোলে। শাৰদীৰ লখিমী আই পদুলি মুখেদি ধূলি উৰুৱাই আহি লুইতৰ পাৰৰ বাউলি কহুঁৱাৰ মাজত লয়লাসে নাচিব লাগিছে। সেই নাচোনত ৰহণ চৰাইছে পোহৰ, বতাহ, নৈ আৰু পাহাৰে সহযোগ কৰি। নীৰৱ প্ৰকৃতি সজীৱতাৰ আকুলতা। এনে উছৱৰ দিনত শেৱালীৰ মালা পিন্ধি নাচিবলৈ কবিয়ে আহ্বান জনাইছে ঃ

আজি ৰঙৰে দিনতে কিহৰ ঐ চিতনি
থৈ দে ঘৰৰ কাম
শেৱালিৰ মালা পিন্ধি নাচোহঁক
লগাই দে বিহুৰ নাম।

আই লখিমী প্ৰকৃতি ৰাজ্যলৈ অহাৰ বৰ্ণনাটি বৰ চিত্ৰধৰ্মী ঃ

"আজি নীল আকাশতে শুকুলা ডাৱৰৰ
ধূলি উৰুৱাই
সৌ পদুলিয়ে আহিছে হবলা
শাৰদী লখিমী আই।"

আমাৰ কবি বৰুৱাদেৱে শৰতৰ শুভ্ৰতাত মুগ্ধ হৈ কৈছে ঃ

সোণ শৰতৰ পৰশ লাগি
আঙুলি বুলায় হঠাৎ জাগি
পোহৰ বেণুৰ সুৰ উফৰি
গগন ভৰিল ঐ।

শৰতে কবিক আনন্দ দিয়ে। সেইদৰে শৰতৰ বিদায় পৰত কবিৰ মন বিষাদে ছাঁতে। শুকুলা ডাৱৰ আৰু কহুঁৱা ফুলৰ বিদায়ত কবিয়ে দুখ পায়। ৰবীন্দ্ৰনাথ ঠাকুৰেও অনুভৱ কৰিছিল ঃ

"দুখ আমাৰ ঘৰেৰ জিনিস
খাটি ৰতন তুইতো চিনিস।"

বৰুৱাদেৱৰ কবিতাত পাৰ্থিব প্ৰেম অপাৰ্থিব ৰূপতো দেখা যায় "দূৰে দূৰে ভুমুকি মাৰি" কবিতা ইয়াৰ উদাহৰণ। তেওঁ হিয়াৰ মাজত মহাজগতৰ ৰূপ ধ্যান কৰিছে অতিন্দ্ৰীয় অনুভূতিৰে ঃ

"কিয় উৰি ফুৰো কোনে বাৰু তাক জানে?
হিয়াখনি মোৰ দূৰৰ শূইনে টানে।"

"বজালে আহিনে বাহীনে বাঁণ" কবিতাটোৰ ভাব ভাষা আৰু তাৰ চিত্ৰকলা অতি সুন্দৰ। বৰ্ত্তমান ডঃ ভূপেন হাজৰিকাৰ কণ্ঠত এই গীতি কবিতাই প্ৰাণবন্ত হৈ উঠিছে।

ব্যক্তিগত জীৱনত পাৰ্ব্বতি প্ৰসাদ বৰুৱাই বৰ আঘাত পাবলগীয়া হৈছিল। ভাতৃ আৰু ভতৃবধূৰ নিদাৰুণ মৃত্যুৱে কবিক "ভগা টোকাৰীৰ সুৰ" ৰচনাৰ অনুপ্ৰেৰণা দিছিল। গুৱাহাটীৰ 'ভাগৱতী প্ৰসাদ বৰুৱা ভৱন' তাৰেই স্মৃতি। পাৰ্বতি প্ৰসাদ বৰুৱাই 'ভগা ঠোকাৰী'ত বজাইছিল হিয়া ভগা সুৰ ঃ

"বেথা ভৰা বুকুৰ ৰতন
দুখ তোৰ হৃদয়ৰ ধন
ভগা তোৰ কলিজাৰ মাত
ৰঙা তোৰ জীৱনৰ বাট।"

বৰুৱা এজন গীতিকাৰ। গীতৰ প্ৰাণ সুৰ আৰু ভাৱ সৃষ্টি। গীতত আবেগ আন এটা উপাদান। বৰুৱাৰ গীত কোমল, মিঠা। চিত্ৰকল্পত ভাৱব্যঞ্জক শব্দৰ প্ৰাচুৰ্য লক্ষ্য কৰিব-লগীয়া। পাৰ্বতি প্ৰসাদে তেওঁৰ কবিতাৰ জৰিয়তে নতুন ছন্দৰ পৰীক্ষা চলালে, আনকি তথাকথিত গদ্য ছন্দ বা স্পন্দিত গদ্যৰো। অসম পংক্তিৰ ছন্দৰ বতাহে বৰুৱাদেৱকো পৰশ দিছে। গভীৰ জীৱনবোধ, ক্ষণিকৰ মাজত সনাতনৰ অন্বেষণ, প্ৰকৃতি প্ৰেম— ইয়েই পাৰ্বতি প্ৰসাদৰ কবিতাক ফুলৰ পাহিত জিলিকি উঠা উষাৰ নিয়ৰৰ টোপালৰ দৰে ৰূপ দিছে।

●

---

# অমৰ বাণী

"আজিৰ যিটো পুৰস্কাৰ, সেইটো কাইলৈ পৰিণত হব পাৰে নিন্দাত। সন্মান আৰু অসন্মানৰ বৰণ সলনি হয়, বৰণ সলনি নহয় কেৱল নিজৰ ৰক্তৰ। সৃষ্টিশীল লিখক জনপ্ৰিয় হবলৈ গ'লে, তাৰ ভীষণ পৰিণামৰ বিষয়েও তেওঁ সতৰ্ক হৈ থাকিব লাগিব।"

—অমৃতা প্ৰীতম।

---

□

# অসমীয়া সমাজ আৰু মহাপুৰুষ শঙ্কৰদেৱ

—দিবাকৰ চন্দ্ৰ নাথ
স্নাতক দ্বিতীয় বাৰ্ষিকৰ (কলা) ছাত্ৰ

অসম ৰাজ্য প্ৰকৃতিৰ লীলাভূমি, সৌন্দৰ্য আকৰ আৰু সংস্কৃতিৰ প্ৰসাৰ কেন্দ্ৰ। যুগে যুগে অৱতাৰী মহাপুৰুষে অসমী জননীক ধন্যা কৰি আহিছে। সেই অৱতাৰী মহামানৱৰ ভিতৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ অন্যতম। ১৪৪৯ খৃষ্টাব্দত অসমৰ নগাঁও জিলাৰ বৰদোৱা নামে ঠাইত এইজনা মহামানৱৰ জন্ম হয়।

অসমীয়া সমাজ জীৱনত মহাপুৰুষ শঙ্কৰদেৱৰ যি বৰঙণি তাৰ তুলনা পাবলৈ বিৰল। তেখেত একেধাৰে কবি, সমাজ সংস্কাৰক, ধৰ্ম প্ৰবৰ্ত্তক, নাট্যকাৰ, অভিনেতা, সংগীতজ্ঞ। বহু দেৱতাৰ ঠাইত এক দেৱতাৰ উপাসনাৰ প্ৰবৰ্ত্তন আৰু নানা ধৰ্ম-মতবাদৰ সলনি সৰল বিশুদ্ধ ভাগৱতী ধৰ্ম মতবাদ প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে তেখেতে সংস্কৃতৰ অৱলম্বন কৰি জনসাধাৰণৰ বাবে সৰল সহজভাৱে কাব্য, নাটক, গীত আদি ৰচনা কৰে আৰু সেই কাৰ্যত আনকো ব্ৰতী কৰায়।

মহাপুৰুষ শঙ্কৰদেৱৰ কীৰ্তিসমূহ অসমীয়া সমাজ আৰু জাতিৰ লগত অঙ্গাঙ্গীভাৱে জড়িত হৈ আছে। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত তেখেতৰ অৱদান সীমিত নহয়।

পুৰণি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ পৰিভ্ৰমণ কৰি মহাপুৰুষ শঙ্কৰদেৱে অসমৰ সকলোকে একেডাল এনাজৰীৰে একত্ৰিত কৰিবলৈ প্ৰথমে অভিযান চলায়; যাৰ ফলত কিৰাত-কছাৰী, খাচি, গাৰো, মিৰি, যৱন, কঙ্ক, গোৱাল, অচম, মলুক, ৰজক, তুৰুক, কুবাচ, মেছ, চণ্ডাল, আদিয়ে এক শৰণীয়া ধৰ্মত দীক্ষিত হৈ পৰে। বহুদেৱতাৰ পূজা অৰ্চনাৰ ঠাইত এক ঈশ্বৰক স্থাপন কৰি ধৰ্মীয় বিক্ষিপ্ততা আৰু বামপন্থী আচাৰ অনুষ্ঠানৰ পৰা জনতাক আতঁৰাই আনি ভগৱৎমুখী কৰি তোলা হয়। শ শ বছৰ ধৰি সমাজৰ নিম্ন স্তৰত অৱহেলিত হৈ পৰি থকা সাধাৰণ জনতাক আধ্যাত্মিক আৰু সামাজিক জীৱনৰ এক সহজবোধ্য আদৰ্শ দাঙি ধৰি তেওঁলোকক আধ্যাত্মিক সাহস প্ৰদান কৰে। ব্যৱহাৰিক জীৱনত ব্ৰাহ্মণ চণ্ডালৰ মাজত বৈষম্য থাকিলেও ধৰ্ম আচৰণৰ ক্ষেত্ৰত যে সকলো সমান আৰু পবিত্ৰ অন্তৰৰ ভক্ত চণ্ডাল অভক্ত ব্ৰাহ্মণতকৈও যে সাধনাৰ স্তৰত উচ্চ— এই কথা প্ৰচাৰ কৰি মহাপুৰুষে ধৰ্মৰ ক্ষেত্ৰত সাম্যভাৱৰ আদৰ্শ দেখুৱাই জনতাক উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছিল; যাৰ ফলস্বৰূপে অসমীয়া জাতিক এনাজৰীৰে একত্ৰিত কৰিবলৈ সফল হৈছিল।

নাট-গীত আদি অভিনয় কলাৰ যোগেদি তেখেতে কলা সংস্কৃতিৰ ক্ষেত্রত এক নতুন জাগৰণ আনে আৰু জনসাধাৰণৰ মাজত সৌন্দর্যবোধ জগাই তোলে। অসমত নৱ জাগৃতিৰ সূচনা কৰা হয় আৰু ফলত অসমীয়া সমাজ জীৱন বহু পৰিমাণে শ্ৰীমণ্ডিত হৈ উঠে। কাব্য, নাটক, গীত, গদ্য আদি সাহিত্যৰ দ্বাৰা অসমীয়া জাতীয় ভেটি সুদৃঢ় কৰি তোলে। এইদৰে অসমীয়া সমাজ এখনে নিটোল ৰূপ পৰিগ্ৰহ কৰে।

অসমীয়া সমাজ জীৱনলৈ মহাপুৰুষৰ যি অৱদান তাৰ মূল্য নিৰূপন কৰিবলগীয়া হয় কিছু পৰিমাণে তেওঁৰ দ্বাৰা ৰচিত সাহিত্যৰ যোগেদি। সেই ৰচনাৱলী নতুন এক আধ্যাত্মিক আৰু সামাজিক আলোড়ণৰ স্পন্দনেৰে সঞ্জীৱিত। যি সময়ত বিবিধ সৰু বৰ ৰাজনৈতিক শক্তিৰ সংঘাতে, তেতিয়াও এক নির্দিষ্ট ৰূপ লৈ নুঠা অসমৰ সমাজ জীৱনক সংকটাপন্ন অৱস্থাত পেলাবলৈ ধৰিছিল, সেই সময়ত বৈষ্ণৱ সাহিত্যই নতুন প্ৰাণৰ সঞ্চাৰ কৰি সর্বভাৰতীয় মহাজাতীয় চৈতন্যৰ লগত ইয়াৰ ঐক্যভাৱ স্থাপন কৰে। ফলত বৈষ্ণৱ ধৰ্মৰ সামাজিক পদ্ধতিয়ে অসমৰ সমাজ জীৱনক এটি স্পষ্ট আৰু নিটোল ৰূপত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। সত্ৰ আৰু নামঘৰ সামাজিক শৃংখলাৰ নিদৰ্শন ৰূপে থিয় দিয়ে। বৈষ্ণৱ সাহিত্যৰ সমাদৰ ধৰ্মমূলক ভেদভাৱৰ ওপৰত মিলাপ্ৰীতিৰ বান্ধোন টানি দিয়াৰ ফলত শাক্ত, শৈৱ আদিৰ লগত বৈষ্ণৱ সংঘৰ্ষ অসমত কোনোদিনে সংঘটিত হোৱা নাছিল। ইয়েই অসমীয়া সমাজ জীৱনত শঙ্কৰী সাহিত্যৰ গভীৰ প্ৰভাৱৰ সাক্ষ্য দিয়ে।

মহাপুৰুষ শঙ্কৰদেৱে প্ৰতিষ্ঠা কৰা নামধৰ্মই মুক্তিলাভৰ সৰ্বাতোকৈ উত্তম পন্থা আৰু সেই-বাবেই মুক্তি বিচাৰি কোনেও ঘৰবাৰী এৰি থৈ সন্যাস ধৰ্ম অৱলম্বন কৰিব নালাগে। বেদ পঢ়ি অশেষ পাণ্ডিত্য লভি জ্ঞানৰো দৌল বান্ধিব নালাগে, কৰ্মৰো বিশেষ আৱশ্যক নাই, নাম ধৰ্মই সকলো গুণ সাধিব। এই ভক্তি পন্থাৰ নাম ধৰ্মই গীতাৰ জ্ঞানযোগ আৰু কৰ্মযোগৰ দোধৰ-মোধৰৰ পৰা সাৰিবৰ উপায় দিয়ে, সেয়াই ৰাজআলি! কিন্তু অকল মুখেৰে 'ৰাম' বুলিলেই নহয়—

"ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
তেবেসে মুকুতি পাইবোঁ কাহিলো স্বৰূপ।"
(কীৰ্ত্তন)

এনে সহজ ধৰ্মমতৰ বাবে সকলোৱে এই নামধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল। এই নাম ধৰ্মৰ মতবাদ আছিল—

"এক দেৱ এক সেৱ একত বিনে নাই কেৱ।"

শঙ্কৰদেৱে সনাতন ধৰ্মৰ বাহিৰে আন একোকে সমাজত প্ৰচাৰ কৰা নাছিল।

মংগলময় পৰমেশ্বৰৰ যেনেকৈ কোনো নিৰ্দিষ্ট নাম নাই সেইদৰে যি পৰম পবিত্ৰ বাণী স্বৰূপ, যি সত্য তাৰ কোনো নিৰ্দিষ্ট নাম নাই। জগতত হিন্দু ধৰ্ম বুলি কোনো এটা ধৰ্ম নাই,

কিন্তু জগতত আছে মাথোন এক বিশ্বজনীন ধৰ্ম, সেয়াই সনাতন। গোটেই মানৱ জাতিৰ কল্যাণৰ কাৰণেই পৃথিবীত সত্যবাদীৰ জন্ম আৰু এক উমৈহতীয়া উদ্দেশ্য লৈয়ে এওঁলোকৰ জীৱন মানৱ সমাজৰ মংগলৰ বাবে উৎসৰ্গীত। দেশ কাল পাত্ৰ ভেদে এই সত্যাদৰ্শীসকলৰ উপদেশ অলপ লৰচৰ হ'ব পাৰে ; কিন্তু কাৰ্যতঃ মূল উদ্দেশ্যত একো ভিন্নতা দেখা নাযায়। তেনেকৈয়ে মহাপুৰুষ শঙ্কৰদেৱো তদ্ৰূপ ব্যক্তি, যি সত্যাদৰ্শ প্ৰসাৰ আৰু প্ৰচাৰ কৰিবলৈ আজীৱন নিজকে উৎসৰ্গা কৰিছিল। □

( বিঃ দ্ৰঃ— প্ৰৱন্ধটো যুগুতোৱাত বিভিন্ন গ্ৰন্থৰ সহায় লোৱা হৈছে। )

●

# অমৰ বাণী

"তুমি সাহসী হোৱা— কাৰোবাক হত্যা কৰিবলৈ নহয়, তুমি ঘিণ কৰাজনক প্ৰেমেৰে আকোঁৱালি লবলৈ। প্ৰেমে কাৰো মাজত বিভাজন নানে ; বৰং ই ভগৱানৰ সৈতে আমাক সাঙোৰেহে।"

—মাদাৰ টেৰেছা।

□

# বিপন্ন জীৱজগত আৰু পৰিৱেশ প্ৰদূষণ

—মুন কলিতা
স্নাতক দ্বিতীয় বাৰ্ষিক ( বিজ্ঞান )

সমগ্ৰ মানৱ জাতি বৰ্ত্তমান একৈশ শতিকাৰ দুৱাৰ দলিত। আধুনিক বিজ্ঞানৰ ক্ৰমবিকাশৰ লগে লগে মানুহ আজি সভ্যতাৰ শীৰ্ষস্থানত উপনীত হৈছে । ই এক সু-খবৰ প্ৰতিজন মানুহৰ কাৰণে। কিন্তু এই সভ্যতাৰ শীৰ্ষস্থান লাভ কৰা মানুহৰ ভৱিষ্যত কি বাৰু ? এই প্ৰশ্নটো আজি প্ৰতিজন পৰিৱেশ সচেতন ব্যক্তিৰ মনলৈ অহাটো স্বাভাৱিক হৈ পৰিছে। কিয়নো পৃথিৱীত আমাৰ জীৱনৰ লালন-পালন কৰা বায়ু, পানী, মাটিৰ অতি ক্ষীপ্ৰ গতিত হ'ব ধৰা ভয়াবহ দূষিতকৰণ । যাক এক কথাত পৰিৱেশ প্ৰদূষণ বুলি কোৱা হয় । বৰ্ত্তমান যি হাৰত পৰিৱেশ দূষিতকৰণ হৈ আছে আৰু যদি ইয়াৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নহয়; তেতিয়া হয়তো পৃথিৱীখনত জীৱৰ অস্তিত্ব নাইকীয়া হবলৈ বেছি বছৰৰ প্ৰয়োজন নহ'ব ।

অতীজতে অৰ্থাৎ যেতিয়া মানুহে হাবিত ফল-মূল, বনৰীয়া জীৱ-জন্তুৰ কেঁচা মঙহ আদি খাই অঘৰী জীৱন যাপন কৰিছিল তেতিয়া পৰিৱেশ বা পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত কোনো ধৰণৰ ভাবুকিৰ সৃষ্টি হোৱা নাছিল । ইয়াৰ কাৰণ ফঁহিয়াই চালে আমি দেখা পাওঁ যে, আদিম অৱস্থাত মানুহে প্ৰকৃতিৰ মুক্ত আৱহাৱাত প্ৰত্যক্ষভাৱে জড়িত হৈ জীৱন ধাৰণ কৰিছিল, আৰু সেই সময়ত বিজ্ঞানৰ বিকাশ নোহোৱাত জীৱ সৃষ্টি কোনো কৃত্ৰিম বস্তুৰ প্ৰয়োগ হোৱা নাছিল যিবিলাকে প্ৰকৃতিৰ ভাৰসাম্যতাত আঘাত হানিব পাৰে । আনহাতে বিস্তৰ পৰিমাণে থকা বনাঞ্চল আৰু বন্যপ্ৰাণী সমূহ চাৰ্লছ ডাৰউইনৰ প্ৰাকৃতিক মতবাদ অনুসৰি প্ৰকৃতিত সুসংহত ভাৱে নিয়ন্ত্ৰণাধীন হৈ আছিল । যিহেতু প্ৰতিটো বন্যপ্ৰাণী আৰু প্ৰতিজোপা উদ্ভিদ পৰস্পৰ জীয়াই থকা সহযোগী আৰু এবিধক এৰি আনবিধ পৃথিৱীত বৰ্তী থাকিব নোৱাৰে । গতিকে প্ৰতিটো জীৱ প্ৰাকৃতিক ভাৰসাম্যতাৰ স্বাৰ্থত জীয়াই থকা প্ৰয়োজন । অৱশ্যে এই জীৱসমূহৰ স্বাভাৱিক এক লুপ্ত প্ৰাপ্তাৰ প্ৰক্ৰিয়াও নোহোৱা নহয় যাক প্ৰাকৃতিক বিলুপ্তি ( Natural Extinction ) বুলি কোৱা হয় । কিন্তু এই প্ৰক্ৰিয়াৰ ফলত প্ৰকৃতিত কোনো কু-প্ৰভাৱ নপৰে বৰং প্ৰাকৃতিক ভাৰসাম্য স্থাপন হে হয় ।

কালক্ৰমত উচ্চ স্তৰৰ মগজু সম্পন্ন মানৱ জাতিয়ে আদিম অৱস্থাৰ পৰা বিজ্ঞানৰ

বোকোচাত উঠি ঢাপে ঢাপে সভ্যতাৰ জখলাত বগাবলৈ ধৰে আৰু বিজ্ঞানৰ নতুন নতুন বস্তু উদ্ভাৱন তথা প্ৰয়োগেৰে পৰিবেশৰ ওপৰত ভাবুকিৰ সৃষ্টি কৰিবলৈ ধৰিলে। অৱশ্যে এই ক্ষেত্ৰত যদি কেবল বিজ্ঞানক জগৰীয়া কৰা হয় তেনেহলে ভুল কৰা হ'ব; কাৰণ বিজ্ঞানৰ সম্পূৰ্ণ চাবিকাঠি মানুহৰ হাতত। গতিকে মানুহে ইয়াক নিয়ন্ত্ৰণ আৰু প্ৰয়োগ কৰাৰ ফলতহে ইয়াৰ কুফল বা সুফল নিৰ্ভৰ কৰে। আজি জীৱশ্ৰেষ্ঠ মানুহে শিল্প বিপ্লৱ, যুদ্ধ-বিগ্ৰহ আদিৰ কাৰণে নানা হাবি-জংগল, দ্বীপ, দ্বীপান্তৰৰ দুৰ্গম ঠাইলৈ যাব পৰা যান-বাহন আৰু নানাবিধ মাৰণাস্ত্ৰৰ সৃষ্টি কৰিছে যাৰ ফলশ্ৰুতিত বনাঞ্চল, বন্যপ্ৰাণী দ্ৰুতগতিত হ্ৰাস হৈ আহিছে। আগ পাছ নুগুনি জধেমধে মানুহে হাবি জংগল ধ্বংস কৰিছে। নানা মূল্যবান ঔষধি গছ-গছনি, (গুল্ম, দুষ্প্ৰাপ্যবৃক্ষ, আৰ্কিড ইত্যাদি), বিভিন্ন আপুৰুগীয়া পশু-পক্ষী (স্তন্যপায়ী, সৰীসৃপ, চৰাই ইত্যাদি), খাদ্য, অন্ধবিশ্বাস, বৈষয়িক আচবাব আদিৰ প্ৰয়োজনত নিশ্চিহ্ন কৰিবলৈ উঠিপৰি লাগিছে। ইতিমধ্যে বহুতো প্ৰজাতিৰ প্ৰাণী আৰু উদ্ভিদ বিলুপ্ত ( Extinction ) হলেই, আন বাকী থকা প্ৰজাতিবোৰেও ভীষণ খাদ্য সমস্যা, দিনে দিনে জনসংখ্যা বৃদ্ধিৰ ফলত হোৱা আবাসিক এলেকাৰ অভাব, জলবায়ুৰ প্ৰতিকূল অৱস্থা, শত্ৰুৰ আক্ৰমণ আদিৰ পৰা উদ্ভৱ হোৱা সংকটপূৰ্ণ পৰিস্থিতিৰ সন্মুখীন হৈ মৃত্যুৰ ক্ষণ গনিব লগাত পৰিছে। এই প্ৰাণী তথা জীৱবোৰৰ অৰ্থ নৈতিক গুৰুত্বৰ লগতে সমগ্ৰ জীৱ জগতৰ সৈতে যে, এক অবিচ্ছেদ্য আৰু নিবিড় সম্পৰ্ক আছে সেইটো যেন সকলোৱে পাহৰি গৈছে। বৰ্ত্তমান সময়ত ইহঁতৰ সংৰক্ষণৰ অতি প্ৰয়োজন হৈ পৰিছে। অন্যথায় কিছু বছৰৰ পিছত হয়তো কিতাপত পোৱা ছবিৰ বাহিৰে পুনৰ জীৱিত অৱস্থাত এই প্ৰাণীসমূহক দেখা পোৱা নাযাব আৰু পৃথিৱীয়েও হেৰুৱাব প্ৰাকৃতিক ভাৰসাম্যতা।

আনহাতে গছ-গছনি ধ্বংস কৰাৰ ফলস্বৰূপে আমাৰ পাৰিপাৰ্শ্বিক অৱস্থাত কেনেদৰে প্ৰভাৱ পেলায় তাৰ এটা চমু আভাস তলত দিয়া হ'ল—

আমি জানো যে সেউজীয়া উদ্ভিদে বায়ুমণ্ডলৰ অক্সিজেন, কাৰ্বন ডাই অক্সাইড, নাইট্ৰজেন আদি গেছৰ সমতা স্থিৰ কৰি ৰাখে। কিন্তু দিনে দিনে গছ-গছনি কমি অহাৰ ফলত বায়ুমণ্ডলৰ কাৰ্বন ডাই-অক্সাইড গেছ বৃদ্ধি হৈছে। কাৰণ সেউজীয়া গছে বায়ুৰ পৰা কাৰ্বন ডাই অক্সাইড শোষণ কৰি পাতত থকা ক্ল'ৰফিলৰ সহায়ত খাদ্য প্ৰস্তুত কৰে প্ৰাণীৰ প্ৰাণস্বৰূপ অক্সিজেন গেছ ত্যাগ কৰে। উদ্ভিদৰ এই প্ৰক্ৰিয়াত যথেষ্ট পৰিমাণে কাৰ্বন ডাই অক্সাইড ব্যৱহাৰ হয় বাবে বায়ুমণ্ডলত ই সুনিয়ন্ত্ৰিত হৈ থাকে। গতিকে উদ্ভিদবিলাক যেতিয়া কমি আহিল— তেতিয়া উক্ত গেছ দুটাও অনিয়মিত হবলৈ ধৰিলে। অৰ্থাৎ কাৰ্বন ডাই অক্সাইড বৃদ্ধি হ'ল। আনপিনে কাৰ্বন ডাই অক্সাইডে ভূ-পৃষ্ঠাত আপতিত হোৱা সূৰ্য্যৰ ৰশ্মি সম্পূৰ্ণৰূপে বিকিৰিত নকৰি কিছু

অংশ শোষণ কৰি পৃথিৱীৰ উত্তাপ নিৰ্দ্দিষ্ট কৰি ৰাখে কিন্তু কাৰ্বন ডাই অক্সাইড বৃদ্ধি হোৱাৰ ফলত এই গেছে অতিৰিক্ত পৰিমাণৰ সূৰ্যৰ ৰশ্মি শোষণ কৰি পৃথিৱীৰ উত্তাপ অস্বাভাৱিক ভাবে বঢ়াই তুলিলে। ইয়াকে সেউজ গৃহ পৰিঘটনা বুলি অভিহিত কৰা হৈছে। এই উত্তাপ বৃদ্ধিৰ পৰা অতিপাত চেঁচা জলবায়ুৰ মেৰু অঞ্চলৰ বৰফও গলিবলৈ ধৰিছে। ভৱিষ্যতে এই গলিব ধৰা বৰফৰ পৰা বিস্তৃত অঞ্চল জলমগ্ন হোৱাৰ আশঙ্কা কৰা হৈছে। ইয়াৰ উপৰিও বনাঞ্চল হ্ৰাস হোৱাৰ ফলস্বৰূপে বিভিন্ন সেউজভূমি ক্ৰমে মৰুভূমিত পৰিণত হৈ গৈ আছে. পাহাৰ অঞ্চলৰ গছ আৰু মাটি কটাৰ ফলত পাহাৰৰ মাটি খহি নৈত পৰিছে। তাৰ ফলত নৈৰ বুকু বাম হৈ প্ৰলয়ংকৰী বানপানীৰ সৃষ্টি কৰিছে, উপকূলবৰ্তী ঠাইবোৰৰ গছ কটাৰ ফলত ভয়াবহ গৰাখহনীয়াই দেখা দিছে। কিন্তু এই ভয়াবহ প্ৰাকৃতিক দূৰ্যোগবোৰৰ প্ৰতি আজিও যেন বহুতে কাণসাৰেই কৰা নাই। এবাৰলৈও ভাবি চোৱা নাই যে, ওপৰত উল্লিখিত ধৰণে হোৱা জীৱৰ ধ্বংস-যজ্ঞই মানৱ জাতিৰ ধ্বংসৰ পথ প্ৰশস্ত কৰিব লাগিছে।

ওপৰোক্ত বনাঞ্চল ধ্বংস কৰাৰ ফলত হোৱা পৰিবেশ প্ৰদূষণৰ উপৰিও মানৱসৃষ্ট কেতবোৰ কৃত্ৰিম কাৰক যেনে— অপৰিকল্পিতভাবে স্থাপন কৰা কল কাৰখানা, পাৰমাণবিক অস্ত্ৰ, বিভিন্ন যান-বাহন আদিয়ে পৰিবেশ দূষিত কৰণত বিশেষভাবে অৰিহণা যোগাই আহিছে। উদাহৰণ স্বৰূপে— ধ্বংসাত্মক জেট প্লেনৰ পৰা ওলোৱা ক্ল’ৰ’ফ্লুৰ’ কাৰ্বন ( Chlorofluro Carbon ) নামৰ যৌগবিধে জীৱ-জগত ৰক্ষাকাৰী পৃথিৱীৰ চাৰিওফালে আৱৰি থকা বায়ুমণ্ডলৰ অ’জন নামৰ স্তৰটো ক্ষয় সাধন কৰে। অ’জন স্তৰে সূৰ্য্যৰ অতি বেঙুনীয়া ৰশ্মি পৃথিৱীত আহি পৰাত বাধা দিয়ে। এই ৰশ্মিৰ উপস্থিতিত কোনো জীৱ জীয়াই থকা সম্ভৱ নহয়। আনহাতে পেট্ৰলিয়াম সামগ্ৰীৰ প্ৰজ্বলনৰ পিছত যিবিলাক ধোঁৱাৰ কণিকা বায়ুত প্ৰবেশ কৰে, তাৰ ফলত পৃথিৱীখন ক্ৰমে অনন্ত আন্ধাৰ আৰু শীতল হৈ যোৱাৰ সম্ভাৱনা আছে। এইটোক নিউক্লীয় শীত পৰিঘটনা বুলি কোৱা হয়।

এনে ধৰণৰ বহু নতুন নতুন ক্ৰমাগত ভাবে বৃদ্ধি হৈ অহা সৰ্বনাশী প্ৰদূষণৰ সমস্যাই পৃথিৱীখনক এক অন্ধকাৰ ভবিষ্যতলৈ আগুৱাই নিব লাগিছে। গতিকে সময় থাকোতেই প্ৰদূষণৰ এই ভয়াবহ পৰিণতিৰ পৰা ৰক্ষা পাবলৈ বিশ্বৰ প্ৰতিজন নাগৰিকে সচেতন আৰু অঙ্গীকাৰবদ্ধ হওঁক এখন প্ৰদূষণ মুক্ত সুন্দৰ পৃথিৱী গঢ়িবলৈ।

□

# আৰ্কিমিডিছ আৰু গণিত

## অসাধাৰণ মগজুৰ গোগাৰ্ৰেলে

—মিণ্টু জবীৰ দাস
স্নাতক দ্বিতীয় বাৰ্ষিক ( বিজ্ঞান )

কালৰ লগত অবিৰত সংগ্ৰাম কৰি আজি মানৱ সমাজ বৈজ্ঞানীক সভ্যতাৰ শিখৰ পাইছে। প্ৰতিটো মুহূৰ্ত্তে বিজ্ঞানৰ নতুন নতুন আবিস্কাৰে মানুহক চমক খুওৱাই নহয়, অসাধ্যকো সাধ্য কৰি তুলিছে। বিজ্ঞানৰ এই অদ্ভুত সাফল্যৰ আঁৰত গণিতৰ প্ৰয়োগ তথা অৱদান অদ্বিতীয়। ব্যৱহাৰিক জীৱনতো আমি গণিত অবিহনে এখজো দিবলৈ অপাৰগ। গণিতৰ বিভিন্ন আবিস্কাৰ আৰু প্ৰসাৰৰ লগত বিভিন্ন সময়ত বিভিন্ন গণিতজ্ঞ জড়িত হৈ মানৱ সমাজক বাস্তৱৰ লগত যুঁজিবলৈ শিকনি দিছে। এই প্ৰবন্ধত গণিতৰ বিভিন্ন আবিস্কাৰ আৰু প্ৰয়োগৰ লগত দুজন অসাধাৰণ মণিষী গ্ৰীক-দেশীয় বৈজ্ঞানীক আৰ্কিমিডিছ আৰু দাৰিদ্ৰতাৰ বাবে পঙ্গু হৈ পৰা ভাৰতবৰ্ষৰ সু-সন্তান লক্ষ্মণ গোগাৰ্ৰেলে কেনেদৰে জড়িত আছিল এই বিষয়ে আৰু তেওঁলোকৰ কিছুমান অৱদানৰ চমু আভাষ দিব বিচৰা হৈছে।

গণিত বা ইংৰাজীত 'Mathematics' শব্দৰ উৎপত্তি গ্ৰীক শব্দ 'Mathema'ৰ পৰা হৈছে; ইয়াৰ অৰ্থ হ'ল Science অৰ্থাৎ বিজ্ঞান।

বিখ্যাত বিজ্ঞানী আৰ্কিমিডিছে এইবিধ বিজ্ঞানৰ লগত সেই সময়ৰ বিশ্বই জনা তথা আদিম বিশ্বৰ সকলো প্ৰকাৰ গণিতৰ লগত জড়িত আছিল। কিয়নো তেওঁ গণিত বিষয়-টোকে আটাইতকৈ বেছি ভাল পাইছিল। সেই সময়তেই বন্ধু প্ৰতীম আলেকজেণ্ড্ৰিয়াৰ শীৰ্ষজ গণিতজ্ঞসকলে তেওঁৰ মেধাগুণ সম্পন্ন, চিন্তাকৰ্ষক কঠিন ৰচনাসমূহ পঢ়িব আৰু অধ্যয়ন কৰিব পাইছিল।

তেওঁ সংখ্যাৰ অধ্যয়নযুক্ত বিষয় পাটীগণিত বা অংকশাস্ত্ৰৰ ( Arithmetics ) লগত যেনে-দৰে জড়িত আছিল তেনেদৰে দিশৰ লগত দুৰত্বৰ সম্পৰ্ক থকা ত্ৰিকোণমিতিৰ ( Trigono-metry ) সৈতেও জড়িত আছিল। এই ত্ৰিকোণমিতিৰ প্ৰয়োজনীয়তা যেনেদৰে আজি ইঞ্জি-নীয়াৰক প্ৰয়োজন তেনেদৰে জোতিষী, নাৱিক, জৰীনকৰ্তা ( Surbeyors ) সকলকে সমানে প্ৰয়োজনীয়।

আধুনিক বিশ্বত গতি আৰু পৰিবৰ্তনৰ লগত জড়িত ক'লন গণিতৰ ( Calculus ) আদিপাঠৰ স্থাপনা তেওঁৰেই অৱদান। এই ক'লন গণিতৰ আৱিস্কাৰ নোহোৱা হ'লে আজি

আকাশত ৰকেট, ক্ষেপনাস্ত্ৰ, কৃত্ৰিম উপগ্ৰহ প্ৰেৰণ, অন্তৰীক্ষ ভ্ৰমণ আদি কল্পনাতীত কাৰ্য সম্ভৱ নহ'লহেতেন ।

আৰ্কিমিডিছে জ্যামিতি বিশেষকৈ ভাল পাইছিল । জ্যামিতি প্ৰকৃততে অন্তৰীক্ষত আকৃতিৰ অধ্যয়ন ( Study of shapes in space). তেওঁ চেপেটা আকৃতি (flat shapes), ত্ৰিমাত্ৰিক আকৃতিযুক্ত গোলক, ক'ণ ( Cone ), চিলিণ্ডাৰ (Solid shapes) আদি কেনেকৈ কাগজত আঁকিব পাৰি সেইবোৰৰ অধ্যয়ন কৰিছিল । বিশ্বত বৰ্তমান জ্যামিতিৰ প্ৰয়োগৰ থল বাঢ়িছে। জ্যামিতি অবিহনে স্থাপত্যবিদে অট্টালিকা বান্ধিব নোৱাৰে, জৰীপকৰ্তাই নক্সা বা মেপ আঁকিব নোৱাৰে, উৰা জাহাজৰ নমুনা, নাওঁ-জাহাজৰ নমুনা, ৰকেটৰ নমুনা আদি কৰিব নোৱাৰে । ঠিক তেনেদৰেই ইঞ্জিনীয়াৰে দলং বান্ধিব, চিত্ৰ শিল্পীয়ে চিত্ৰ আঁকিব, সীহৰীয়ে ( Plumber ) পাইপ বহুৱা কাম আদি কৰিব নোৱাৰে ; নাৱিক, পদাৰ্থ বিজ্ঞানী আদি সকলো ক্ষেত্ৰতেই জ্যামিতিৰ প্ৰয়োগ সঁচাকৈয়ে এৰিব নোৱাৰা; যিটো এইজনা গণিতজ্ঞৰ বহুল অধ্যয়নৰ অভাৱত আমি হয়তো কৃতকাৰ্যতাৰ মুখ নেদেখিলোহেঁতেন ।

আৰ্কিমিডিছে জ্যামিতি অধ্যয়ন কৰি সেই সময়ৰ অন্যান্য সকলতকৈ বেছি উল্লেখযোগ্য বৰঙণি আগবঢ়াইছিল । তেওঁৱেই প্ৰথমে গোলাকৃতিৰ বস্তুৰ আয়তন জুখি উলিওৱাৰ পদ্ধতি আৱিস্কাৰ কৰিছিল । পিছলৈ যিহে পৃথিৱী, সূৰ্য, চন্দ্ৰ আদি গ্ৰহ-উপগ্ৰহৰ ভৰ তথা আয়তন জুখিবলৈ বাট দেখুৱাইছিল । সৌৰজগতখনে কিমান স্থান ( Space ) আগুৰি আছে ; এটা বেলুনে কিমান গেছ আৱদ্ধ কৰি ৰাখিছে এইবোৰৰ অধ্যয়ন কৰাত সহায় কৰিছিল । তেনেদৰে চিলিণ্ডাৰ এটাৰ আয়তন কিমান, পাইপ লাইন এটাই কিমান তেল বহন কৰে, এডাল গছত কিমান পৰিমাণৰ কাঠ থাকে, এটা ৰকেটৰ ইন্ধন টেংকি (full tank ) কিমান ডাঙৰ হ'ব লাগিব এই সকলোবোৰৰ সুপৰিকল্পিত অধ্যায়নৰ সুচল কৰে তেওঁৱেই প্ৰথমে ।

আৰ্কিমিডিছৰ পৰাই আধুনিক যুগৰ কঠিন ত্ৰিমাত্ৰিক পদাৰ্থৰ জোখমাখ ( Measurement of solids ), বক্ৰৰ দ্বাৰা আগুৰা পৃষ্ঠ, বক্ৰৰৈখিক পৃষ্ঠ ( Curilinear surface ) যেনে বৃত্ত, অধিবৃত্ত, উপবৃত্ত আদিৰ জোখ মাখৰ আৰম্ভণি হয় । তাৰোপৰি তেওঁ ত্ৰিভুজ, সামন্তৰিক, আয়ত, অধিবৃত্ত আদিৰ মাধ্যাকৰ্ষনিক কেন্দ্ৰ (Centre of gravity) উলিওঁৱাৰ পদ্ধতি উদ্ভাৱন কৰিছিল । তেওঁ ক'ণ ( Cone ), পিৰামিড ( Pyramid ) আদিৰ ওপৰতো বহুত তথ্য দাঙি ধৰিছিল । গতিকেই ক'ব পাৰি বিজ্ঞানৰ অভূতপূৰ্ব সাফল্যৰ আঁৰত আৰ্কিমিডিছৰ অৱদান অতুলনীয় ।

বিজ্ঞানী আৰ্কিমিডিছৰ দৰেই ভাৰতবৰ্ষতো এজন সুমেধা সম্পন্ন ব্যক্তিৰ জন্ম হয় 1963 চনত খেদ শিৱপুৰৰ ওচৰৰ গোৱালবাদী নামৰ অজান গাঁৱত । এই স্থানলৈ পুণাৰ পৰা এঘণ্টাৰ

বাট। তেওঁৰ নাম লক্ষ্মণ গোগাৱেলে। এটি দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰি ভেড়াৰখীয়া হিচাপেহে জীৱন নিৰ্বাহ কৰিছিল; কিন্তু আছিল অসাধাৰণ সামৰ্থ্যৰ অধিকাৰী। গোগাৱেলে যদিওবা শিক্ষাৰ পোহৰেই পোৱা নাছিল তথাপি তেওঁৰ চিন্তাশক্তি তথা মগজুৰ গণনাশক্তিৰ দ্বাৰা সংখ্যাবোৰৰ বিভিন্ন সমস্যাসমূহ সমাধান কৰিছিল স্বাভাৱিক ভাৱেই। এনে সামৰ্থ্যৰ বাবে এবাৰ তেওঁ গণিত বিষয়ৰ (SSC Math Exams.) পৰীক্ষাত বহিছিল। নিৰ্দ্ধাৰিত ২½ ঘণ্টাৰ প্ৰশ্নকাকত খন মাত্ৰ এঘণ্টাত সম্পূৰ্ণ কৰি শতকৰা ৪০% শতাংশ শুদ্ধ কৰিছিল।

গোগাৱেলে বহু সমস্যাৰ সমাধান কৰিছিল নিজে নিজেই। এবাৰ বন্ধু এজনক হাজাৰ বছৰৰ আগৰ বা পিছৰ যিকোনো এটা তাৰিখ ক'বলৈ দি কৈছিল তেওঁ সেই দিনটো কি বাৰ আছিল কৈ দিব। বন্ধুজনে এটা তাৰিখ '১৯৪৮ চনৰ ৩০ জানুৱাৰী' বুলি কোৱাত তেওঁ গণনা কৰি মাত্ৰ আঠ চেকেণ্ড পিছত ক'লে যে সেই দিনটো শুক্ৰবাৰ আছিল; যিটো শুদ্ধ আছিল; কিন্তু তেওঁ নাজানিছিল যে সেই তাৰিখতে মহাত্মা গান্ধীক হত্যা কৰা হৈছিল।

কোনো তিনিটা অংকৰে গঠিত সংখ্যা এটাৰ পৰা অংকসমূহৰ যোগফল বিয়োগ কৰি যি ফল পোৱা যায় তাৰ দুটা অংক কৈ দিলেই আন টো অংক কৈ দিব পৰাতো তেওঁৱেই প্ৰথমে উদ্ভাৱন কৰিছিল। গোগাৱেলেৰ স্মৃতিশক্তি আছিল প্ৰখৰ। এবাৰ স্কুলীয়া বন্ধু এজনে অংকৰ সাঁথৰ এটা সুধিলে যে 175 7051 অক (যিটোক মৌলিক সংখ্যা বুলি ভুল কৰা যায়) কিহেৰে হৰণ কৰিব পাৰি। বন্ধুজনে ভাবিছিল তেওঁ এই প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিব; কিন্তু তেওঁৰ স্মৃতিৰ ভড়ালৰ পৰা লাহেকৈ ক'লে 1291 আৰু 1361। এয়েই তেওঁৰ স্মৃতিশক্তিৰ অস্বাভাৱিক সামৰ্থ্যৰ নিদৰ্শন দাঙি ধৰে।

গোগাৱেলেৰ কিছুমান আৱিস্কাৰ :- মাত্ৰ 24 বছৰীয়া গোগাৱেলে তেওঁৰ ডাৱেৰীৰ পাতত নিখুঁতভাৱে কিছুমান তথ্য লিখি ৰাখিছিল।

(১) কেলেণ্ডাৰ :- তেওঁৰ আচৰিত আৱিস্কাৰৰ ভিতৰত আছিল এখন কেলেণ্ডাৰ যিখন সকলো সময়ৰ বাবেই গ্ৰহণযোগ্য। ইয়াৰ দ্বাৰা কোনো এটা তাৰিখ কি বাৰ পৰিছিল বা পৰিব উলিয়াব পৰা যায়। তেওঁ কৈছিল যে আঠাইশ বছৰৰ মূৰে মূৰে ইংৰাজী কেলেণ্ডাৰে পুনৰাবৃত্তি কৰে। যদিহে 'leap year' বুলি ধৰা নহয় তেন্তে ই সাত বছৰৰ মূৰে মূৰে পুনৰাবৃত্তি কৰে।

(২) মৌলিক সংখ্যা (Prime Numbers) 50,000 অৰ ভিতৰত থকা সকলো মৌলিক সংখ্যাকে তালিকাভুক্ত কৰিছিল। তেওঁ কোনো এটা সংখ্যা মৌলিক হয় নে নহয় (1,00,000 ৰ ভিতৰত) মনতে গণনা কৰি ক'ব পাৰিছিল।

(৩) একৈকী পূৰণ আৰু যোগ (Identical multiplication and Addition) :- কোনো দুটা সংখ্যাৰ যোগফল আৰু পূৰণফল একে হ'ব পাৰেনে? ইয়াৰ ভিতৰত 99% অৰ উত্তৰ হ'ল ২ সংখ্যাটোৰে মাত্ৰ যোগফল আৰু পূৰণফল

সমান। কিন্তু তেওঁৰ উত্তৰ আছিল যে অকল '২' নহয় ; এনেকুৱা আৰু লক্ষ-লক্ষ সংখ্যাৰ যোৰ আছে যাৰ যোগফল আৰু পুৰণফল সমান। তেওঁ স্ব-উদ্ভাৱিত সূত্ৰ এটা দাঙি ধৰিছিল এনেদৰে : $n/_1 + n/_{n-1}$ ই সদায়ে $n/_1 \times \frac{n}{n-1}$ অৰ সমান।

(৪) কোনো দুটা সংখ্যাৰ পূৰণফল ইইতৰ বিপৰীত ক্ৰমৰ পূৰণফলৰ সমান। উদাহৰণ স্বৰূপে $312 \times 639 = 936 \times 213$.

(৫) যাদুকৰী ধ্ৰুৱক 909 :- চাৰিটাতকৈ অধিক অংকৰে গঠিত সংখ্যাৰ ওচৰাওচৰি যোগফলেৰে গঠিত সংখ্যাক পূৰ্বৰটোৰ পৰা বিয়োগ দি এনে প্ৰক্ৰিয়াৰে এটা সময়ত (repeated) 909 পোৱা যায়।

ভাৰতবৰ্ষৰ প্ৰখ্যাত গণিতজ্ঞ ৰামানুজনৰ দৰেই লক্ষ্মণ গোগাৱেলে এজন অসাধাৰণ ব্যক্তি আছিল। কিন্তু তেওঁৰ মগজুৰ সুপ্ৰয়োগ নহ'লগৈ। Eric Temple Bell লিখিছিল "Mathematics is the queen of all sciences; and Arithmetic is the queen of Mathemetics"। কিন্তু গোগাৱেলেৰ মগজুক অদৃষ্টৰ কপালক ধীয়াই পাশাখেলৰ সোটাহে বনোৱা হ'ল। □

(ইংৰাজী আলোচনীৰ সহায়ত)

●

# অমৰ বাণী

কালৰাত্ৰিৰ মাজতে যেনেকৈ প্ৰভাত লুকাই থাকে তেনেকৈ পদে পদে পৰাজয়ৰ পিছতো জয় নিশ্চিত। জীৱনৰ তাতেই সাৰ্থকতা।

—ডঃ ভূপেন হাজৰিকা।

□

# এখন চিঠি

—শ্ৰীধৰিত্ৰী নাথ
একাদশ শ্ৰেণী (কলা)

মৰমৰ !

.... ... ... ....

প্ৰথমে মোৰ মৰম লবা। বহুদিনৰ পৰা তোমাৰ কোনো খবৰ বাতৰি নেপাই মোৰ বৰ দুখ লাগি আছে। আশা কৰো ভালে ভালে আছা। মইও এক প্ৰকাৰ ভালে আছো। সেইদিনা দীপালীহঁতৰ ঘৰত তোমাক দেখিছিলো, পিছে তুমি দেখোন মোক দেখি কৰবাত লুকালা ? মইনো কি নগৰত জগৰ লগালো ? তুমিযে মোক দেখি লুকাব লগাতো হ'ল ? সেইদিনা তোমাৰ ভায়েৰা আমাৰ ঘৰলৈ আহিছিল, সি হেনো এইবেলি খেতি বাতিতে মনোযোগ দিছে। পিছে তুমিনো তাক পঢ়া-শুনা বাদ দি খেতিত ধৰিবলৈ কিয় দিলা ? তুমি এজন শিক্ষিত ল'ৰা হৈ তাক অলপ বুজাব নোৱাৰিলা নে ? মই আশাকৰো তুমি যেন তাক পুনৰ বুজাই বঢ়াই স্কুললৈ পঠোৱা। ঔ যোৱাকালি মোৰ পদুম পুখুৰীৰ বান্ধবী এজনী আমাৰ ঘৰলৈ আহিছিল। তাইৰ লগত কিমান যে কথা বতৰা পাতিলো। তাইৰ হেনো এইবেলি বিয়া হ'ব। দৰাও হেনো ওলাইছে। গুৱাহাটীত কিবা চাকৰি কৰে বোলে। দৰাৰ হেনো ধুবুৰীত ঘৰ। দৰাৰ নাম তৰুণ বৰুৱা। দেখায়ে শুনায়ে ভালে বোলে। দৰাৰ মাক দেউতাক আছে বোলে। আজি আবেলি মই নৈৰ ঘাটলৈ পানী আনিবলৈ যাওতে তোমাৰ বন্ধু ৰমেনক লগ পাইছিলো। তাক তোমাৰ খবৰ সুধিছিলো। সি কলে তুমি হেনো কিবা চাকৰিৰ ইণ্টাৰভিউ দিবলৈ গৈছিলা। কি চাকৰীৰ ইণ্টাৰভিউ সি বোলে নেজানে। তুমিনো বাৰু কিমান ইণ্টাৰভিউ দিয়া। মোৰে কিবা আমনি লগা যেন পাওঁ। আজি তিনি চাৰি বছৰে ইণ্টাৰভিউ দিলো, চাকৰি হলে নহল। মোৰ মতেৰে অকল ইণ্টাৰভিউ দিলেই নহয়। হাত দীঘল মানুহৰ পিছ ল'ব লাগে, আৰু বেক পকেটত আঠ, দহ হেজাৰ টকাও সোমাই দিব লাগে। নহ'লে কোনোপধ্যেই চাকৰি নহ'ব। আমাৰ মোমাইদেউৰ ডাঙৰ ল'ৰাটোৰ চাকৰি হ'ল নহয়। তেওঁ হেনো কোনোবা এজন এম এল, এক পোন্ধৰ হেজাৰ টকা দি এল. পি স্কুলৰ চাকৰি এটা পালে। যা হওঁক তথাপিও চাকৰি এটা হ'ল। চাকৰি অবিহনে গত্যান্তৰ নাই। চাকৰি কৰিব মন কৰিলে টকাও লাগে। আজিকালি আকৌ চাকৰি বজাৰত

কিনিবহে লাগে নহয়। যোগ্য অযোগ্যৰ লগত কথা নাই নহয়। মোৰ ভনীয়ে এটা মজাৰ কথা কৈছিল। তুমি শুনা নাই জানো? এটা মহাপুৰুষৰ বাণী আছে নহয়, মানুহ আপোন, টকা পৰ, য'ত পাৰা মানুহ ধৰ। তাই ওলটাই কি কয় জানা? টকা আপোন, মানুহ পৰ, য'ত পাৰা টকা ধৰ। আমি বৰকৈ হাঁহিছিলো। হাঁহিলে কি হ'ব, কথাটো তাই ভুল কোৱা নাই। আজিৰ মানুহে মানুহক নিচিনে নহয়, টকাহে চিনে। টকা থাকিলেও টকা লাগে। এইটো যুগেই টকাৰ যুগ।

মোৰ মাহীদেউৰ এই বেলি টানলৰীয়া হৈ গ'ল। মহাদেউৱে যে ক'ত বেজ কবিৰাজ লগাগে নাই ভাল নহয় হে নহয়। শেষত মায়ঙৰ পৰাও বেজ আনিলে, তথাপিও ভাল নহ'ল। মই এদিন খবৰ কৰিবলৈ গৈ দেখো মাহীদেউৰ যোৱা-থোৱা অৱস্থা। মই মহাদেউক বৰকৈ কই মেলি কোনোমতে ডাক্তৰৰ তালৈ মাহীদেউক নিয়ালো। পিচে কোনোমতে এটা চিট নেপাওঁ হে নেপাওঁ। ডাক্তৰে বাৰে বাৰে কয় বোলে চিট নাই। মোৰ মনত এটা বুদ্ধি খেলালে। মই মহাদেউক কলো, পঞ্চাশটা মান টকা মোক দিয়কচোন; কিজানিবা ডাক্তৰক টকা দিলে এটা চিট দিয়েই। মহাদেউও বিনা বাক্যে টকা পঞ্চাশটা উলিয়াই দিলে। মই ডাক্তৰৰ ওচৰলৈ গৈ কলো, "চাৰ টকা পঞ্চাশ টা ৰাখক আৰু যি কোনো প্ৰকাৰে আমাক এটা চিটৰ ব্যৱস্থা কৰি দিয়ক।" ডাক্তৰে কলে "উঃ ৰাম! তোমালোকৰ লগত নোৱাৰিছো হ'ব বাৰু, যোৱাচোন মই কৰবাত এটা চিট ওলায় নে চাওঁ।" অলপ পিচতে ডাক্তৰে এটা চিট দি দিলে। অৱশ্যে মাহীদেউ সম্পূৰ্ণ সুস্থ হৈছে।

মোৰ ককাইদেউৰ চাকৰিৰ বিষয়ে দেউতায়ে চিন্তা কৰি আছে। দেউতাৰ ইতিমধ্যে পাঁচ হেজাৰ টকা জমা হৈছে। আৰু দুই তিনি হেজাৰ মান হলে ভাল আছিল। কোনোবা এজন ডাঙৰ মানুহক টকা খিনি দিলে চাকৰি হবও পাৰে। এ টকা পাঁচ হেজাৰৰ কথা লিখিলো। কোনোবা চোৰে কিবাকৈ গম পালে টকা লৈ উধাও নহলেহে ৰক্ষা। তুমি চোন জানায়ে যে মই স্কুলত পঢ়া এৰি দিলো। অৱশ্যে মোৰ পঢ়াৰ মন আছিল। মন থাকিলে কি হব, দেউতায়ে পঢ়িব নিদিয়ে নহয়। মোৰ পেহীদেউৱে মই পঢ়া এৰা কথাটো শুনিয়ে লৰি ধাপৰি আহিছিল। আৰু আহিয়ে মোক যে ক'ত গালি শোপনি দিলে। বোলে আজিৰ ছোৱালী হৈ পঢ়া এৰিলা; তুমি কি কৰিম বুলি ভাবিছা। মই পেহীক বুজাই কলো যে, দেউতাইহে মোক পঢ়িব নিদিয়ে। মোৰ পঢ়াৰ মন আছিল। তেতিয়া পেহীৰ খং এখোপ চৰিল আৰু লগে লগে দেউতাৰ কাষ পালে। পেহীয়ে প্ৰথমে দেউতাক বুজালে শিক্ষাৰ মোল কি? শিক্ষিত হলে মানুহে জ্ঞানী হয়। শিক্ষাৰ বলত মানুহে কি কৰিব পাৰে, কি কৰিব নোৱাৰে ইত্যাদি। দেউতাই কয় ছোৱা-

লীক পঢ়ুৱালে কি হ'ব। বিয়া দিবই লাগিব. তাই লিখা পঢ়া জানিলেও ভাত ৰান্ধিব লাগিব আৰু লিখা পঢ়া নাজানিলেও ভাত ৰান্ধিব লাগিব। পঢ়াতকৈ ঘৰুৱা কাম কাজত পাকৈত হওঁক। পেহীয়ে কৈছিল আমাৰ ছোৱালীজনীক দেখিছা বি, এ পাছ কৰি গাঁওৰে ভেঞ্চাৰ স্কুলখনত চাকৰি কৰিছে। এই বি, এ পাছ কৰক বা নকৰক অন্ততঃ মেট্ৰিকটো পাছ কৰিব দিব লাগিছিল। কি হ'ব দেউতা আৰু পেহী একে মাতৃৰ সন্তান হলেও সিহঁতৰ চলন ফুৰণ কোনো এটাটো একেবাৰে মিল নাই। পেহী অশিক্ষিতা হলেও শিক্ষা কি বস্তু বুজিছে কিন্তু দেউতায়ে নুবুজে।

বিশেষ কি লিখিম শত শত মৰমেৰে সামৰিছো। ☐

●

---

# অমৰ বাণী

"গছৰ পাত ওলোৱাদি যদি স্বতঃস্ফূৰ্তভাৱে কবিতাৰ জন্ম হয়, তেন্তে কবিতাৰ সৃষ্টি নোহোৱাই ভাল।"

—থমাচ কিটচ্।

---

●

# নিঃসঙ্গতাৰ সঙ্গী

—গোলাপ শঙ্কৰ নাথ
স্নাতক তৃতীয় বাৰ্ষিক ( কলা )ৰ ছাত্ৰ

বাইশটা বসন্ত পাৰ হৈ অহা পল্লৱীয়ে ড্ৰেচিং টেবুলৰ আয়নাখনৰ সমুখত থৰ হৈ ৰল। দীঘল আয়নাখনে তাইৰ লগত যেন কথা পাতিহে আছে। পণবন্দী হৈ থকা কোনো পুৰুষৰ বহুমাহ পিচত মুক্তিৰ পিচত ঘৈনীয়েকে সেইজনক বোবা চাৱনিৰে চাই থকাৰ দৰে পল্লৱীও আয়নাখনৰ তাইজনীক নতুন দৃষ্টিৰে চাই গ'ল। তাইৰ বাবে এয়া যেন এক ব্যতিক্ৰম। বহুবছৰ পিছত তাই আজি নিজকে এবাৰ বেলেগ ছোৱালীক চোৱাদি চাইছে।

পল্লৱী চলিহাৰ ঘৰ দিছপুৰত। ভচৰৰে এখন ছোৱালী হাইস্কুলৰ বিজ্ঞানৰ শিক্ষয়িত্ৰী হিচাবে নিযুক্তি পোৱাৰ ছমাহ হ'ল। দেউতাক জীৱকান্ত চলিহা অৱসৰপ্ৰাপ্ত শিক্ষক। আগতে বৰপেটাৰ কোনোবা এখন সৰু গাঁৱত সিহঁতৰ ঘৰ আছিল। দেউতাকে অসবৰ্ণ বিবাহ পাতি ঘৰৰ পৰা ওলাই আহি দিছপুৰত থকাৰ প্ৰায় ত্ৰিছ বছৰ হ'ল। দেউতাকৰ দিনৰ সমাজৰ ৰীতি-নীতি আজিতকৈ বেলেগ আছিল। হিন্দুৰ মাজতে থকা নানা জাতি-উপজাতিৰ মাজত খুউব প্ৰভেদ আছিল। দেউতাকে দাম্পত্য জীৱনত সমাজৰ আশীষ পোৱা নাছিল, পাইছিল বহুতৰে ৰূঢ় ব্যৱহাৰ।

তাই মাকক সৰুতে দেখিছিল। কিন্তু চাৰিবছৰীয়া স্মৃতিবোৰ আজি তাইৰ পৰা আঁতৰি যোৱাৰ উপক্ৰম। দেউতাকে তাইক মাকৰ কথা কেইবছৰমান আগলৈ প্ৰায় কৈছিল। দেউতাকে জোনাকত বহি তাইক জোনৰ দেশৰ সাধু কোৱা নাছিল, কৈছিল সেই সময়ৰ সমাজ ব্যৱস্থা আৰু তাইৰ মাকৰ এখন সুন্দৰ সংসাৰ গঢ়াৰ সপোনৰ বিষয়ে। দুদিনৰ জ্বৰতে মাকে তাইক নিঠৰুৱা কৰি এৰি গ'ল; দি গল জীৱকান্ত চলিহাক দাৰুণ আঘাত। মাকৰ মৃত্যুৰ পিচত হেনো আইতাকে তাইক সিহঁতৰ গাঁওলৈ নিবলৈ কেবাবাৰো আহিছিল। দেউতাকে একো এটা কোৱা নাছিল। সময় আগবাঢ়িছিল, লুইতৰ প্ৰচণ্ড গতিৰ দৰে। জীৱকান্তই নিজৰ সিদ্ধান্তত অলৰ-অচৰ হৈ থাকিল। লাহে লাহে গাঁৱলীয়া জীৱনৰ লগত সিহঁতৰ সম্পৰ্ক নোহোৱা হ'ল আৰু মহানগৰীৰ জীৱনৰ লগত যুজ আৰম্ভ হ'ল। তাইৰ লগ বুলিবলৈ ঘৰৰ কাম কৰা বুঢ়া ৰামু। ইহ সংসাৰত কোনো নোহোৱা ৰামুয়ে বহু বছৰ এইখন ঘৰত থাকিল। তাইৰ কেতিয়াবা ভাবি ভয় লাগে— যদি ৰামু ককা আৰু দেউতাকে হঠাতে তাইক অকলশৰী-

য়াকৈ এৰি গুচি যায়।

ঃ "পল্লৱী, তইজনী ডাঙৰ হলি, চাকৰি পালি। এতিয়া তোৰ বিয়াখন পাতি দিব পাৰিলে আমি নিশ্চিত হ'ব পাৰো। আমিতো সদায় তোক চাই থাকিব নোৱাৰিম। আৰু এবাৰ ভাৱো— তোক উলিয়াই দি আমি দুই বুঢ়াই কি কৰি সময় কটাম? বজাৰলৈ গৈ কাৰ বাবে কি আনিম? তোক বেলেগ এখন ঘৰলৈ উলিয়াই দিব পাৰিম জানো?"

বামুৰ কথাবোৰে তাইক কেতিয়াবা বহু কথাই ভবাই তোলে। নিজৰ অজানিতে তাই শৈশৱ পাৰ হৈ আহি আহি যৌৱনত ভৰি দিলে। ৰামুৱে ভবাৰ দৰে দেউতাকেও যদি তাইক বিয়া দিয়াৰ কথা ভাৱে! তাই তেতিয়া বৈ যায়।

আয়নাখনৰ সমুখত বহি থাকি নিজক আৱিষ্কাৰ কৰাত তাইৰ পলম নহ'ল। তাই নভবা কথাবোৰ আয়নাখনে তাইক কৈ গ'ল। তাই ভৱা কথাবোৰ কেতিয়াবা ৰামুৱে কয়। কিন্তু দেউতাকে তাইক আজিকালি একো নকয়। কেতিয়াবা দেউতাকৰ নীৰৱতা ভাঙি দেউতাকৰ চিন্তাৰ কাৰণ সুধিম বুলি ভাবিও তাই সুধিব নোৱাৰে। এখন বিয়াই দেউতাকৰ জীৱনত হয়তো আঘাত দিছিল, যি আঘাত আজিও পাহৰি যাব পৰা নাই। দেউতাকৰ আদৰ্শক তাই শ্ৰদ্ধা কৰে, ৰামুৰ চেনেহ উপলব্ধি কৰে আৰু নিজৰ বয়সৰ দাবীৰ কথাও তাই ভাবে। অথচ তাইৰ বাবে তিনিওটা কথা তিনিডাল সমান্তৰাল সৰলৰেখাৰ দৰে।

আয়নাখনত প্ৰতিবিম্বিত হোৱা পল্লৱীজনীৰ নাম কিয় প্ৰতিমা নাৰাখিলে, তাই প্ৰায়ে ভাবে। দেখিবলৈ ধুনীয়া বুলি তাইৰ এটা বন্ধু মহলত সুনাম আছে আৰু অহংকাৰী বুলি বদনাম এটাও আছে। আচলতে তাই অহংকাৰী নহয়— এই কথাত তাই নিশ্চিত। দেউতাকৰ জীৱনৰ কথা ভাবি তাই নিজৰ আনন্দ বিসৰ্জন দিব পৰা মন এটি সৃষ্টি কৰিবলৈ যোৱা কথাটো তাইত বাদে কোনেও নাজানে, উপলব্ধি নকৰে। কিন্তু আয়নাখনে তাইক বিয়াৰ কথা ভবাই তোলে। স্থায়ী আশ্ৰয় আৰু নিৰাপত্তা অকল বিয়াৰ দ্বাৰাইহে ছোৱালীয়ে পাব পাৰে— কথাটো তাইৰ যুক্তিহীন যেন লাগে। কিয়নো মাকেও নিশ্চয় বিয়াৰ দ্বাৰাই আশ্ৰয় আৰু নিৰাপত্তা স্থাপনৰ এবুকু আশা কঢ়িয়াইছিল। কিন্তু পালে জানো? সেই আশাৰ বিপৰীতে দি গ'ল তাইক আৰু জীৱকান্তক হতাশা আৰু নিৰাপত্তাহীনতাৰ ইংগিত।

কেইদিনমানৰ আগৰ পৰা তাই বিয়াৰ কথা ভাবিছে। আয়নাখনে এই ক্ষেত্ৰত তাইক আমনি কৰে স্কুলৰ কাষত থকা দোকান কেইখনৰ সমুখত থিয় হৈ তাইলৈ চাই থকা ডেকা কেইজনমানৰ দৰে। কিন্তু বৰ্ত্তমান পৰিস্থিতিত তাই কাৰ সতে অৰ্থাৎ কেনে ডেকাৰ লগত বিয়া হ'ব? এখন ভৰাঘৰৰ বোৱাৰী হ'লে তাইক সাজিব। কিন্তু কোন ডেকাক তাই বিয়াৰ প্ৰস্তাৱ দিব? আজিলৈ দেখোন তাইৰ ওচৰত কাৰো প্ৰস্তাৱ নাই। বাটে-ঘাটে লগ পোৱা

নেতা যেন লগা কোনো এজনকে তাই নিবিচাৰে। যি কেইজনক তাই জানে, চিনে, সেই কেইজন দুপৰীয়ালৈ স্কুলৰ সমুখত থকা মানেই সংসাৰৰ প্ৰতি দায়িত্ব নোহোৱাৰ চিন! তাৰোপৰি মাক নথকা একমাত্র ছোৱালীক বহুতে আজিকালি বেয়া বুলি ভাবে ছাগে' নহলেনো ৰূপ, গুণ, শিক্ষা সকলো থকাৰ পিছতো তাইৰ ওচৰত কাৰো বিবাহ প্ৰস্তাৱ নাই কিয়?

ঃ "নহয় ৰামু, পল্লৱীক এবাৰ কৈ চাবা। ল'ৰাজন এজন সামৰিক বাহিনীৰ বিষয়া। সম্ভৱ ডি, এচ, পিৰ সমান। এনে ল'ৰালৈ বিয়া দিলে তাইৰ জীৱনৰ নিৰাপত্তা থাকিব। সৰুৰে পৰা অকলশৰীয়াকৈ থাকি তাই দুখ পাইছে। আমি দুজনে ধৰ্মপুথি কেইখন পঢ়িয়ে সময় কটাম দিয়া।"

দেউতাকৰ কথাখিনি কাণলৈ ভাহি অহাত তাই আয়নাখনৰ ওচৰৰ পৰা আতঁৰি গৈ বিচনাত দীঘল দি পৰিল। তাই দেউতাকক কি কব? কি বুজাব? অকলশৰে থাকিব লগা হোৱা জীয়েকক সামৰিক বিষয়ালৈ বিয়া দিব খুজিছে। কৰ্মক্ষেত্ৰত দিনটো ব্যস্ত হৈ থকা এই বিষয়াজনে তাইৰ ক্ষেত্ৰত বা আনৰ ক্ষেত্ৰত কিমান নিৰাপত্তা প্ৰদান কৰিব পাৰে সেয়া বাতৰি কাকতৰ পাতে পাতে।

"মই নিৰাপত্তা বিচাৰি বিয়া নহওঁ। তাতোকৈ মই দেউতা আৰু ৰামুৰ জীৱনৰ বাকীখিনি সময়ৰ নিৰাপত্তা দিবলৈ চেষ্টা কৰিম"— তাই চমুকৈ ভাবিলে।



## অমৰ বাণী

"প্ৰেমৰ আনন্দ ক্ষণস্থায়ী, কিন্তু প্ৰেমৰ বেদনা চিৰস্থায়ী।"

—ৰবীন্দ্ৰনাথ ঠাকুৰ।

# দৈনন্দিন

—প্ৰদীপ দাস
স্নাতক ২য় বাৰ্ষিক ( কলা )

পাৰুলক কিমান দিন কলো— "বোলো অলপ ভালকৈ চলিবাছোন ( ! )" নাই মোৰ কথাত মুঠেই কাণসাৰ নাই; কেৱল আনক ইটো দিয়ক, সিটো দিয়ক, কেৱল দিয়ক-দিয়ক-দিয়ক। বাটেৰে চৰ্জিৱালাটো যাবলৈহে পায় মোৰ সৰু ল'ৰা পিঙ্কুক লগাই দি ওচৰলৈ মাতে, কিলোত দহ টকা হলেও বিলাহী, বাৰ টকা হলেও ফুল-কবি, আলুতো কবই নালাগে। দৈনিক বজাৰত মাছ, মাংস নতুবা কণী আছেই। এদিন যদি এবিধ নহয়, তেওঁৰ মুখখন বেলুন ফুলা দিয়ে। ৰুচি নোহোৱা হয়, খাবৰ ইচ্ছা নোহোৱা হয় আৰু যে ক'ত কিমান উপসৰ্গ। মোনাখন কান্ধত লৈ মহাবীৰৰ দোকানলৈ যাব লগাতো নিত্য নৈমত্তিক ঘটনা। চাউল, মিঠাতেল, ৰিফাইন তেল, ভেজিটেব'ল, বাচ্ছাৰ বাবে ফুড ইত্যাদি। ইফালে মাহৰ দৰমহা পাবৰে নহয়। পাৰুলে মৰম লগাই লগাই কব, হেৰি শুনিছেনে ইলোৰাত নতুন ডিজাইনৰ শাৰী আহিছে! ছোৱালী-জনীৰ বাবে নতুন এটা মেডি আনিব, পিঙ্কুৰ বাবে আৰ্মি ডিজাইনৰ কাপোৰ এজোৰ আনিব। ইফালে বাপেকে ইচ্‌কুল মাষ্টৰ। মুঠি মৰা দৰমহা। ৰাতিপুৱা, আবেলি টিউচন কৰো। তথাপি নাটেহে নাটে। এক তাৰিখ পৰিবৰে নহয়, ভাৰাঘৰৰ মালিকৰ চকু ঘাপ মাৰো, ঘাপ মাৰো, যেন এদিন দেৰিকৈ দিলে তেওঁৰ ভাৰা ঘৰটো এনেয়ে যাব।

নিজেই মনটোক প্ৰশ্ন কৰো, ভালদৰে চলিব নজনাটো এটা ডাঙৰ পৰাজয়। আয় চাই ব্যয় কৰিব লাগে। উপাৰ্জনতকৈ খৰছ বেচি হলে মাইনাচ চিনৰ সোঁহাতে সংখ্যাটো ডাঙৰ হৈ যায়। কিমানবাৰ যে সুতিয়াকৈ ধাৰে লৈছোঁ সেইটো একমাত্ৰ ভগৱানহে জানে। মোৰ স্ত্ৰী পাৰুলেও এইবোৰ বুজাৰ যত্ন নকৰে। যত্নইবা কৰিব কিয়? পাৰুল লাট চাহেবৰ ছোৱালী। দেউতাক পি, ডব্লিউ, ডি, ৰ ইঞ্জিনিয়াৰ। দৰ-মহাতকৈ বাহিৰা, অৰ্থাৎ উপঢৌকন বহুতো বেছি। সৰুৰে পৰা মাটিত খোজ দি পোৱা নাই। উকুখা চাল দেখা নাই! চৌকাত কাঠ খৰিৰে ভাত বনাই পোৱা নাই। প্ৰথমে ষ্টোভ ব্যৱহাৰ কৰিছিলো; তাৰ পিছত সম্প্ৰতি গেচ। ইয়াৰ পিছত বা তেৰাৰ কৃপাত আৰু কি নতুন চিজ্ ওলায়! বিয়াৰ সময়ত মই বাৰে বাৰে কৈছিলো, ইমান ধনী মানুহৰ ঘৰত বিয়া কৰোৱাতো আমাৰ নিচিনা নিম্ন মধ্যবিত্ত পৰিয়ালৰ মানুহৰ বাবে এটা ডাঙৰ অপৰাধ। বংশ ভাল হলেই হয়। মা-দেউতাই মোৰ আপত্তি নুশু-

নিলে। সেয়ে দহবাৰ পৰ্য্যন্ত মেট্ৰিক দিও পাছ কৰিব নোৱাৰা, গপতে গঙ্গাটোপ্ হৈ উপজি থকা পাৰুল নামৰ ছোৱালীজনীক মোলৈ গটাই দিলে। মেট্ৰিক পাছ হলেও কৰবাত কৈ মিলি কিজানি পাঠশালা স্কুলতে মাষ্টৰণী কৰি দিব পাৰিলোহেঁতেন! তেতিয়া মই অৰ্থ নৈতিক বোজাৰ পৰা কিছু ৰেহাই পালোহেঁতেন। পিছে এতিয়াহে বুজিছো মাহৰ কেইদিন যায়! মই যদি সোঁহাতে যাওঁ মোৰ সহধৰ্ম্মিনী বাওঁ-হাতে যায়। ধনী আৰু দুখীয়া তেল আৰু পানীৰ দৰে। একোটাক লৈ একোটা শ্ৰেণী গঢ়ি উঠিছে। দেশখনত এহাতে যেনেকৈ এটা শ্ৰেণীয়ে অনাহাৰে অৰ্দ্ধাহাৰে দিন কটাব লাগিছে আনটো শ্ৰেণীয়ে ন-ন স্কাইস্কেপাৰৰ পৰিকল্পনা কৰিছে।

মোৰ গৃহিনী যেনেকুৱা ঠিক তেনেদৰেই সমাজখনো পৰিচালিত হোৱা যেন লাগে। বস্তুৰ জুই চাই দাম হলেও প্ৰতিবাদ কৰাৰ সাহস কাৰো নাই। নিৰ্ব্বাচনী জয়যাত্ৰাৰ বাবে কেৱল আভুৱা ভৰা কথাৰে ৰাজনৈতিক দলবোৰে নিৰীহ জন সাধাৰণক খেলৰ পুতলাৰ দৰে ব্যৱহাৰ কৰিছে। পঞ্চাশ গুণ দাম বাঢ়িলে চৰকাৰী চাকৰিয়ালৰ দৰমহা এগুণ বঢ়াই দি সস্তীয়া প্ৰশংসা আদায় কৰিছে। ৰবটৰ দৰে আমি যেন প্ৰশংসাত শত-মুখ। চৰকাৰে এৰিয়াৰ বানচ দিছে, মেডিকেল ভাট্টা দিছে, কেৱল দিছে, দিছে, দিছে। ইফালে যে পৰোক্ষ বাটেৰে বস্তুৰ জুই ছাই দাম বঢ়াই, এশ এটা কৰ বহুৱাই তাৰনো হিচাপ কোনে ৰাখে? হিচাপ লবই বা কেনেকৈ? স্বাধীনতাৰ ছয়ত্ৰিশ বছৰ পিছতো শতকৰা আশী ভাগ মানুহক দৰিদ্ৰতাৰ শিকলিৰে বান্ধি ৰখা হৈছে। চৰকাৰে নিজৰ যি ইচ্ছা তাকেই কৰিছে। চৰকাৰী ডিক্টেচন নুশুনিলে জনসাধাৰণৰ ওপৰত অত্যাচাৰৰ পাশুপাত মেলি দিয়া হয়। দেশত মূল্য বৃদ্ধি হৈছে, এই কথাৰ প্ৰতিবাদ হব নালাগে। নিৰ্ব্বাচনত ভোট পোৱাৰ মানসেৰে চৰকাৰে বিদেশীৰ বাবে সীমান্ত উন্মুক্ত ৰাখিছে, তাৰ প্ৰতিবাদ হব নালাগে। কেৱল কুৰিজন পুঁজিপতিৰ হাতত দেশৰ শতকৰা পয়সত্তৰ ভাগ ধন জমা হৈছে, তাৰ প্ৰতিবাদ কৰিব নালাগে। যদি প্ৰতিবাদ কৰা হয় দেশীয় পুলিচ মিলিটাৰী লগাই কুকুৰ মেকুৰীৰ দৰে জনসাধাৰণক গুলিয়াই নিঃশেষ কৰিব লাগে এই কথা ৰজাঘৰে ভালকৈ জানে।

তথাপিও কিমান দিন জনসাধাৰণে এই কথা সহ্য কৰিব? সকলোৰেতো এটা সীমা আছে। সেইবাবেই হয়তো জনতাই আন্দোলন আৰম্ভ কৰিছে। হয় মৰিব, নহয় তৰিব। দৈনিক কাকতখন বুকুত লৈ স্কুলৰ পৰা আহি এইবোৰ চিন্তা কৰিছিলোহে মাত্ৰ। এনেতে পিয়নটোৱে আহি চিঠি এখন দি গ'ল। অহা মাহৰ দুই তাৰিখে পাৰুলৰ ভনীয়েকৰ বিয়া। বিয়ালৈ যাব লাগিলে বহুত খৰছৰ কথা। ঢুধনৈৰ পৰা শিৱসাগৰলৈ দুৰণীবটীয়া পথ। অহা যোৱাৰ খৰছ লাগিল, ল'ৰা ছোৱালীক বিয়ালৈ যাব পৰা নতুন কাপোৰ লাগিল।

পাকলক ভনীয়েকৰ বিয়ালৈ যোৱাকৈ অন্ততঃ পাটৰ কাপোৰ এযোৰ হ'লেও দিব লাগিল। গজাল মাৰিবলৈ ঠাই নোহোৱা মোৰ পিন্ধা জোতাযোৰা বদলাব লাগিল। ইফালে পাৰুলে আগৰ পৰা দাবী কৰা মতে ভনীয়েকলৈ এদাল সোণৰ হাৰ বনাব লাগিল। একেবাৰে নিমিলা অঙ্ক।

এনেতে দেখিলো মোৰ ঘৰৰ সন্মুখৰ ৰাস্তাটোৰে এটা ভীষণ জনসমুদ্ৰ দৌৰি দৌৰি পাৰ হৈ গৈ আছে। পিছে পিছে পুলিচ, চি আৰ পিৰ আগমন। হঠাৎ দেখিলো সেই জনসমুদ্ৰৰ এটা বৃহৎ অংশ মোৰ পত্নী মুখৰ ফালে আগবাঢ়ি আহি আছে। হাইস্কুলৰ দশমমান শ্ৰেণীত পঢ়া মোৰ ডাঙৰ ল'ৰা হেমন্তও গণ সমাবেশলৈ গৈছিল। জন সমাবেশত হেজাৰ হেজাৰ মানুহ সমবেত হৈছিল। জনসাধাৰণৰ অফুৰন্ত সমৰ্থন। জনসাধাৰণৰ অকুণ্ঠ সমৰ্থন সত্বেও ৰজাঘৰে সমৰ্থন দিয়া নাছিল।

কেইজনমান ল'ৰাই কেঁচা তেজেৰে ৰাঙলী হৈ থকা হেমন্তক ফুলেৰে সজাই দুডাল বাঁহৰ ওপৰত লৈ আহি মোৰ সন্মুখত থৈছিল। সিহঁতে একো কব পৰা নাছিল। মাথোন কৈছিল,—'দেশৰ বৃহত্তৰ স্বাৰ্থত হেমন্তই নিজকে উচৰ্গা কৰিলে। একো দুখ নকৰিব। হেমন্ত অমৰ হৈ ৰ'ব। আমিবোৰো আপোনাৰেই সন্তানৰ তুল্য।'

স্বাভাৱিকতে কলিজাটো ভাঙি চিঙি টুকুৰা টুকুৰ হৈ গৈছিল। চকুৰে ধুঁৱলি কুঁৱলি দেখিছিলো, মই একো কব পৰা নাছিলো। বীৰৰ দৰে মোৰ সন্তানে আগবাঢ়ি গৈ দেশ মাতৃকাৰ বেদীত জীৱন আহুতি দিয়াৰ বাবে পিতৃত্বৰ গৌৰৱত মই গৌৰবান্বিত হৈ পৰিছিলো। তেতিয়া পাৰুলে হেমন্তৰ মৃতদেহটোক সাৱটি ধৰি আছিল।

□

## অমৰ বাণী

শুদ্ধ প্ৰেমৰ বাবে জগতত কোনো কথাই অসম্ভৱ নহয়।

—মহাত্মা গান্ধী।

# দুখ

—মহেন্দ্ৰ কলিতা
উঃ মাঃ দ্বিতীয় বাৰ্ষিক ( কলা )

দহ বছৰীয়া ৰমেনে নিজৰ বয়-বস্তুবোৰ ঠিকঠাক কৰি দুখ মনেৰে বহি আছে। মাত্ৰ কেইঘণ্টামানৰ পিছতেই যাব লাগিব। সি কেতিয়াও ভবা নাছিল যে নিজৰ ঘৰ এৰি হোষ্টেলত থাকিব লাগিব। অৱশ্যে তাৰ দেউতাকে তাক নিৰাশ হবলৈ দিয়া নাছিল। লগতে তেওঁ কৈছিল— মাত্ৰ স্কুলৰ কেইটামান বছৰহে, তাৰ পিছত পুনৰ ঘৰলৈ আহিব পাৰিবি। আকৌ বন্ধৰ দিনকেইটা ঘৰতেই থাকিব পাৰিবি।

ৰমেনৰ তাৰ মাকৰ কথা সদায় মনত পৰে। তাৰ মাকে নিশ্চয় তাক দেখা কৰিবলৈ স্কুললৈ যাব। কিন্তু আজি ঘৰ এৰি যাব ওলাইছে; সেই কথা জানো মাকে জানে? জানিলে অৱশ্যে এদিন তাক চাবলৈ আহিলহেঁতেন। আজি সি পঢ়িবলৈ যাব ওলাইছে আৰু কেতিয়া সি ঘৰলৈ আহিব কোনে জানে? হোষ্টেলত থোৱাৰ আগতে জানো দেউতাকে তাক মাকৰ ওচৰলৈ নিব নোৱাৰে। দেউতাকৰ ওপৰত মাকে খং কৰি যোৱা আজি সাত মাহ হ'ল। মোমাইহঁতৰ ঘৰতে আছে। এই সাত মাহ ধৰি মাকে ঘৰলৈ অহা নাই আৰু দেউতাকেও তাক মাকৰ ওচৰলৈ লৈ যোৱা নাই। ৰমেনৰ চকুপানী ওলাই আহিল। অথচ আগতে মাকৰ সৈতে ৰমেনে মোমায়েকৰ ঘৰলৈ গৈছিল। তাত ফুৰ্তি তামচাৰে বহুদিন কটাই-ছিল আৰু দেউতাকেও সিহঁতক আনিবলৈ গৈছিল। এতিয়া তাৰ বিপৰীতহে হ'ল। তাৰ মাক-দেউতাক একেলগে নাথাকে। সি ভাৱে যে, ডাঙৰ হলে মানুহ এনেকৈ স্বাৰ্থপৰ হৈ যায়। আগতে যেনেকৈ দেউতাকে ৰং মনেৰে আছিল এতিয়া কিন্তু বিপৰীত মনেৰেহে থাকে। ৰমেনে ভাবে যদি সি নিজে গৈ তাৰ মাকক আনিব পাৰিলেহেঁতেন! ৰমেনে হোষ্টেললৈ গ'ল। এদিন মাকে তাক লগ পাইছিল, যেতিয়া সি ঘৰমুৱা হোৱা বহিছিল। ৰমেনক দেখি মাকে বেগেৰে গৈ চুমা খালে। ৰমেনে মাকক সুধিলে মা, তুমি মোমাইহঁতৰ ঘৰৰ পৰা কেতিয়া আহিবা? মোৰ অকণো ভাল নালাগে। তুমি নহলে শুদা যেন লাগে। মাকে কোনো উত্তৰ নিদি হুকহুকাই কান্দিলে। তাকে দেখি ওচৰৰ ছাত্ৰ-ছাত্ৰীবোৰ অবাক দৃষ্টিৰে চাই ৰ'ল। গাড়ীৰ সংকেত বাজিল। ৰমেনৰ দুচকুৰ মাজেৰে চকুলো বাগৰিল। সময়ত গাড়ী এৰিলে।

সেইদিনা স্কুলৰ পৰা ঘৰলৈ ঘূৰি আহি

ৰমেনে মন মাৰি খিৰিকীৰ কাষত ঠিয় হৈ আছিল। বন্ধুবোৰে তাক খেলিবলৈ মাতিলে অথচ সিন গ'ল। সন্ধিয়া পৰত ৰমেনে আকাশৰ পিনে চাই দেখে আকাশৰ বুকুত নানা চৰাইয়ে উৰি ফুৰিছে। তাৰ বন্ধুবোৰে ৰংমনেৰে পথাৰত খেলি আছে কিন্তু আজি তাৰ একেবাৰে ভাল লগা নাই। সি লক্ষ্য কৰিলে যে ক্ৰমে অন্ধকাৰ নামিবলৈ ধৰিছে। চৰাইবোৰে নিজ নিজ বাঁহত সোমাই পৰিল। আইতাকে ৰমেনৰ বাবে এগিলাচ গাখীৰ আনিছিল। কিন্তু সি নাখালে। আইতাকে গুচি যোৱাৰ পিচত সি বিচনাত শুই পৰিল। সি মাকৰ ব্যৱহৃত কিছুমান পুৰণা কাপোৰকানি আনি মূৰত লৈ শুই পৰিল। কেতিয়া যে তাৰ টোপনি আহিল সি গমেই নাপালে।

সেইদিনা ৰমেনৰ দেউতাক অফিচৰ পৰা ঘূৰি অহাত ৰাতি হ'ল। দেউতাকে অফিচৰ পৰা পোনেই ৰমেনৰ কোঠাত আহি এখন হাত ৰমেনৰ কপালত দিলে, তৎক্ষণাত ৰমেনে বিচনাৰ পৰা উঠি বহিল। উঠিয়েই দেখে তাৰ দেউতাক আৰু আইতাকে তাৰ পিনে চাই আছে। দেউতাকে সুধিলে, কি হৈছে তোৰ গা বেয়া নেকি? নহয় দেউতা। জানা দেউতা আজি মাক লগ পাইছিলোঁ। মায়ে খুউব কান্দিছিল। কথা কওঁতে ৰমেনৰ চকুৰে দুধাৰি পানী বৈ আহিল। তাৰ কথা শুনি নীৰৱ উদাসীন হৈ পৰিল ৰমেনৰ দেউতাক আৰু আইতাকেও গুচি গ'ল। ৰমেনে ভাবিছিল তাৰ কথা শুনি দেউতাকে ভাল পাব, মাকৰ কথা সুধিব, কিন্তু দেউতাকে কোঠাৰ পৰা গুচি গ'ল।

অলপ পিচতে কৰিম নামৰ কাম কৰা মানুহজনে টেবুলত থকা গাখীৰখিনি নি পুনৰ গৰম কৰি আনি মাতিলে। কৰিমৰ কথাত কাণ নিদি চুপচাপ হৈ সি শুই থাকিল। শুই শুই সি অনুমান কৰিলে যে তাৰ বৰ ভোক লাগিছে। কিন্তু তাৰ একো খাব মন যোৱা নাই। মাকে থকা হলে মৰমেৰে গাখীৰ বিস্কুট খুৱালেহেঁতেন। আজি তাক কোনো মৰম কৰা মানুহ নাই। অলপ পিচত সি বিচনাৰ পৰা শুনিবলৈ পালে ৰেণুকা বাইদেউ আহিছে। আগেয়ে এই ৰেণুকা বাইদেউৰ কথা সি কেতিয়াও শুনা নাছিল। আজি কিছুদিন ধৰি এই ৰেণুকা বাইদেউ আহিবলৈ ধৰিছে।

ৰেণুকা বাইদেউৰ মাত শুনি দেউতাকে আগুৱাই আহিল। ৰেণুকা কেতিয়া আহিলা? তাৰ দেউতাকৰ হাঁহিভৰা মাত শুনা গ'ল। আগৰ দৰে গম্ভীৰ মাত নহয়। ৰেণুকাই মাত লগালে— এইমাত্ৰ আহি পালো। ৰমেন ক'ত? আজি তাক দেখাই নাই।

কোন— ৰমেন? ৰমেন সেইটো কোঠাতে গাখীৰ খাই শুই আছে। মিছা কথা কোৱা বাবে মনে মনে গৰ্জি উঠিল ৰমেন। মই গাখীৰ খাইছো নে নাই তাকো খবৰ নেৰাখে। এবাৰ ইচ্ছা হয় যে সি সকলো কথা ৰেণুকা বাইদেউৰ আগত কৈ দিব। পিছ মুহূৰ্তত আৰু

নীৰৱ হৈ পৰে । তাৰ অন্তৰত মাকৰ প্ৰতিচ্ছবি ভাঁহি উঠে ।

অলপ পিচত সি অনুমান কৰিলে যে তাৰ কোঠাত ৰেণুকা বাইদেউ আৰু দেউতাকে সোমাই আহিছে । লগে লগে সি ভাবিলে যে সি কোনোমতে সিহঁতক নাচায় । সেয়ে সি মনে মনে শুই থাকিল । ৰেণুকাই হাত খনেৰে তাৰ মূৰৰ চুলিবিলাক লিৰিকি-বিদাৰি আছিল । সি মনে মনে ভাবিলে যেন সি একে টানে মূৰৰ পৰা তেওঁৰ হাতখন গুচাই দিব । মৰম সুৰত ৰেণুকা বাইদেউয়ে তাক কৈ উঠিল—কি এতিয়াও আবেলিৰ জলপান খোৱা নাই ? খাই লোৱা, খং কৰিব নাপায় নহয় । এইবুলি গাখীৰ গিলাচ তাৰ ওচৰলৈ লৈ গ'ল । এই কথা শুনি ৰমেনে খঙত জ্বলি উঠিল । খঙত যেন কিবা কৈ দিব । কিন্তু বাইদেউৰ পৰা গিলাচটো লৈ গাখীৰখিনি একে সোহাই খাই পেলালে । গাখীৰ খোৱা দেখি ৰমেনৰ দেউতাকে ৰেণুকাৰ পিনে চাই ক'লে 'বাঃ কি আচৰিত ! আজি তুমি যিটো কৰিলা তাৰ মাকে এইটো কৰিব নোৱাৰিলেহেঁতেন ।

অলপ পিছত ৰমেনে শুনিবলৈ পায় ৰেকৰ্ড প্লেয়াৰৰ গীত । গীতৰ লহৰে লহৰে সি শুনিবলৈ পালে ৰেণুকা আৰু দেউতাকৰ ফুঁচ-ফুঁচনি । কাণ পাতি শুনিবলৈ বিচাৰিলে ৰমেনে কিন্তু গানৰ বাবে একো শুনা নাপালে । লাহে লাহে ৰমেন বাহিৰলৈ ওলাল । ওলাই দেখে দেউতাকৰ ঘৰত ডাঙৰ পৰ্দা । সি ভাবিলে নিশ্চয় আইতাক ঘৰত নাই । পিচে সি দেউতাকৰ ৰুমত সোমাব নে নোসোমাব ভাবি ভাবি এসময়ত সোমাই আহিল । ভিতৰত পালেঙত দেউতাকে গাৰুৰ ওপৰত ভৰ দি শুই আছে । আনপিনে ৰেণুকা বাইদেউ গানৰ সুৰ মিলাই গান গাই আছে । ৰেণুকা বাই-দেউয়ে ৰমেনক দেউতাকৰ ওচৰত বহিবলৈ দিলে । সি দেউতাকৰ ওচৰত নবহি পোনেই ৰেকৰ্ড প্লেয়াৰৰ ওচৰলৈ গ'ল আৰু ৰেকৰ্ড প্লেয়াৰটো বন্ধ কৰি তাৰ পৰা ওলাই আহিল ।

দেউতাকে ৰমেনক মাতিলে । শুনিও নুশুনাৰ ভাও জুৰি দেউতাকৰ কথালৈ অপেক্ষা কৰিলে । ৰেকৰ্ড প্লেয়াৰটো বন্ধ কৰিলি কিয় ? দেউতাকৰ খং উঠা দেখিও সি সাহসেৰে কৈ উঠিল— মোৰ ইচ্ছা ।

কি তোৰ ইচ্ছা !! ইমান সাহস ক'ত পালি ? এইবুলি তাৰ গালত প্ৰচণ্ড চৰ মাৰিলে ।

আকস্মিকভাবে হৈ যোৱা ঘটনাটোত ৰেণুকা বাইদেউ হতভম্ব হ'ল । তথাপিও তাই দৌৰি গৈ ৰমেনক মাটিৰ পৰা তুলিলে । তেতিয়াও ৰমেন মা, মা বুলি কান্দি আছিল । ৰেণুকা বাইদেৱে তিৰস্কাৰ কৰি ৰমেনৰ দেউতাকক কলে ছিঃ ছিঃ এয়া আপুনি কি কৰিলে । বৰকৈ দুখ পালে । তাই মৰমেৰে ৰমেনক বিচনালৈ লৈ গ'ল ।

পিছদিনা ৰাতিপুৱা ৰমেনক মাতি দিলে তাৰ দেউতাকে । মৰমিয়াল মাতেৰে দেউতাকে কলে— যোৱাকালি বৰকৈ দুখ পাইছিলি নেকি

অ, জানি বুজি কিয় তেনেকুৱা কৰ। দেউতাকৰ মৰম দেখি ৰমেন পমি গ'ল। ভাব হয় দেউতাকে নিশ্চয় তাক বেয়া পোৱা নাই। সি লাহেকৈ কলে এইবাৰ মাক লৈ আহিবিনে দেউতা ?

হ'ব হ'ব এতিয়া হাত মুখ ধুই খোৱা টেবুলত আহা পিচত কবা যি কবৰ আছে। দুয়ো চাহ জলপান কৰি থকা সময়ত দেউতাকে ৰমেনক কলে— বুজিলি ৰমেন ইয়াত থাকিলে তোৰ পঢ়া শুনা কেতিয়াও নহ'ব সেয়েহে মই ভাবিছোঁ তই পঢ়িবলৈ অইন ঠাইত যাব লাগিব ৰমেন এই কথা শুনি বৰ দুখ পালে কাৰণ সি আকৌ ঘৰৰ পৰা বাহিৰত যাব লাগিব। সি ভাবিলে যদি যাবই লাগে মোমাইহঁতৰ তালৈকে যাব।

সেইদিনাখন ৰমেনৰ পেহীয়েক আহিছিল। পেহীৰ সৈতে দেউতা আৰু আইতাই কিবা কিবি কৈ থকা ৰমেনে শুনিবলৈ পালে। তাৰ মাকে হেঁনো এইবাৰ ৰমেনৰ দেউতাকৰ বিৰুদ্ধে কোৰ্টত অভিযোগ চলাব। কোৰ্টত সিও সাক্ষী দিব লাগিব। মাকৰ কথা শুনাৰ লগে লগে তাৰ মাকক চাবলৈ মনটো বৰ ব্যাকুল হৈ পৰিল। সি মনতে কৈ উঠিল, মা মোক ইয়াৰ পৰা লৈ যোৱা। মোৰ ইয়াত ভাল নালাগে। দুৱাৰৰ আঁৰত থিয় হৈ ৰমেনে আকৌ শুনিবলৈ পালে যে মাকে হেনো তাক দাবী কৰিছে। তেনেতে পেহীয়েকে কৈ উঠিল — ৰমেনক কিয় দিম, সি আমাৰ বংশৰ ল'ৰা। পেহীয়েকৰ কথা শুনি তাৰ মন ভাগি পৰিল। কিছুদিনৰ পৰা 'বংশৰ ল'ৰা' বুলি কোৱা কথাষাৰ অপমানিদায়ক হৈ পৰিছে। কিয় ? সি জানো মাক দেউতাকৰ সন্তান নহয়। কেবল বংশৰ সন্তান। পেহীয়ে ইমান নিষ্ঠুৰ হ'ল কেনেকৈ। অথচ কিছুদিন আগতে পেহীয়েকে তাক ইমান মৰম কৰিছিল, কিন্তু আজি তাৰ পেহীয়েকক মুখ দেখুৱাৰ ইচ্ছা হোৱা নাই সি ভাবিলে এইবাৰ অকলে ঘৰৰ পৰা মোমাইহঁতৰ ঘৰলৈ যাব। সি কিমাননো আৰু মাকৰ বেয়াটো শুনিব। সি নিজৰ কোঠাত গৈ মাকৰ কথা ভাবিবলৈ ধৰিলে।

মা কি সচাঁকৈয়ে দেউতাৰ বিৰুদ্ধে অভিযোগ তুলিবা ? সেই কথামতে জানো কোৰ্টত বিচাৰ হব ! বা কি সুন্দৰ !! সি ভাবে যে কোৰ্টত কেবল চুৰি ডকাহত আদিহে যায়, কিন্তু তাৰ মাক দেউতাক জানো চুৰি ডকাইতি কৰিছে যে সিহঁতে কোৰ্টত যাব। বিচাৰকে জানো মাক-দেউতাকক চিৰদিনৰ বাবে বেলেগ বেলেগ কৈ থাকিবলৈ কব ? তেতিয়া সি থাকিব ক'ত ? সি কি কেতিয়াও মা-দেউতাকৰ ওচৰত থাকিব নোৱাৰিব ! এইবোৰ কথা চিন্তা কৰি কৰি তাৰ মুখমণ্ডল ৰঙা পৰি উঠিল।

বেৰত ওলোমাই থোৱা এখন ফটোত তাৰ দৃষ্টি পৰিল। মাক-দেউতাকৰ মাজত পাঁচ বছৰীয়া তাৰ মুখখনিয়ে তাক চাই হাঁহি আছিল। এতিয়া হাঁহি থকা ফটোখন দেখি তাৰ হিংসা ভাব জাগি উঠিল। কিয় সি আগৰ নিচিনা হাঁহি থাকিব নোৱাৰে ? হঠাৎ তাৰ ফটোখনৰ প্ৰতি ক্ৰোধ ভাব সঞ্চাৰিত হ'ল। এক নিষ্ঠুৰ আনন্দত ফটোখন ভ গি পেলালে। □

# উজুটি

—শঙ্কৰদেৱ ৰাভা
স্নাতক ২য় বাৰ্ষিক

## এক মিনিটৰ গল্প

ফুলশয্যাৰ নিশা গভীৰ প্ৰত্যাশাৰে লাভলীয়ে অপেক্ষা কৰিছিল মানসৰ আগমনলৈ। দুচকুত ৰঙীন স্বপ্ন লৈ হয়তো ভাবিছিল, মানসৰ চৰিত্ৰ সংশোধনৰ উপায়। হঠাৎ মানসৰ আগমনত বাস্তবলৈ উভতি আহিল লাভলী। মৌন হৈ ৰ'ল কিছুসময়। মৌনতা ভংগ কৰি মানসে কলে, 'তুমি দেখোন মৌন হৈ ৰলা ? কিবা এটা কোৱানা ?

লাজ লাজ ভংগীৰে মূৰ তুলি লাভলীয়ে ক'লে তুমি জানো মোৰ কথা শুনিবা ?

বিয়াৰ আগতে তোমাৰ আদেশ যেনেদৰে পালিছিলো এতিয়াও আখৰে আখৰে পালন কৰিম। এতিয়া তুমি কোৱা মই শুনো আৰু তাৰ পিচত প্ৰতিশ্ৰুতি দিম। অল ৰাইট ? মানসে হাঁহি মাৰি ক'লে।

প্ৰথম সাফল্যৰ হাঁহি চকুৰে মুখে বিয়পাই লাভলীয়ে কৈ গ'ল—'মোৰ প্ৰথম কথা হ'ল, আজিৰ পৰা তুমি চিগাৰেট খোৱা বন্ধ কৰিব লাগিব। দ্বিতীয়, কোনো গাভৰু ছোৱালীৰ লগত কথা বতৰা নাপাতিবা। তৃতীয়, চিনেমা থিয়েটাৰ চাবলৈ গ'লে মোকো লৈ যাব লাগিব। চতুৰ্থ আৰু শেষ কথাটো হ'ল অফিচ ছুটিৰ লগে লগে ঘৰলৈ আহিবা। মান্তি ?

—'তোমাৰ সকলো কথা মই মন দি শুনিলো। কিন্তু তাৰ আগতে তুমি মোক প্ৰতিশ্ৰুতি দিয়া, মোৰ এটা অনুৰোধ ৰাখিম বুলি।'

—মোৰ ইমানবোৰ কথা তুমি শুনিলা যেতিয়া তোমাৰ এটা অনুৰোধ পালন কৰাটো মোৰ বাবে ডাঙৰ কথা নহয়। মই তোমাক প্ৰতিশ্ৰুতি দিলো তোমাৰ অনুৰোধ ৰক্ষা কৰিম বুলি। এতিয়া কোৱা—হাঁহি সামৰি মানসৰ চকুলৈ চাই লাভলীয়ে কলে।

মৃদু হাঁহি মাৰি মৰমৰ সুৰত মানসে কলে—'অনুৰোধটো সাধাৰণ। তোমাৰ ওচৰত মোৰ একমাত্ৰ অনুৰোধ, তুমি যেন কোনো দিন মোৰ ব্যক্তি স্বাধীনতাৰ ওপৰত হাত নিদিয়া ! মান্তি ?'


সৰগ পৰা মানুহৰ দৰে লাভলী নিথৰ হৈ ৰ'ল।

□

# দুধনৈ মহাবিদ্যালয় আলোচনী

## সম্পাদনা সমিতি

॥ ১৯৯০-৯১ চন ॥



**বাওঁফালৰ পৰা ক্ৰমে—** অধ্যাপক জীৱেশ্বৰ কোঁচ ( সদস্য ), অধ্যাপক কল্যাণ বৰুৱা ( সদস্য ), অধ্যক্ষ কৰুণা কান্ত ৰাভা ( উপদেষ্টা ), অধ্যাপক ফণী ভূষণ দাস ( তত্বাৱধায়ক ), ধনঞ্জয় ৰাভা ( আলোচনী সম্পাদক ) ।

ফটোত অনুপস্থিত— অধ্যাপক তৰুণ চন্দ্ৰ চাংমাই আৰু অধ্যাপক এচ, এম, এ, ৰহিম ।



শিৱসাগৰ জিলাৰ গড়গাঁও মহাবিদ্যালয়ত অনুষ্ঠিত "সদৌ অসম তনু কোঁৱৰ সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা"ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ডুধনৈ মহাবিদ্যালয়ৰ দলটোৱে শ্ৰেষ্ঠ দলৰ চলন্ত বঁটা লাভ কৰে।

ছায়াছবিত— বাওঁফালৰ পৰা — শ্ৰীপ্ৰদীপ দাস (তৰ্ক বিভাগৰ সম্পাদক), মোঃ চৌকত আলী মণ্ডল (অংশগ্ৰহণকাৰী প্ৰতিযোগী), শ্ৰীদিলীপ কুমাৰ নাথ (অংশগ্ৰহণকাৰী প্ৰতিযোগী), শ্ৰীতৰুণ চাংমাই (তত্বাবধায়ক অধ্যাপক)।

❁ শ্ৰীদিলীপ কুমাৰ নাথে শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে।

# কুইজ

১। ৰঙীন টেলিভিশ্বনত সাধাৰণতে তিনিটা ৰং থাকে। ৰং কেইটা কি কি ?

২। ভাৰতৰ ক'ত অন্ধ লোকৰ সংখ্যা বেছি ?

সংগ্ৰাহক :
মিচ্ ৰীতা সিংহা
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

☐ ☐ ☐

৩। আমেৰিকাৰ এখন প্ৰখ্যাত চহৰক "পৃথিৱীৰ কচাইখানা" বুলি কোৱা হয়। চহৰখনৰ নাম কি ?

৪। হাওঁফাওঁৰ ক্ষমতা জোখা যন্ত্রটোৰ নাম কি ?

সংগ্ৰাহক :
হজৰত আলী আহমেদ
শ্ৰেণী— ?

☐ ☐ ☐

৫। পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ বঁটা হিচাপে পৰিচিত নোবেল বঁটাৰ দাতা কোন আছিল ?

৬। ভূপালৰ ইউনিয়ন কাৰ্বাইড কোম্পানীৰ কাৰখানাৰ পৰা কোনবিধ গেছ বিস্ফোৰিত হৈ বহুত লোকৰ মৃত্যু ঘটিছিল ?

সংগ্ৰাহক :
মোঃ নজৰুল ইছলাম
উঃ মাঃ দ্বিতীয় বাৰ্ষিক (কলা)

☐ ☐ ☐

৭। পৃথিৱীৰ ভিতৰত বৃহত্তম চিনেমা হলটোৰ নাম কি?

৮। "মুন খোদ— ১" কি?

সংগ্ৰাহক :

শ্ৰীবিশ্বজিৎ নাথ

স্নাতক প্ৰথম বাৰ্ষিক (কলা)

☐ ☐ ☐

৯। মানুহৰ বৈজ্ঞানিক নাম কি?

১০। ১৯৯০ চনত সাহিত্যৰ বাবে কোনে নোবেল বঁটা লাভ কৰে?

সংগ্ৰাহক :

শ্ৰীতৰণী কলিতা

স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

☐ ☐ ☐

১১। বিশ্বৰ আটাইতকৈ বেছি নিৰাপত্তা থকা কাৰাগাৰ ক'ত অৱস্থিত?

সংগ্ৰাহক :

শ্ৰীনিৰেশ দাস

স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)

☐ ☐ ☐

১২। কোন দেশত ৰাতি ৰামধেনু দেখা যায়?

সংগ্ৰাহক :

মিচ্ ফুলপাহি নাথ

উঃ মাঃ দ্বিতীয় বাৰ্ষিক (কলা)

☐ ( উত্তৰ সমূহ ৩৭ পৃষ্ঠাত চাওঁক ) ☐

# ॥ কৌতুক ॥



দুজনী গাৱঁলীয়া মহিলা গুৱাহাটী চাবৰ কাৰণে চিটিবাছেৰে গৈ আছে আৰু সেইখন গাড়ীতে গুৱাহাটীৰে দুজনী মহিলাওঁ বহি গৈ আছে। এনেতে কন্‌ডাক্টৰে গুৱাহাটীৰ মহিলা দুগৰাকীক ভাড়া দিবলৈ কলে। এগৰাকীয়ে ভাড়াটো দি কলে— "অনুৰাধা" আনগৰাকীয়ে কলে— "বন্দনা"। কনডাক্টৰে গাৱঁলীয়া মহিলা দুগৰাকীক ভাড়া দিবলৈ কোৱাত সিহঁতে ভাবিলে গুৱাহাটীলৈ আহিলে বোধহয় নিজৰ নিজৰ নাম কৈহে ভাড়া দিব লাগে। সেয়েহে তেওঁলোকৰ প্ৰথমজনীয়ে ভাড়াটো দি কলে— 'গুনেশ্বৰী'। দ্বিতীয়জনীয়ে ভাড়াটো দি লাজেৰে কলে— "ৰূপেশ্বৰী"।

—শ্ৰীমৃদুল দাস।
উঃ মাঃ দ্বিতীয় বাৰ্ষিক ( কলা )

☐ ☐ ☐

ছাত্ৰঃ এই প্ৰশ্নটোত কি লিখিবলৈ কৈছে চাৰ ?
শিক্ষকঃ বেজবৰুৱাৰ জীৱনৰ ওপৰত আলোকপাত কৰিব কৈছে।
ছাত্ৰঃ তেন্তে থাকক। কাইলৈ কৰিম।
শিক্ষকঃ কিয় ?
ছাত্ৰঃ মোৰ লগত টৰ্চ লাইট নাই চাৰ !

—শ্ৰীপবিত্ৰ কুমাৰ নাথ।
স্নাতক ২য় বাৰ্ষিক ( কলা )

☐ ☐ ☐

জীয়েক: মা, মা তুমি কাৰ লগত বিয়া হৈছা ?
মাক: তোমাৰ দেউতাৰাৰ লগত ।
জীয়েক: ছিঃ মা তোমাৰ লাজ নালাগিল নে ? ঘৰৰ মানুহৰ লগতে আৰু কোনোবাই বিয়া হয়নে ?

—মিছ্ ৰেবিকা হাটো
স্নাতক প্ৰথম বাৰ্ষিক ( কলা )

☐ ☐ ☐

মানুহজনে হোটেলত সোমাই দোকানীক উদ্দেশ্যি কলে— হেৰি, গোণ্ডগোল লগাৰ আগতেই দুটা গোল্লা দিয়কচোন । খাই লওঁ । দোকানীয়ে দিয়াৰ লগে লগে মানুহজনে তৎক্ষনাত মুখত ভৰাই কলে— বাঃ কি বঢ়িয়া ! আৰু দুটা দিয়কচোন । গোণ্ডগোল লগাৰ আগতে খাই লওঁ ।

দোকানীয়ে গোল্লা দুটা দি কলে, কিহৰ গোণ্ডগোলৰ কথা কৈছে ? ক'ত— গোণ্ডগোল ? মানুহজনে ৰসগোল্লা দুটা মুখত ভৰাই কলে, মানে, গোণ্ডগোল লাগিলেই ! মোৰ হাতত যে এটা পইচাও নাই, সেয়ে.... ।

—ছাইদুৰ ৰহমান
উঃ মাঃ ২য় বাৰ্ষিক ( কলা )

☐ ☐ ☐

স্কুলৰ পৰা আহি দেউতাকে উমাক কলে— উমা, মোক বিছাৰি যদি দোকানীয়ে বাকী নিবলৈ আহে তেতিয়া মই ঘৰত নাই বুলি ক'বা ।
উমাঃ হ'ব দেউতা ।
অলপ পিছতে দোকানীয়ে আহি সুধিলে— উমা তোমাৰ দেউতাৰা ঘৰত আছেনে ?
উমাঃ দেউতাই আপুনি আহিলে ঘৰত নাই বুলি কবলৈ কৈছে ।

—শ্ৰীধৰ্মনাৰায়ণ ৰাজবংশী
স্নাতক ২য় বাৰ্ষিক ( কলা )

☐ ☐ ☐

# কৌতুক

ৰাস্তাৰে গৈ থাকোঁতে গাভৰুজনীৰ ভৰিত সৰু কাঁইটে বিন্ধিলে। ঠিক সেই সময়তে পিছে পিছে গৈ থকা যুবকজনে গাভৰুজনীৰ কাইটটো উলিয়াই দিলে।

গাভৰুঃ (লাজ লাজকৈ) মই আপোনাক ভাল পাই পেলাইছো।

যুবকঃ ইমান তৎক্ষনাত ? কেতিয়াবা অইন এজন যুবকে ইয়াতকৈ ডাঙৰ কাইটে বিন্ধিলে উলিয়াই দিব পাৰে। তেতিয়া তুমি কি কৰিবা ?

—মিছ্ মধুমিতা হাড়ু
উঃ মাঃ দ্বিতীয় বাৰ্ষিক (কলা)

□

# কুইজৰ উত্তৰ

১। সেউজীয়া, নীলা, ৰঙা।
২। আজমীৰত।
৩। চিকাগো।
৪। স্পাইৰ'মিটাৰ।
৫। আলফ্ৰেড বাৰ্ণাৰ্ড নোবেল।
৬। মিথাইল আইচোচায়ে নাইট।
৭। ৰক্সি (নিউইয়ৰ্ক)
৮। চন্দ্ৰপৃষ্ঠত বিচৰণ কৰা বিশ্বৰ প্ৰথম স্বয়ংচালিত চন্দ্ৰযান।
৯। হোমোচাপিয়েন্স।
১০। মেক্সিকোৰ কবি আৰু সাহিত্যিক অক্টো-ভিঅপাজ।
১১। মাৰ্কিন যুক্তৰাজ্যৰ আলকাট্ৰাজ দ্বীপত।
১২। হাৱাই দ্বীপত।

□

# অমৰ বাণী

"চৰিত্ৰহীনতাৰ দোষতেই সমাজত পাপে প্ৰৱলভাৱে সোমাই মানুহৰ মনত ঘোৰ অধৰ্ম আৰু অশান্তি স্থাপন কৰে।"

—কমলাকান্ত ভট্টাচাৰ্য্য।

## কবিতা

# অজানিতে

—শ্ৰীবৰ্ণালি দাস
স্নাতক প্ৰথম বাৰ্ষিক ( কলা )

কোনোবা
নিজান নিৰ্লিপ্ততাত তুমি আহিছিলা
হিয়াত প্ৰণয় বেদী সাজি,
এদিন
ধুমুহাৰ খলকনি তুলি আঁতৰি গ'লা
এপাহি ৰঙা ফুল থই,
বালিঘৰত বিচাৰিছো নিৰল সমাধি
কিজানিবা আছা কাষৰতে—
অজানিতে ।

□

# মুক্তিৰ বাবে

—ভকত চন্দ্ৰ ৰাভা
স্নাতক তৃতীয় বাৰ্ষিক ( কলা )

উত্তাল আকাশত
স্বদেশ স্বকালৰ মুক্তিৰ বাবে
এজাক পপীয়া তৰা
ক্ৰোধিত মনৰ
কিবা নোপোৱাৰ ক্ষোভত
সিহঁতৰ হৃদয়বোৰ শিল হ'ল
প্ৰজ্বলিত শিখাৰ সান্নিধ্যত
সিহঁতৰ দুহাত ৰাঙলি হ'ল
সিহঁতৰ বিস্ফোৰিত তেজৰ চেকুৰাত
জন্ম হ'ল—
এজাক তেজলগা মানুহ ।

□

# আমি উৰিব খুজিছো

—শ্ৰীৰবেন নাথ
উঃ মাঃ দ্বিতীয় বাৰ্ষিক ( কলা )

আমি উৰিব খুজিছোঁ
আকাশী পথেৰে
গ্ৰহৰ বতৰা লৈ,
বোৱাব খুজিছোঁ
পৃথিৱীৰ বুকুতে
শান্তিৰ এখন নৈ ।

জ্বলাব খুজিছোঁ
বন্তি এগছি—
এন্ধাৰ আঁতৰাবলৈ,
চাপিব খুজিছোঁ
মানুহৰ কাষ
প্ৰীতিৰ গীতকে গাই,

ভাঙিব খুজিছোঁ
হিংসাৰ প্ৰাচীৰ
এজাক ধুমুহা হৈ ।
হ'বলৈ খুজিছোঁ
প্ৰগতিৰ স্ফূৰ্তি
আমি নেথাকো বৈ ।

ৰচিব খুজিছোঁ
ইতিহাস এখনি
মনৰ কথাটি কৈ ।

# মোক এখন মঞ্চ লাগে

—বৈকুণ্ঠ দৈমাৰী
স্নাতক দ্বিতীয় বাৰ্ষিক ( কলা )

মোক এখন মঞ্চ লাগে—
যিখন মঞ্চৰ ভেটি হ'ব মাটি,
পানী, বায়ু আৰু পোহৰ ।
যিখন মঞ্চই মোক শিকাব
ৰাজনীতি, সমাজনীতি আৰু অৰ্থনীতি
কেৱল মানুহৰ মংগলৰ বাবে
আৰু তাৰ সাৰথি হব—
সাহিত্য, সংবাদ আৰু সংস্কৃতি ।
যিখন মঞ্চই মোক শিকাব
অনুশাসন, নিয়মানুৱৰ্তিতা আৰু
জীৱনৰ নিৰলস প্ৰচেষ্টা— ।
মোক তেনে এখন মঞ্চ লাগে
যি মঞ্চৰ শক্তিয়ে অক্টোপাছৰূপী
বিচ্ছিন্নতাবাদক নিঃশেষ কৰি
গঢ়িব এখন সুস্থ, সবল সমাজ—
মোক এখন মঞ্চ লাগে ।

□

# অপমৃত্যু

—শঙ্কৰ দেৱ ৰাভা
স্নাতক দ্বিতীয় বাৰ্ষিক ( কলা )

তেজৰ ডোঙাত
জোবোৰা খাই
দুঃ সহ সময়বোৰ
ৰাঙলী হ'ল
দুঃ স্বপ্ন হ'ল
আশাবোৰ যেন
ফুলশয্যাৰ বিফল ৰাতি
অপঘাত অপমৃত্যু
জীৱন যৌৱনৰ ॥

# শূণ্য দুহাত

—শ্ৰীৰিংকুল দাস
স্নাতক প্ৰথম বাৰ্ষিক ( কলা )

মনৰ খিৰিকি খুলি
সোমাই আহে
উৰন্ত চৰাইজাক
পাখিত পাখি লগাই
মোৰ নিভৃত হৃদয় কক্ষত
এন্ধাৰত— খেপিয়াওঁ
মেলি দিওঁ ইহাত-সিহাত
এমুঠি পোহৰ বিছাৰি
বিষাদেৰে ওভোতাই আনো
মোৰ শূণ্য দুহাত ।

# অমৰ বাণী

Self praise is no recommendation.

—Willam Somer Set Maugham.

# আহ্বান

—শ্ৰীভুদেৱ চন্দ্ৰ ৰাভা
উঃ মাঃ প্ৰথম বাৰ্ষিক ( কলা )

নিষ্ঠুৰ ভাবে মৃত্যু মুখত পতিত হ'ব ধৰিছে
ঐক্য শান্তি প্ৰগতি
এই অতি স্নেহৰ শব্দবোৰ।
মানুহৰ হৃদয় থাকিও আজি হৃদয়হীন
আচলতে নিলে কাঢ়ি কোনোবাই
হৃদয় নামৰ যন্ত্ৰটো
মই ভাবো কাঢ়োতাৰ বাঞ্চনীয় শাস্তি
কিন্তু কোনে দিব এই শাস্তি ?
আমিয়েই ।
আহা সিহঁতৰ দিওঁ মুখা খুলি
এয়াই হওঁক সিহঁতৰ চৰম শাস্তি
হে যুব শক্তি জাগি উঠা হিংসাত্যাগী
যুক্তিৰে যোৱা আগুৱাই
নহলে যে আমি হ'ম, কঠিন প্ৰস্তৰ। □

# কবিতা

—শ্ৰীবীণা চৌধুৰী
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

তোমাক মই
গীতেৰে সজাব খোজো
তোমাক মই
সুৰেৰে বান্ধিব খোজো
হে মৃন্ময়ী
তুমি নিশাৰ এমুঠি জোনাক
তুমিয়েই মোৰ
ৰিক্ত মনৰ
দীপ্ত আকাশ
তোমাক সুৰেৰে বান্ধিব খোজো
মেঘ বিজুলীৰ
পান চৈ হৈ
মুক্ত মনৰ
নৱ আকাশ
তোমাক বুকুৰ তেজেৰে
ধুৱাব খোজো
হৃদয় ফুলেৰে সজাব খোজো। □



# অপেক্ষা

—শ্ৰীবিপুল চন্দ্ৰ নাথ
স্নাতক দ্বিতীয় বাৰ্ষিক ( কলা )

মই এটুকুৰা মমবাতি
জ্বলি জ্বলি নিঃশেষ হোৱা
গলি গলি গোট মৰা,
আঁউসী নিশাৰ মই উজ্জ্বলতা
পোহৰ বিলাই ভাল পোৱা
অনিৰ্বাপিত এক দীপ শিখা
তেন্তে তুমি হ'বা এটি চগা
পোহৰতে জাহ যোৱা
মোৰ নিদাৰ্ঘ দহনত
এটুকুৰা ক'লা এঙাৰ হ'বা
মই জ্বলিম হেজাৰ সন্ধিয়া
তোমাৰেই অপেক্ষাত
তুমি হ'বা এটি চগা। □



# লগ পাওঁ যদি

—শ্ৰীচাৰ্বেশ ৰাভা
উঃ মাঃ দ্বিতীয় বাৰ্ষিক ( কলা )

আকৌ এবাৰ লগ পাওঁ যদি
বহাগী কুলিৰ মাতত;
আকৌ এবাৰ লগ পাওঁ যদি
ফাগুন অহাৰ বাটত।
এটি সন্ধিয়া মুখৰ কৰা
আকাশৰ এটি উজ্জ্বল তৰা
তোমাক নাপালো তাত ॥
ব্যথাৰ কুঁৱলীত তুমি হেৰাই গ'লা
মই নাপালো তাত;
সুদূৰত মাথো শুনো ৰিনিকি
ৰিণিকি তোমাৰ মাত।
আকৌ এবাৰ লগ পাওঁ যদি
মোৰ যোৱাৰ বাটত;
আকৌ এবাৰ লগ পাওঁ যদি লগ
জীৱন নদীৰ ঘাটত। □



# তোমাৰ স্থিতি

—মিচ্ তৰুলতা দৈমাৰী
উঃ মাঃ প্ৰথম বাৰ্ষিক ( কলা )

ভাবিছিলো মোৰ দুখৰ দিনত
নিঃ সঙ্গ নিৰুপায় মুহূৰ্ত্তত
দেখা পাম তোমাৰ মৰমৰ
প্ৰসাৰিত হাতৰ তলুৱাত
মোৰ দুচকুৰ চকুপানী দুটোপাল ।
এনেকৈয়ে
সুখৰ দিনত জোনাকত বহি
ভাগ কৰি ল'ম অন্তৰৰ সমস্ত সম্পদ ।
পিছে তুমি থাকা দূৰে দূৰে
সন্ধ্যাৰ মানুহ হৈ
ঐক্য কেন্দ্ৰিক বৃত্তৰ পৰিধিৰ মাজত ।

# নৱ বিপ্লৱী চেতনা

—শ্ৰী উৎপল কলিতা
উঃ মাঃ দ্বিতীয় বাৰ্ষিক ( কলা )

কেতিয়াবা বিষন্ন মনটোৱে
প্ৰতিজন ছহিদৰ সমাধিত
গৈ কব খোজে—
হে ছহিদ অকল তোমালোকে
পুনৰ, জন্ম লোৱা
আইৰ অপৰিচ্ছন্ন মুখনিৰ
মলিনতা ধুই
নিকা কৰিবৰ বাবে ।
তোমালোক আকৌ এবাৰ
আকাশ বতাহ কঁপাই তোলা
স্বদেশৰ জয় গানেৰে ।
নিস্পেষিত জনতাৰ প্ৰাণত সিঁচি দিয়া,
সাহস আৰু ত্যাগৰ চানেকি
প্ৰানে প্ৰানে জগাই দিয়া
নৱ বিপ্লৱী চেতনা ।

# মই জীয়াই আছো


—শ্ৰীকংকন খাখলাৰী
স্নাতক দ্বিতীয় বাৰ্ষিক ( কলা )

এতিয়া
মোৰ হৃদয়ত বসন্তৰ
গান নাই
পাৰ্কত বহি গোলাপ গোলাপ সংলাপৰ
অভিপ্ৰায় নাই
কলম হাতত ললেই
মোৰ কলমে আঁকি যায়
মোৰ দেশৰ বাৰেবৰণীয়া ছবি
ওখ ওখ অট্টালিকাৰ তলৰ উকুখা পঁজা
ঢিমিক ঢামাক চাকিৰ পোহৰ
মাতৃৰ শুকান স্তনত শিশুৰ ক্ৰন্দন
মোৰ সমুখত
এশ এটা মূৰ ঢলি পৰে
তেজ দেখিলেই কঁপি উঠে কলিজা
একান্ত স্বাভাৱিক হৈয়ে থাকে
কলিজাৰ যেন নিচেই আপোন
গুলি তেজ—মৰাশ
মোৰ কলমে আঁকি যায়
মোৰ দেউতাৰ কামিহাড়
লঘোনৰ দিনত পেটত গামোছা বান্ধি
জাৰত দিনত জুহালত বহি
দেউতা কেনেদৰে জীয়াই আছে
মই জীয়াই আছো
এ হেজাৰ এটা আলোক সন্ধানী
সহ যাত্ৰিক লগত লৈ
আমাৰ লক্ষ্য নৱপুৰুষ ।।

□

# দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সমিতি

## ॥ ১৯৯০-৯১ চন ॥




**বাওঁফালৰ পৰা বহি—** কে, বৰুৱা (প্ৰাক্তন শৰীৰ চৰ্চা বিভাগৰ তত্বাৱধায়ক), কে, বৰপুজাৰী (তত্বাৱধায়ক, সঙ্গীত বিভাগ), টি, চি, নাথ (তত্বাৱধায়ক, গুৰু ক্ৰীড়া বিভাগ), টি, তালুকদাৰ (তত্বাৱধায়ক, ফুটবল খেল বিভাগ), কে, কে, ৰাভা (সভাপতি, ডি, চি, এচ, ইউ), এম, তালুকদাৰ (তত্বাৱধায়ক, লঘু ক্ৰীড়া বিভাগ), পি, বি, দাস (তত্বাৱধায়ক, আলোচনী বিভাগ), ফুলেন শৰ্মা, (তত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা), জে, কোঁচ (নহয়)।

**থিয় হৈ বাওঁফালৰ পৰা—** মিচ্ আবেদা খণ্ডকাৰ (সঃ ছাত্ৰী জিৰণি কোঠা), ধনঞ্জয় ৰাভা (আলোচনী সম্পাদক), কন্দৰ্প কুমাৰ নাথ (সাংস্কৃতিক সম্পাদক), কংকণ খাখলাৰী (উপ-সভাপতি), নজৰুল ইচলাম (সঃ শৰীৰ চৰ্চা বিভাগ), অঞ্জনজ্যোতি ৰাভা (সঃ সঙ্গীত বিভাগ), হেমন্ত কুমাৰ নাথ (সঃ ছাত্ৰ জিৰণি কোঠা)।

[বাকী সদস্যক ফটোযোগে পৰিচয় দিব পৰা ন'হল]

THE STAFF

## The Principal, Vice-principal and Lecturers of Dudhnoi College



**From left to right ( Sitting ) :** Prof, K. Boruah, R. Roy Choudhary, **R. Das, M. Choudhary,** M. Sarma, K. K. **Rabha** (Principal), K. **Khakhlary** (Vice-principal), **P.** B. Das, **H. K.** Rabha, M. Talukdar, **A. C.** Kalita,

**From left to right ( Standing ) :** Prof, J. **Koch, T. C. Nath,** N, **Kr. Sarma, H. M.** Das, B, **Bhuyan, Phulen** Sarma, **T, Talukdar, Protap** Sarma, **R,** Konwar, K. Barpujari, B. **Boro.**

**Not Seen in the Picture :** Prof. B. K. Sarma, D, **Kakati, H.** K. Nath, G. C. Roy, S. G, Momin, S. M. A. Rahim, A. C. Bantho. R. Zaman, P. Brahma, P. Nath, **C. L.** Das, A. M. Mandol, N. B. Sheikh, W. Begum, R. K. Talukdar, D. **K.** Saha, **I.** H. Bora, **T.** Changmai, **N.** Ray, P. Das, N. **Roy** Baruah. B. Chauhan, K. Gogoi, Dipali Deka.

# DUDHNOI COLLEGE MAGAZINE

15 TH YEAR, 8 TH ISSUE , 1990-91

# ENGLISH SECTION

Dudhnoi College

DUDHNOI, Dt. GOALPARA ( Assam )

# CULTURAL INTEGRITY :

## AN OVERVIEW

By
Prof Jibeswar Koch
Deptt. of Bodo.

Culture, as seen with grim eyes, is what we 'realise' of both concrete and abstract things used in daily life. It makes us help to enrich our mentality. Because a man of cultural millieu has not an enigma or enmity of others but free from pride and prejudice. To speak more frankly .... "ethnocentrism, the blind faith of one's own group or culture as the centre of all cultures may neglect all the basic tenets of cultures or cultural growth and evolution .. " ( Parakh, B. S. : The Universality and Diversity of Human Cultures in Teaching for International Understanding, Peaee and Human Rights, ed. Norman J. Graves et al : UNESCO, Paris, 1984 : 54 ) .

It is very odd to be loudable of one's cultural esset and loopy or polemic while we talk of atypical one. Our interpretation and schematic works should be of both balanced and unscathed. Our thoughts are an outcome of happy combination of varied elements and these call for a dynamic vehicle of expression— the language.

Can we imagine an entity of culture without language ? Certanly not. Even then, there are some cultures without the real trace of language having 'blustering ethos'. People who live in such millieu suffer from lack of 'emotional integration' and from an expression of 'human spirit'. As Zaidi assesses that 'emotional inte-

gration' needs 'a willingness to work for a free, democratic synthesis of culture for a composite culture' ( Miss Sabira K. Zaidi : Education and Humanism, Indian Institute of Advanced study, Simla, 1971 : 148 ). In this context, language death occurs, because of its 'gradual transition from unstable bilingualism to monolingualism, that is the loss of the recessive language, (Wolfgang U. Dressler : Language Death in linguistics : The Cambridge Survey, Vol-iv, ed. Frederick J. Newmeyer, Cambridge, 1988 : 184 ).

This is why, in our gamut, language is an esset of human culture, which is also 'an autobiography of the human mind' and any language is not superior to another in logical form, coherence or in aesthetics. We have to protect such kind of esset endowed to mankind and thus do away with spiritual inertia and evil in us.

Whenever our modality of a pluralistic society with a large culture, social and economic diversity like India fails to embrace these at all, then there are bound to create what is very recently popularized as term 'identity crisis'. Today it is, as almost alleged, a chronic problem which needs redress in a democratic manner through a process of dialogue and discussion. But in reality, some of fiasco hearts who failed of getting the reign of power also get disgruntled to cater up the needs for those who second them. It is indeed a tregic scene for a democratic setup. So, why we should abrogate the policy meant for the upliftment for the country and not keep our cultural integrity unimpaired ?

Human thoughts have been documented and thereafter disseminated through language with literary creativities, that is srciptural literature and these are handed down form earlier to the present generation. These scriptures help us in making fuss of what is unfortunately called

'religion' in our times. But some of ethnic group lack of them very badly. Strangely enough, in stead of making their language fit for popular ones, the havenots tend to hobnob with those who got the so called religion. It is, of course, a fatal tregedy for human intellect.

We can't merely say with Marxism that 'religion is an oppium of the masses' but .... 'people need some kind of faith to hang on to retain emotional Stability. It is an entirely personal affairs ... ' (Khushwant Sing : Religious Zeal, The Sentinal, Weekend. Sept/87 , and both religion and literature is, as assessed by metaphysician outlook, 'what a man does in Soliteriness'. So man is something above things created by him.

Today's religion mostly becomes institutionalized and as a result, 'man ceases to be free' (Dr. Radhakrishnan, S : Religion and Culture : 1968 : 61 ), Patrons of such concerns claim that they would help in strengthening the unity and integrity of mankind. But as Mr. Singh opines that "to the best of my knowledge there is no scriptural sanction for taking out procession through streets. Religious processions have become the single most nefarious cause of riots between communities" (Singh, Khushwant : Ibid)

Even than, we should not intercede the Govt to impose a blanket ban on such sentimental matter specially in secular country like ours.

This is the fact that the mostly talked 'integrity' becomes fructified when our thoughts lead to the truest way. Our duty is to establish faith upon man and thus keep an integrity intact.

In fine, let us say .... 'If the integrity of the world is ignored in this time of ours, it would mean a much greater danger to the progress and the very survival of mankind....' (Yevgany Primakov et al : New Thinking in Modern Times : Soviet Review : 10 October 1989 ).

# Result of the College Week Competition

## SESSION— 1990-91

● Magazine Section Literary Competition :

a) Article :

1st : Miss Moon Talukdar
2nd : Sri Tarak Saud
3rd : „ Aniruddha Nath

b) Short Story :

1st : Sri Golapsankar Nath
2nd : „ Bhupal Roy
Consolation Prize—
(i) Sri Amlan Sarkar
(ii) „ Heeralal Rabha

c) Assamese Poem :

1st : Miss Krishna Rani Nath
2nd : Sri Gopalsankar Nath
3rd : " Utpal Kalita
Consolation Prize—
Miss Heera Nath

d) **Art Competition :**

1st : Miss Swapna Bora
2nd : Sri Dipen Basumatary
3rd : Sri Moon Kalita

- **Competition of Swimming and Gymmasium :**

a) Swimming :

1st : Sri Gobinda Ch. Das
2nd : Dipak Rabha
3rd : Md. Abul Hussain

b) Panja :

1st : Sri Ajay Barman
2nd : Sir Tinku Roy

c) Body Building :

1st : Sri Sarbananda Khakhalary
2nd : Sri Achit Rabha
3rd : Sri Bimal Prasad Rabha

- **Social Service Competition :**

**Best Worker :**

1. Dewan Saidur Rahman Roufy
2. Miss Iva Rani Nath

First :

i) Sri Tarani Kalita
ii) Miss Bhagya Devi Nath

Second :

i) Miss Anna Devi
ii) „ Janata Nath

Third:

i) Miss Dipika Rabha
ii) „ Nanda Brahma.

● Carrom Single and doubles Competition :
(Girls Section)

a) Carrom (Single) :

Champion : Miss Mamataj Khatun
Runners up : „ Rupali Saikia

b) Carrom (Doubles) :

Champion :

i) Miss Dipti Talukdar
ii) „ Dipamani Nath

Runners up :

i) Miss Rupali Saikia

ii) „ Mamataj Khatun

c) Chinese Checker :

1st : Miss Aditya Hazawary

2nd : „ Lakhi Biswakarma

d) Flower decoration :

1st : Miss Swapna Bara

2nd : „ Nibadita Sarma

3rd : „ Nibadita Nath

● Carrom Single and doubles Competition :

( Boy's Section )

a) Carrom ( Single ) :

Champion : Sri Biju Sarkar

Runners up : Sri Mrinal Sarma

b) Doubles :

Champion : Sri Biju Sarkar

Sri Asit Saha

Runners up : Sri Kapildev Nath

Sri Satya Sankar Nath

c) Mix Doubles :

Champion : Sri Jayanta Sarma
Miss Rupali Saikia

Runners up : Sri Pradip Agarwalla
Miss Jitumani Roy

d) Chess ( ডবা ) :

1st : Sri Golap Kalita
2nd : Sri Ajay dev Barman

● Competition of minor Game Section :

1. Bedminton :

a) Single's : Boy's ( Group — A )

1st : Sri Gopal Das
2nd : Sri Hiren dev Barman

b) Doubles Boy's ( Group— B )

1st : (i) Sri Golap Kalita
(ii) Sri Kakil Kr. Rabha

2nd : (i) Sri Ajay dev Barman
(ii) Sri Pabitra Gogoi

c) Single's Girl's ( Group— A )

1st : Miss Rupali Saikia
2nd : „ Rupanjali Das

2nd : (i) Miss Lakhi Biswakarma

(ii) Miss Mamataj Khatun

2. Table Tanis :

a) Single's Boy's ( Group— A ) :

1st : Sri Pradip Agarwalla

2nd : Sri Hiren dev Barman

b) Doubles Boy's ( Group— B ) :

1st : (i) Sri Pradip Agarwalla

(ii) Sri Pabitra Gogoi

2nd : (i) Sri Sanjib Kr. Rabha

(ii) Sri Moon Kalita

3. Tanik Wik :

a) Single's Girls ( Group— A )

1st : Miss Deepali Basumatary

2nd : Miss Ali Borah

b) Doubles :

1st : (i) Miss Deepali Basumatary

(ii) Miss Ali Borah

2nd : (i) Miss Pratibha Nath

(ii) Miss Binita Roy

# মাহাৰী দ্বানায়াও বড়ো ফৰায়সানি বিবান

—চম্পাব্রতী খাখ্‌লাৰী
TDC III Yr. (Arts)

ভাৰতবর্ষনি আন্তর্জাতিক মুংদাংখা ফুণ্ডিত ড' সুনীতি কুমাৰ চট্টোপাধ্যায়আ বড়োফোৰ খৌ বৈস্নমুথি বিমানি ফিসা নৰক নিনৌ ফোলেৰ্‌সা হোন্‌নানৈ ৰায়খায়দোং। বিথাংনি ৰাওবৈ বুংনো থাঙৌব্লা—

The people of Assam are off-spring of **Naraka**, the son of Vishnu and mother earth. **The Bodos** were all likelihood **the** dominant people of Assam valley and the adjacent hills and spreda all one **N**orth Bengal and East Bengal and possibiy also North Bihar ( Chatterji, **S. K.** : **T**he place of Assam in the History and Civilization of India; Gauhati University, 1970. **9** ).

বৈ বড়োফোৰা যাদোং 'সংখ্যা আৰু সংস্কৃতিৰ দিশৰ পৰা অসম তথা উত্তৰ পূব ভাৰতৰ আটাই-তকৈ বেছি গুৰুত্বপূর্ণ' ( হোমেন বৰগোহাঞি : নাগৰিক : ১০ মে / ১৯৮১ ইং )। সা-সান্‌জা ভাৰত নি মঙ্গলয়ড্‌ ফোলেৰ নি গেদেমা বড়ো মাহাৰীখৌ লাফায়োব্লা বিথাং বৰগোহাঞি আ ৰায়খাংনায় বাদিনৌ দি যাখাগোন, বেয়ো ৰোখা থাৰ। বড়ো মাহাৰীআ হাৰিমা খৌসেথিনি বিনোজোৰ লানানৈ গুবুন গুবুন মাহাৰীফোৰজোং যেবো খৈসাৰি সোমজিলায়ালাসিনো গ্রেং গ্রেং ৰাইজো জাবোদোং আৰো ইয়ুনাওবো বিব্দি ৰাইজো জালাংনায়নি সিমাং দঙো।

মুংদাংমা লিৎগিৰি মুশ্রী ভবেন নার্জীআবো "বড়ো-কাছাৰীৰ সমাজ আৰু সংস্কৃতি" আও বড়ো মাহাৰিয়া দি আও সোদোমস্রী মোন্‌নায় নিফ্রায়নো জেথিংনি ফ্রায়বো জোগা-খাংনায়, বেখৌ দিন্থিহোদোং। নাথায় হুখু-নাংথাও বাথ্রা দি স্থান সে সমাও জোংনি গিদিৎ-গোলাও মাখাছে মানসিফ্রা গাওনি হাবিমুখৌ আৰো বেনি ইজ্জোৎ খৌ ফেলেং খালামো। বেখায়নো আথিখালাও সাফ্রাম ফৰায়সাফ্রা সাংগ্রাং মাজোব নাংসিগোৌ। মানো হোনোব্লা, সাফ্রাম ফৰায়সাআনো গাও গাওনি মাহাৰী এবা

সমাজ নি সাফা সাফা সাংগ্রাং সান্ত্রি (sentry)। বেনি অন্‌গায়ৈ বিয়ৌ অ ওগায়লাং নংগৌ—গাওনি ইয়ুন নি লামায়াও দেৰহাসাং যানৌ ন্বখৰ, হাৰি-মাহাৰৌ আৰৌ হাদৌংসানি আলাৰী অলংবাৰ বাদি। দিনৈনি গোদান বাথ্রা-ভাওআও বেখা-য়নৌ বুঙৌ "দিনৈনি ফৰায়সায়ানৌ গাবৗন্ নি নোগৌৰাৰী জাহৈনাংগৌ।"

বড়ো মাহাৰীআ ঠাংনানৈ থানাংগৌৱা বয়বৌ বড়ো ফৰায়সাফ্রা গাওনি আংথিখৌ ফালি-নানৈ মাহাৰীনি ইনায়, অগেন আচাৰ-খান্থি-ফৗৰখৌ ফৗসাবলাংনায় লোগৌ লোগৌ ৰাও-থুনলায় হাৰিমু ধৗৰৗম খান্থিখৌ গেওলাং খালামনাংগৌন। ইংৰাজী student শোদোবনি আংথিয়া যাদৌং—study এবা ফৰায়নায়। নাথায় ফৰায়নায়নি আংথিয়া গোথৌ : সৌৰগিদিং থানায় আবহাৱা আৰৌ সুবুং জীউন্নি লামাখৌ সুশ্রাংনায়ানৌ যাদৌং study নি গুবৈ আংথি। ফৰায়নায় এবা study নঙাৱানৌ ইয়ুননি লামায়াও আন্দায়নৌ গৌনাং যায়ৌ। ইয়ুননি থাংখিনি ডিঙাখৌ থি মনৗসে কগুঙাও সহৈনি থাখায় ফৰায়সানি সমানৌ যাদৌং থি সম। সান্ত্রহায়ৈ থুখু-জাল্লা, হেংথা-হেংথিনি গেজেৰজোংনৌ বিয়ৌ গাওনি গুবৈ থাংখিখৌ দেৰহাসাং খালামনাংগৌন।

ফৰায়সাফ্রা গুবুন লোগৌ আৰৌ সমাজজোং লোব্বা লাখিনানৈ এবা খৌসেথিনি গেজেৰজোং গৌবাং খামানিখৌ মাওফুংনৌ হায়ৌ। খৌসেথি নঙাৱা সমাজ এবা হাদৌং গিলিং বিবানখৌ ফালিনৌ হায়া। বেনৌ জোংনি বৗলৌ আৰৌ ৰাহা;

বেখায়নৌ ইংৰাজীআত ফংসে দঙৌ—

'Unity teaches us how to die'

আরু লাখিনানৈ ফৰায়সা জীউখৌ দৈদেন-লাংনায়া সংগ্রাম ফৰায়সানি মৌনসে গিলিং বিবান। নেম-খান্থি মানিনানৈ চৌলিয়ৌৱা ফৰায়সা জীউনি থাংখিয়া যেৱাবৌ নংখায় জায়া আৰৌ ফেলেং থাঙা। বিনি অনগায়ৈ, দেহা-মৌদৗমখৌ মৌজাঙৈ সাখৗন-সিখৗনৈ লাখিনায় লোগৌ লোগৌ গাওনি আখল-আখু দ্বানায়াও থিয়াৰী জানাংগৌ। দেহানি গাহামথি আৰৌ আখল-আখুফ্রা মৌজাং নঙাৱা সমাজাও ৰাওবৌ ফৗথা-য়নায়, গিনায় আৰৌ মানিনায় নঙা, সাচে ফৰা-য়সানি সিগাঙাও গুবুন সাচে মানসিয়া ইনায়, অগেন আৰৌ উংখাৰী খামানি ফৗৰখৌ মাওনৌ গিনায় আৰৌ লাজিনায় বায়দি জানাংগৌ।

ফৰায়সা জীউআও সৈথৌজোং চৌলিনায়া মৌনসে মখোজাথাও বিবান। বাংসিন ফৰায়-সায়ানৌ গুবুন গাজ্রি লোগৌফৗৰ জং গৌয়্রৈনানৈ বেহেৰাও গৱায় লাঙৌ। বেখায়নৌ অৰায় সম সৈথৌ আৰৌ মৌজাং বাথ্র বুংনৌ লোগৌ লোগৌ মৌজাং লেখা ফৰায়নায় সৰ' খালাম-নাংগৌ।

বড়ো সমাজাও চৌলিবৌনায় গৌবাং ইনায় অগেন, মুগৈথাও আচাৰ-খান্থি, ষেবৈ জৌ লোংনানৈ ন্বখৰ খৌ সিলিংখাৰ খালামনায়, বিহাৰী লানানৈ ন্ব-বাং দাওৰাও-দাওসি উংখাৰী খালামনায়, গাওনি হাৰিমুখৌ মুগৈনায় আৰৌ মালায় হাৰিনি খসাব গান্নায় বাইদি মুগৈনায় আচাৰ-খান্থি খৌ ফৗসাবনৌ থি নৌজৗৰ হৗনাং

সিগৌ। অব্লাসৌ বড়ো মাহাৰীনি ইয়ুন জৌলৈয়া গৌথ্রাং মেহেৰ গৌনাং যা গৌন।

বড়োফৌৰনি গেৰেম্সা মহৰ মৌন্নায় বৈসাগু মেথায়, খাম-চিফুং, সের্জা, জথা, গংগনা দাম্নায় বাইদি হাৰিমুনি আয়দাফৌৰ খৌ বুহুমাও ফৌসাওনাংগৌ। নঙাব্লা হাৰিমুনি বেফৌৰ মুবাফ্রা মিউজিয়ামাওসৌ বংজাগ্রা আইজেংল' জানা থাগৌন। বিয়ৌ যেবৌ গৌনাং খামানিয়াও উদায়নায় নঙা।

বড়ো মাহাৰিনি থুনলাই সৌৰজিনায়াবৌ নেহাৎ গৌব্লৈ। নাথায় থুনলায়াসৌ মাহাৰী এবা সমাজ জৌউনি লামা। জোং থুনলাই ফেহেৰ নায়নি লামাখৌ এসেবাং নাজায়াখৈ। ফাসে-থিংজায়, বায়গ্রা, আৰৌ ফৰায়গ্রানি আংখালাও বাংসিন লিৎগিৰিআনৌ বিজাব সাফায়না দিহুন্নৌ খাবু মৌনাখৈ। বেখায়নৌ সাফ্রাম ফৰায়সফৌৰা আখিকালাও থুনলাই সৌর্জিনায়াও গৌসৌ হৌনাংগৌ। সল'মা, চুংদ' সল' ৰাদাব সান-লাইসি বাইদি বায়হ্রা গিয়ানখৌ ফেহেৰনৌ থাখায় ফৰায়নৌ গুদা খালামনাগৌ।

মৌনসে হাৰি এবা মাহাৰীয়া জৌগাখাংনৌব্লা বে হাৰি এবা মাহাৰীয়া ফৰায়সানি সায়াও থৈজাসে লামা নায়ৌ। অংখায়নৌ সাফ্রাম ফৰাসাআনৌ ইয়ুন নি থাখায় সাংগ্রাং জানাং গৌ আৰৌ বে হাৰিনি আংখাল নি থাখায় লাংদাং মাসি খৌ অজাওনৌ হৌনাংগৌ। অব্লাসৌ মাহাৰী আৰৌ ফৰায়সানি গেজেৰাও থানায় মাখাসে বেসেন গৌসা সৌমৌন্দৌ আ জাফুং হৈগৌন আৰৌ ইয়ুন জৌলৈয়া সাব্সিন হাম্সিন মহৰৈ ৰাবেন লাংগৌন।

# দৈখাৰ জানায় জীউ-লামা

—শৈলেন্দ্র বসুমতাৰী
H.S. Ist year (Arts)

বিয়ৌ ফৈদোংমোন
মুসুঃখ-মায়ানি জাৰৌ বৌ মহৰৈ
আংনি এসেবাং
খাৰাও-মাৰাও
জীউনি ফুংৰিলি সমাওনো .... ...
গুষ্ঠি জাৰৌ, খানাই রুম্বাং মৌছানানৈ
মিনিখৈৰী মিনি নানৈ
লিংহৰদোংমোন বিয়ৌ আংখৌ,
সৗমৗ নাঙৌ গৗসৗআ আংনি
বাওলাঙৌ আং বে
গুবুৰ বুহুম খৌ,
যেসেবাং হান্থাইদোং বিখৌ আং
নাথায় বিয়ৌ খাৰ লাঙৌ গৌজানাও........
ফৈমাল, আংনি বে জীউ-লামায়া !
থালাংবায় দৰছি খৌমছি
আংনি জীউ-জাৰীমিনাও
দাবৌ ৰিংখাং ফৈয়ৌ
বিনি বৈশুমৈ খবাম
বিয়ৌ দি বুংলাংদোং :
" .... ৰংজানায়া হবাবা নঙা,
সম থাসেয়াওনো মাওনা লাখা,
আং ৰাওখৌবো নেবায় থায়া
আং দি নোংনি—
মুসুঃখ-মায়ানি
বু-ব্লি মা-ই-না-ও ... ।"

☐

# উপ-সভাপতিৰ প্ৰতিবেদন

ডুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ (১৯৯০-৯১) বাবে গভীৰ আস্থাৰে মোক উপ-সভাপতি পদত নিৰ্বাচিত কৰি মহাবিদ্যালয় খনৰ সেয়া আগবঢ়াবলৈ সুযোগ দিয়া বাবে সমূহ ছাত্ৰ বন্ধু বান্ধৱীলৈ মোৰ আশীষ শ্ৰদ্ধা নিবেদিছো।

বিগত বছৰটোত কি কৰিলো বা কি কৰিব নোৱাৰিলো সেয়া বিচাৰৰ দায়িত্ব আপোনা-লোকৰ। যিখিনি কৰিব নোৱাৰিলো বা কৰিব লাগিছিল হয়তো সেইখিনি আগন্তুক বছৰত সাফল্য লাভ কৰিব পাৰিব।

আন আন বছৰৰ দৰেই একে গতানুগতিক ব্যস্ততাৰে বিদায় সভা, নবাগত আদৰণি সভা আৰু তিথি উৎসৱসমূহ এইবাৰেও পালন কৰা হয়। অইন বছৰৰ দৰেই মহাবিদ্যালয়ৰ বিশেষ উৎসৱ "মহাবিদ্যালয় সপ্তাহ" উৎযাপন কৰা হয় যদিও পৰিস্থিতিৰ সাপেক্ষে ইমান উলহ মালহেৰে পালন কৰিব পৰা নগ'ল। যাৰ ফলত তীব্ৰ সন্ত্ৰাসৰ প্ৰভাৱ বিভিন্ন ঠাইত পৰাৰ উপৰিও মহাবিদ্যালয়তো পৰিছিল।

আমাৰ কাৰ্য্যকালছোৱাত উদ্ভৱ হোৱা বিভিন্ন কাৰ্য্যবিষয়ৰ ওপৰত বিস্তৃত সমালোচনা নকৰি আংশিক দৃষ্টিগোচৰ কৰিব খোজো যে, মহাবিদ্যালয়খনত বিভিন্ন উৎসৱ, তিথি পালন কৰা হয় যদিও ইয়াৰ উদ্দেশ্যৰ কিছুমান প্ৰতি ছাত্ৰ ছাত্ৰীসকলৰ আগ্ৰহী মনোভাৱ দেখা নাযায়। যাৰ ফলত বিভিন্ন কাম কাজ আদিত যেনে— আলোচনাচক্ৰ, কুইজ আৰু বিভিন্ন উৎসৱ পাৰ্বনত অধিক টকা ব্যয় কৰা হয়। ইয়াৰ কাৰণ হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহী মনোভাৱৰ অভাৱ। গতিকে এইদৰে মহান শিক্ষানুষ্ঠানত এনেকুৱা হবৰ কাৰণ কি হব পাৰে? আগলৈয়ো যেন ছাত্ৰ ছাত্ৰী, বন্ধু বান্ধৱীসকলে বিভিন্ন সভা আলোচনা আদিত অধিক গুৰুত্ব আৰোপ কৰে তাৰবৈলে কামনা কৰিলোঁ।

আমাৰ কাৰ্য্যাকালত বহুত পৰিকল্পনা আছিল। কিন্তু তাৰে বহুত পৰিকল্পনা বাস্তৱত পৰিণত নহ'ল। কেৱল যিখিনি কৰিব পাৰিলো সেইখিনি কেইজনমান আগ্ৰশীল ছাত্ৰ বন্ধুবোৰৰ সহযোগতহে সমাধান কৰিব পৰা গ'ল। বিভিন্ন দিশত কাম কাজ সুচাৰুৰূপে পৰিচালনা কৰাত ওতঃপ্ৰোত ভাৱে জড়িত থাকি লগতে সু-পৰামৰ্শ দান কৰি যোৱা নিস্বাৰ্থ সেৱক শ্ৰীতৰুণ চাংমাই চাৰৰ ওচৰত মই চিৰঋণী। তদুপৰি অধ্যক্ষ কৰুণা কান্ত ৰাভা আৰু অধ্যাপক তেজেন নাথ মহাশয়ে দিয়া দিহা পৰামৰ্শৰ বাবে তেওঁলোকৰ ওচৰত সেৱাৰে শলাগ লৈছো।


অন্তিম লিখনিত অজানিতে হৈ যোৱা মোৰ কাৰ্যকালত ভুল ত্ৰুটিৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষ তথা সমূহ ছাত্ৰ বন্ধু বান্ধৱী লগতে শিক্ষাগুৰুসকলৰ ওচৰত ক্ষমা ভিক্ষা কৰিছো আৰু মহাবিদ্যালয় খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতি-বেদন ইমানতে সামৰণি মাৰিলো।

ঃ জয়তু ডুধনৈ মহাবিদ্যালয় ঃ

**শ্ৰীকংকন খাখলাৰী**
উপ-সভাপতি
॥ ডুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ॥

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে এক মুক্ত আৰু সুশৃংখল শান্তিপূৰ্ণ নিৰ্বাচনত যিসকল ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ বহুমূলীয়া ভোটাধিকাৰ প্ৰতিপন্ন কৰি বছৰটোৰ বাবে মোক মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ প্ৰদান কৰিলে তেওঁলোকলৈ সশ্ৰদ্ধ ধন্যবাদ জনাইছোঁ।



বৰপীঠ বাৰ্তা □ পৃষ্ঠা ৬

## ঢুধনৈত মহাবিদ্যালয় সপ্তাহত সেনাৰ সন্ত্ৰাস

যোৱা ১৪ ডিচেম্বৰত ঢুধনৈ মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ"ৰ কাৰ্যসূচী মুকলি সভা আৰু পুৰস্কাৰ বিতৰণ অনুষ্ঠান আৰম্ভ হোৱাৰ প্ৰাকমুহূৰ্তত মহাবিদ্যালয় চৌহদৰ ভিতৰত সেনা বাহিনীৰ জোৱান প্ৰবেশ কৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীদিলীপ কুমাৰ নাথ আৰু আন এগৰাকী ছাত্ৰ শ্ৰীবিমল প্ৰসাদ ৰাভাক ঢুধনৈস্থ সেনাৰ শি... ধৰি নি নিৰ্যা... পাছত তাকে... পৰিস্থি... দি... পাঠ... বক্তা-আ... মনোৰম হৈ থোৱা হয়।

উল্লেখযোগ্য যে নিৰ্ধাৰিত কাৰ্যসূচী স্থগিত ৰাখি এই ঘটনাৰ প্ৰতিবাদ কৰিবলৈ সিদিনাই মন্ত্ৰী গৰাকীৰ সভাপতিত্বত এখন সাধাৰণ সভা মহাবিদ্যালয়তে অনুষ্ঠিত কৰা হয় আৰু সভাত এক প্ৰস্তাৱ যোগে সামৰিক

## দৰংগিৰী আঞ্চ দুৰ্ঘ...

(ষ্টাফ ৰিপোৰ্টাৰ) যোৱা ১৮ ডিচেম্বৰ ... শিক্ষা ... অসমৰ ... মন্ত্ৰী কাৰিবে ... বাণিজ্য ... বিভাগৰ ... দৰং... শ্ৰীশৰৎ বৰকটকীয়ে ... আনুষ্ঠানি... গিৰী হাইস্কুলখন ... আধুনিক ... ভাৱে উদ্বোধ...

বিদ্যালয়টো ... সেইদিনা ... উপলক্ষে ... প্ৰাঙ্গণত ... সভাত ...

## শিক্ষামন্ত্ৰী

(১ পৃষ্ঠাৰ পৰা)

প্ৰতি আহ্বান জনায়।

সভাৰ আৰম্ভণিতে অঞ্চলটোৰ বিভিন্ন সংগঠনে স্থানীয় অভাৱ অভিযোগৰ বিষয়ে মন্ত্ৰীমহোদয়ক অৱগত কৰাই স্মাৰকপত্ৰ প্ৰদান কৰে। ঢুধনৈ সমষ্টিৰ বিধায়ক তথা অসম বেচম আৰু হস্তশিল্প ৰাজ্যিক মন্ত্ৰী শ্ৰীজগত পাটগিৰীয়ে সভাপতিত্ব কৰা উক্ত সভাত গোৱালপাৰা জিলা চক্ৰৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক শ্ৰীনৃপেন্দ্ৰ নাথ শৰ্মাইও ভুআষাৰ কয়।

ইয়াৰ পিছত মন্ত্ৰী গৰাকীয়ে ঢুধনৈ মহাবিদ্যালয়লৈ যায়। তাত তেওঁ ঢুধনৈ মহাবিদ্যালয়ৰ বিজ্ঞানাগাৰটো পৰিদৰ্শন কৰি সন্তুষ্টি প্ৰকাশ কৰে। মন্ত্ৰী গৰাকীয়ে মহাবিদ্যালয়খনৰ পাঁচটা পদলৈ মঞ্জুৰী প্ৰদানৰ কথা আনুষ্ঠানিভাৱে ঘোষণা কৰে। তদুপৰি মন্ত্ৰীগৰাকীয়ে ঢুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ বাবেও পঞ্চাশ হাজাৰ টকাৰ অনুদান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। মন্ত্ৰীগৰাকীয়ে সেইদিনাই দিশপুৰলৈ উভতি যায়।

## মন্ত্ৰী

... গ্ৰহণ কৰা ভিত্তিৰ ... কৰি ... মন্ত্ৰীমহোদয়ে সেই ... সফল কৰাৰ ক্ষেত্ৰত ... ৰব সৈতে সহযোগ কৰিবলৈ ... বিশেষকৈ ছাত্ৰ সমাজৰ ... (৩ পৃষ্ঠাত চাওক)

শচীন্দ্ৰ পু-কাৰ সুকুমাৰ প্ৰিন্টিং ওৱাৰ্কচ : শ্ৰীপিযু... যোগী সম্পাদক : শ্ৰী ভবেশ দাস।

আনন্দন ... এই বাৰ্তাৰ ... কৰি

## আমাৰ কাৰ্য্যকালৰ সফলতা ঃ

(ক) মহাবিদ্যালয় চৌহদত চাইকেল গেৰেজ নিৰ্মাণ —

মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ বহুদিনীয়া অভাৱ এটা পূৰণৰ অৰ্থে যোৱা বছৰৰ ছাত্ৰ একতা সভাই চাইকেল গেৰেজৰ আধাৰশিলা স্থাপন কৰিছিল। এইবেলি ছাত্ৰ একতা সভাৰ সভাপতি তথা মহাবিদ্যালয়ৰ অধ্যক্ষদেৱৰ দ্বাৰা

স্থান পূনৰ নিৰ্দ্ধাৰণ সাপেক্ষে একতা সভাৰ উন্নয়নমূলক কাম-কাজ কৰা কোষৰ পৰা অৰ্থ ব্যয় কৰি মহাবিদ্যালয় প্ৰশাসনীয় ভৱনৰ উত্তৰফালে এটা স্থায়ী চাইকেল গেৰেজ নিৰ্মাণ কৰি উলিওৱা হয়।

(খ) ছাত্ৰী জিৰণি কোঠা নিৰ্মাণৰ বাবে অনুদান প্ৰাপ্তি :

১৮ / ১২ / ৯১ ইং তাৰিখে অসমৰ ৰাজ্যিক শিক্ষামন্ত্ৰী তুধনৈ মহাবিদ্যালয়লৈ আহি বিজ্ঞানাগাৰটো পৰিদৰ্শন কৰি সন্তুষ্টি প্ৰকাশ কৰে, মহাবিদ্যালয়খনৰ পাঁচটা পদলৈ মঞ্জুৰী প্ৰদানৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে আৰু ছাত্ৰ একতা সভাই মন্ত্ৰীৰ হাতত প্ৰদান কৰা স্মাৰক পত্ৰত উল্লেখ কৰা দাবীৰ মৰ্মে সেইদিনাই ছাত্ৰী জিৰণি কোঠা নিৰ্মাণৰ বাবে ৫০,০০০.০০ পঞ্চাশ হাজাৰ ) টকা অনুদান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে।

(গ) প্ৰেক্ষাগৃহ নিৰ্মাণত অগ্ৰগতি :

অসম চৰকাৰৰ D. R. D. A. বিভাগে তুধনৈ মহাবিদ্যালয়ত এটা স্থায়ী প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে আৰ্থিক অনুদান আগবঢ়াইছিল যদিও কাৰ্য্যক্ষেত্ৰত আশানুৰূপ কামৰ অগ্ৰগতি হোৱা নাছিল। মহাবিদ্যালয় ছাত্ৰ একতা সভাই বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি কাম খৰতকীয়া কৰিবলৈ দাবী জনোৱাত কামে যথেষ্ট অগ্ৰগতি লাভ কৰে; প্ৰেক্ষাগৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰি তুলিবলৈ পৰৱৰ্তী আৰ্থিক অনুদান আগবঢ়াবলৈ চৰকাৰৰ ওচৰত দাবী জনাই অহা হৈছে। যিবোৰ কামৰ শুভাৰম্ভণি কৰা হ'ল :

(ক) প্ৰমোদ উদ্যানৰ আধাৰ শিলা স্থাপন :

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে ৰাইজৰ দান বৰঙণি সংগ্ৰহ কৰি মহাবিদ্যালয় চৌহদত এখন প্ৰমোদ উদ্যান গঢ়ি তোলাৰ আঁচনি প্ৰস্তুত কৰা হয়। ২৪/১২/৯১ ইং তাৰিখে গোৱালপাৰা জিলাৰ তথ্য আৰু জনসংযোগ বিষয়া তথা অন্যান্য নিমন্ত্ৰিত ব্যক্তিৰ উপস্থিতিত জিলাৰ অতিৰিক্ত উপায়ুক্ত ডঃ অনুপম ৰয় মহোদয়ে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অধ্যাপক অধ্যাপিকা সমন্বিতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত প্ৰমোদ উদ্যানৰ আধাৰশিলা স্থাপন কৰে।

অনুদান সংগ্ৰহ অভিযানত "ভাৰগো চিমেণ্ট কোম্পানী"ৰ স্বত্বাধিকাৰীয়ে ১৫ বেগ চিমেণ্ট অনুদান আগবঢ়ায় যদিও প্ৰয়োজনীয় ইটা, শিল, বালি আদি আমাৰ কাৰ্য্যকালত সংগ্ৰহ কৰিব নোৱাৰা বাবে উদ্যানৰ কামে অগ্ৰগতি লাভ কৰাত অন্তৰায়ৰ সৃষ্টি হয়।

(খ) সাঁকোৰ সমুখত পকী সোপান নিৰ্মাণৰ প্ৰাথমিক পদক্ষেপ গ্ৰহণ :

মহাবিদ্যালয়ৰ চৌহদৰ পুখুৰীৰ ওপৰেৰে থকা কাঠৰ দলংখনেৰে মহাবিদ্যালয়লৈ উঠি অহা টিলাকৃতিৰ পথচোৱাত পকী সোপান নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হয়; উক্ত মৰ্মে জৰীপ আদি প্ৰাথমিক কাম কাজখিনি কৰিবলৈ ৰাজমিস্ত্ৰী মজিবৰ ৰহমানৰ ওপৰত দায়িত্ব অৰ্পন কৰা হয়। আহমেদে প্ৰাথমিক

কামখিনি সম্পূৰ্ণ কৰিছে বুলি জানিবলৈ দিছে। নিৰ্মাণৰ পৰবৰ্তী কাম নৱ-নিৰ্বাচিত সম্পাদকে সম্পূৰ্ণ কৰি তুলিব বুলি আশা ৰাখিলোঁ।

(গ) অন্যান্য :

মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ দাবীত ডুধনৈ আঞ্চলিক মটৰ চালক সন্থাই মহাবিদ্যালয় চৌহদত দ্বিতীয়খন প্ৰৱেশদ্বাৰ নিৰ্মাণৰ বাবে আৰ্থিক অনুদান আগবঢ়ায়। সেই অনুদানেৰে মহাবিদ্যালয়ৰ ছাত্ৰ মুকুন্দ বসুমতাৰীৰ তত্বাবধানত প্ৰৱেশদ্বাৰ নিৰ্মাণৰ কাম শতকৰা নব্বৈ অংশ পূৰ্ণ কৰি তোলা হয়।

মহাবিদ্যালয়ৰ অভাৱ অভিযোগ :

(ক) ছাত্ৰাবাস :

মহাবিদ্যালয়ত ছাত্ৰাবাসৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰি শাসকীয় দলৰ ওচৰত আৰ্থিক অনুদানৰ বাবে দাবী জনাই অহা হৈছে স্থানীয় বিধায়ক তথা পঞ্চায়ত আৰু জনজাতি উন্নয়ন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ; ৰাজ্যিক শিক্ষামন্ত্ৰীক দিয়া স্মাৰক পত্ৰটো এই দাবীৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈ আহিছে।

সৌভাগ্যৰ কথা যে, শেহতীয়াভাবে জানিব পৰা মতে চৰকাৰৰ জনজাতি উন্নয়ন বিভাগৰ তৰফৰ পৰা ছাত্ৰাবাস নিৰ্মাণৰ বাবে প্ৰাথমিক অনুদান হিচাবে মহাবিদ্যালয়ে ৮৫ হাজাৰ টকাৰে আৰ্থিক মঞ্জুৰী লাভ কৰিছে।

(খ) কলেজ বাচ :

মহাবিদ্যালয়লৈ অহা বিভিন্ন অঞ্চলৰ ছাত্ৰ ছাত্ৰীৰ যাতায়তৰ সুবিধাৰ বাবে "মহাবিদ্যালয় পৰিবহন সেৱা" আগবঢ়াবলৈ জিলা প্ৰশাসনৰ ওচৰত দাবী জনাই অহা হৈছে।

(গ) কলেজ কেন্টিন :

মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ সুবিধাৰ বাবে মহাবিদ্যালয় চৌহদৰ ভিতৰত এখন "কেন্টিন ব্যৱস্থা কৰিবলৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

(ঘ) আহল বহল পুথিভঁৰাল :

ছাত্ৰ ছাত্ৰীৰ চাহিদা অনুযায়ী পুথিভঁৰালটো যথেষ্ট ঠেক। পুথিভঁৰালটো আহল বহলকৈ নিৰ্মাণ কৰি ছাত্ৰ ছাত্ৰীৰ চাহিদা পূৰণত অৰিহণা যোগাবলৈ কৰ্তৃপক্ষৰ দৃষ্টি অকৰ্ষণ কৰিলোঁ।

ঙ) বাণিজ্য শাখাৰ প্ৰয়োজনীয়তা :

সমগ্ৰ দক্ষিণ গোৱালপাৰা, এক বৃহৎ অঞ্চলৰ ছাত্ৰ ছাত্ৰীৰ প্ৰয়োজনীয়তাত মহাবিদ্যালয়ত বাণিজ্য শাখা খোলা বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ, তথা শিক্ষাবিভাগৰ ওচৰত সৰৱ দাবী জনাবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক আৰু সদাশয় ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

☐ অন্যান্য দাবী : মহকুমা ঘোষণা :

দক্ষিণ গোৱালপাৰা অঞ্চলৰ সৰ্ব্বাংগীন উন্নয়নৰ কথা চিন্তা কৰি ১৯৬৭ চনৰ পৰাই ডুধনৈ অঞ্চলৰ ৰাইজে, ডুধনৈক সদৰ হিচাবে লৈ ডুধনৈ মহকুমা ঘোষণাৰ দাবী জনাই আহিছে। মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে স্বকীয় চিন্তা চৰ্চাৰে পালন কৰিবলৈ বিনম্ৰ

আহ্বান জনালোঁ।

☐ স্পষ্টীকৰণ : ক্ষমা প্ৰাৰ্থনা :

আমি যিটো নিৰ্বাচনত অংশগ্ৰহণ কৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সদস্য নিৰ্বাচিত হৈছিলোঁ, সেইটো নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ শেষ দিনৰ পৰাই কেন্দ্ৰীয় চৰকাৰে অসমত ৰাষ্ট্ৰপতিৰ শাসন জাপি দিয়ে। প্ৰতিকূল পৰিস্থিতিৰ মাজতো সমূহ ছাত্ৰ ছাত্ৰী আৰু বিভাগীয় সম্পাদক সকলৰ সহযোগিতাত অতি মিতব্যয়ীতাৰে বছৰটোৰ যাৱতীয় কাম কাজ শৃংখলিত গতিৰে আগবঢ়াই নিয়া হৈছিল যদিও পৰৱৰ্তী কালত মহাবিদ্যালয় সপ্তাহৰ কাম কাজখিনি সময়মতে সম্পূৰ্ণ কৰি মহাবিদ্যালয় সপ্তাহৰ সফল সমাপ্তি ঘটাব নোৱাৰাৰ বাবে মই অতিশয় দুঃখিত। অতি পলমকৈ মহাবিদ্যালয়ৰ বাকী থকা কামখিনি তথা একতা সভাৰ যাৱতীয় লেন দেন সমূহ সম্পূৰ্ণ কৰিব লগা হোৱা বাবে সমূহ ছাত্ৰ ছাত্ৰীৰ ওচৰত, পৰিস্থিতিগত আৰু অনাকাংখিত ভুল-ক্ৰটিৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

☐ কৃতজ্ঞতা স্বীকাৰ :

আমাৰ কাৰ্য্যকালত সহনশীলতাৰে সহযোগ আগবঢ়োৱা সমূহ ছাত্ৰ ছাত্ৰী, অধ্যাপক অধ্যাপিকালৈ তথা মহাবিদ্যালয় প্ৰশাসনৰ বিভাগীয় কৰ্মচাৰীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

☐ পৰিশেষত : বছৰটোৰ হিচাবৰ খতিয়ান :

| | | |
|---|---|---|
| বছৰটোৰ ডিচেম্বৰ মাহলৈ মুঠ সংগৃহীত ধন — | ১,১০,৪৫০.০০ | টকা |
| উৎসৱ তথা উন্নয়নমূলক কামৰ সমুদায় ব্যয় — | ৬২,৬৮৬.০০ | টকা |
| | ৪৭,৭৬৪.০০ | টকা |
| আলোচনীৰ বাবে আছুতীয়া ধন — | ১৫,০৬০.০০ | টকা |
| | ৩২,৯০৪.০০ | টকা |
| যুৱ মহোৎসৱৰ বাবে আছুতীয়া ধন — | ১০,০০০.০০ | টকা |
| | ২২,৯০৪.০০ | টকা |
| মহাবিদ্যালয় সপ্তাহত সমুদায় অনুমোদন — | ১৮,০০০.০০ | টকা |
| ঘাটি বাজেট পূৰণৰ বাবে — | ৪,৯০৪.০০ | টকা |

স্নাতক তৃতীয় বাৰ্ষিক আৰু হেণ্ডুল থিয়েটাৰৰ চাইকেল গেৰেজত সংগৃহীত ধন ঘাটি মঞ্জুৰী শিতানত ব্যয়ৰ উপযোগী বা ৰাহি।

( মিতব্যয়ীতাৰ ক্ষেত্ৰত এই খতিয়ান ঐতিহাসিক অভিলেখ )

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে ১৯৯০-৯১ ইং চনৰ ছাত্ৰ একতা সভাত সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচনত সমৰ্থন জনাই যি গধুৰ দায়িত্ব অৰ্পণ কৰি মহাবিদ্যালয়ৰ কাৰ্য সম্পাদন কৰাৰ লগতে সেৱা আগবঢ়োৱাৰ সুবিধা দিলে সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জনালোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে বিভিন্ন কাৰ্যসূচীৰ সন্মুখীন হবলগীয়াত পৰিলোঁ। বিশেষকৈ 'নবাগত আদৰণি সভা'ত সাংস্কৃতিক সন্ধিয়া পতা হৈছিল যদিওঁ. যি ধৰণৰ কাৰ্যসূচী হাতত লোৱা হয় ঠিক তেনে ধৰণে কৰিব পৰা নহ'ল। আৰু এই ক্ষেত্ৰত আমাৰ ছাত্ৰ বন্ধু-বান্ধৱীসকলৰ আগ্ৰহীন ভূমিকাই মূখ্য কাৰণ বুলি উল্লেকিয়াব পাৰোঁ। ইয়াৰোপৰি সাম্প্ৰতিক পৰিস্থিতিৰ সন্দৰ্ভত যি ধৰণে বিভিন্ন অৰাজকতাৰ সৃষ্টি হৈ পৰিছে ঠিক সেইদৰে মহাবিদ্যালয়তো পৰাত ইয়াৰ হেঙাৰ স্বৰূপ হৈ পৰা নাই বুলি কব নোৱাৰি।

এইবাৰ 'মহাবিদ্যালয় সপ্তাহ' যি ধৰণৰ উলহ মালহেৰে উংযাপন কৰি পাতিব লাগিছিল সেইদৰে পাতিব পৰা নহ'ল ইয়াৰ কাৰণ হ'ল— মূলতঃ সাম্প্ৰতিক পৰিস্থিতি। যি কি নহওঁক, মহাবিদ্যালয় সপ্তাহত কিছু পৰিমাণৰ কাৰ্যসূচীৰ লগতে এইবাৰৰ 'সাজপাৰৰ' প্ৰতিযোগিতা আগবঢ়োৱা হৈছিল। কিন্তু দুখৰ বিষয় যে, এনে এটা আকৰ্ষণীয় প্ৰতিযোগিতাত মাথোন পাঁচজন প্ৰতিযোগীহে যোগদান কৰিছিল। আশা ৰাখিছো আগলৈও যেন এনে নহয়।

মোৰ কাৰ্যকালত বহুমূলীয়া দিহা পৰাপৰ্শৰে আগবঢ়াই নিয়া বাবে অধ্যাপক শ্ৰীতেজেন চন্দ্ৰ নাথ আৰু তত্বাৱধায়ক, শ্ৰীহৰ কুমাৰ নাথ লগতে ছাত্ৰ বন্ধু বান্ধৱী সকল— সৰ্বশ্ৰী ৰাজা ৰাম, মীটুজবীৰ, কবিতা হেৰম্ব, দিগন্ত, হেমেন, ইভা, নজৰুল আৰু ভৱতৰণ লৈ কৃতজ্ঞতা স্বীকাৰ কৰাৰ লগতে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত হৈ যোৱা জ্ঞাতে অজ্ঞাতে ভুল ভ্ৰান্তিৰ বাবে ক্ষমা মাগিছো। আৰু দুধনৈ মহাবিদ্যালয়ৰ অদূৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি ইমানতে প্ৰতিবেদনৰ লিখনি যৱনিকা পেলালোঁ।

॥ জয়তু দুধনৈ মহাবিদ্যালয় ॥

**শ্ৰীকন্দৰ্প কুমাৰ নাথ**
সাংস্কৃতিক সম্পাদক।

# সঙ্গীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্-আৰম্ভনিতে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱী সকলে ১৯৯০-৯১ চনৰ দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগত মোক নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ বাবে সুবিধাকণ দিলে সেইসকললৈ ধন্যবাদৰ লগতে আন্তৰিক কৃতজ্ঞতা সঁুৱৰিলো।

মহাবিদ্যালয়ৰ আটাইতকৈ ডাঙৰ উৎসৱ বা অনুষ্ঠান হ'ল মহাবিদ্যালয় সপ্তাহ। আৰু ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন দিশৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি নিজস্ব প্ৰতিভা বিকাশ কৰোৱাৰ সুবিধা পায়। সেইদৰে সংগীতানুৰাগী ছাত্ৰ-ছাত্ৰী সকলেও সংগীত বিভাগৰ কাৰ্যাসূচীত যোগদান কৰি নিজৰ প্ৰতিভা বিকাশ কৰে। অন্যান্য বছৰৰ দৰে আমি এই বেলিও বহুতো অসুৰিধাৰ মাজেদি অনুষ্টিপিয়াকৈ 'মহাবিদ্যালয় সপ্তাহ' পালন কৰোঁ। দুৰ্ভাগ্যবশতঃ আমি জাকজমকতাৰে পাতিব লাগিছিল যদিওঁ পাতিব নোৱাৰিলো। তথাপিও বিভাগীয় সম্পাদক সকলে নিজৰ নিজৰ দায়িত্বত থকা কাৰ্য্যসূচী সমূহ চলাই নিছিল। ছাত্ৰ-ছাত্ৰীসকলে আংশিক পৰিমাণে বিভিন্ন কাৰ্য্যসূচী সমূহত অংশগ্ৰহণ কৰিছিল যদিওঁ, অতি পৰিতাপৰ বিষয় যে, সংগীত বিভাগত যোগদান কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিচেই তাকৰ। সেইবাবে পিছ পৰি থকা পৰিলক্ষিত হ'ল। ইয়াৰোপৰি মই মোৰ বিভাগৰ তৰফৰ পৰাও স্বীকাৰ কৰোঁ যে, মই সকলো ঠিক কৰি প্ৰস্তুত কৰি ৰাখিছিলো যদিওঁ ষ্টেজৰ দায়িত্ব সাধাৰণ সম্পাদকে লোৱাত এটা ষ্টেজতে তৰ্ক, সাংস্কৃতিক আৰু সংগীত এইবোৰৰ প্ৰতিযোগিতা পাতিব-লগা হোৱাত মোৰ বিভাগৰ কিছুমান কাৰ্য্য-সূচী বাতিল কৰিব লগা হ'ল। তৰ্ক আৰু সাংস্কৃতিক সম্পাদক দুজনে তেওঁলোকৰ কাৰ্য্য-সূচী সমূহ চলাই নিব পাৰিলে। তথাপি মই চেষ্টা কৰি বিচাৰকক মাতি তেওঁলোকৰ নিৰ্দেশ-ক্ৰমে চাৰিটা কাৰ্যাসূচী হাতত লব পাৰিছোঁ।

যিয়ে নহওঁক মোৰ কাৰ্য্যকালছোৱাত সংগীত বিভাগত ছাত্ৰ-ছাত্ৰীসকলে নিজস্ব প্ৰতিভা বিকাশ সাধনত ব্যঘাত পালে তাৰ বাবে মইয়ে ঋণী হৈ থাকিলোঁ। আৰু পৰৱৰ্তী সম্পাদকৰ কাৰ্য্যকালত যাতে সম্পূৰ্ণকৈ ছাত্ৰ-ছাত্ৰী সকলোৰ প্ৰতিভা বিকাশ সাধন কৰিব পাৰে তাৰ বাবে আশা ৰাখিলোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়োৱা বিভাগীয় তত্বাবধায়ক কল্যাণ বৰপুজাৰী লগতে ছাত্ৰ বন্ধুবৰ্গসকল— ধনঞ্জয় ৰাভা, চিৰাজ চন্দ্ৰ ৰাভা, নজৰুল ইচলাম, কংকন খাখলাৰী। তেওঁলোকৰ ওচৰত কৃতজ্ঞতা স্বীকাৰৰ লগতে দুধনৈ মহাবিদ্যালয়ৰ অদূৰ ভৱিষ্যত উজ্বল কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

**শ্ৰীঅঞ্জন জ্যোতি ৰাভা**
সম্পাদক, সঙ্গীত বিভাগ
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
১৯৯০-৯১ চন।

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে যিসকল ছাত্ৰ ছাত্ৰীয়ে তেওঁলোকৰ বহুমূলীয়া ভোটদানেৰে মোৰ বিজয় নিশ্চিত কৰি মোক মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ দিলে তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আমাৰ কাৰ্য্যকালৰ ধনাত্মক সংযোজন :

(ক) আৰ্থিক সচ্ছলতা লাভ :

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি তথা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ৰ প্ৰস্তাৱ উত্থাপন মৰ্মে ছাত্ৰ একতা সভাৰ কাৰ্য্য নিৰ্বাহক সভাত "তুধনৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ আৰ্থিক অনাটন দূৰ কৰিবলৈ সদাশয় ৰাইজে প্ৰতিলিটাৰ কেৰাচিনৰ মূল্যৰ লগত অতিৰিক্ত দহ পইচাকৈ অনুদান আগবঢ়াই বিজ্ঞান শখাৰ পৰিচালনাত সহায় কৰিবলৈ গোহাৰি জনোৱা হ'ল" শীৰ্ষক প্ৰস্তাৱ গৃহীত কৰি শতাধিক ৰাইজৰ সমৰ্থন সূচক স্বাক্ষৰ গ্ৰহণ কৰি অনুদানৰ ধনখিনি তুধনৈস্থ A.O.C. ক সংগ্ৰহ কৰি দিবলৈ অনুৰোধ জনোৱা হয়। আমাৰ গোহাৰি গুৰুত্ব আৰু সহনশীলতাৰে বিবেচনা কৰি ৰাইজে প্ৰতি লিটাৰ কেৰাচিনৰ লগত দহ পইচাকৈ আৰ্থিক অনুদান আগবঢ়াই প্ৰতি মাহে বৃহৎ পৰিমাণৰ ধন প্ৰাপ্তিৰ ব্যৱস্থা কৰি বিজ্ঞান শাখাতো পৰিচালনা কৰাত সহায় কৰিছে। এই সুযোগতে এই প্ৰক্ৰিয়াৰ সৈতে জড়িতসমূহ সদাশয় ৰাইজলৈ কৃতজ্ঞতা জনাইছোঁ।

(খ) নতুন পৰম্পৰা :

আমাৰ মহাবিদ্যালয়ে আজি তিনি / চাৰি বছৰৰ পৰাই আৰ্থিক অনাটনৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত অংগগ্ৰহণ কৰিব পৰা নাই. ফলত ছাত্ৰ-ছাত্ৰীসকল প্ৰতিভা বিকাশৰ সুযোগৰ পৰা বঞ্চিত হৈ আহিছে। আমাৰ কাৰ্য্যকালৰ কাৰ্য্যনিৰ্বাহকত প্ৰস্তাৱ গ্ৰহন কৰি যুৱ মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ দহ হেজাৰ টকা আছুতীয়াকৈ ৰাখে। অনাৱশ্যক অপব্যয় কমাই মিতব্যয়ীতাৰে বিভাগীয় সম্পাদক সকলে কাৰ্য্যনিৰ্বাহ কৰা আমাৰ কাৰ্য্যকালৰ এক উল্লেখনীয় কথা। মহাবিদ্যালয়ৰ সম্প্ৰাহত বিষয়বস্তুৰ লগত সংগতি ৰাখি মূল্যবান কিতাপ আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই-বোৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত সুদূৰপ্ৰশাৰী সুপ্ৰভাৱ পেলাব বুলি আশা কৰিব পাৰি

পৰৱৰ্ত্তী ছাত্ৰ একতা সভাইও এই নিয়ম সমূহ পৰম্পৰাগত ভাবে পালন কৰিব বুলি আশা ৰাখিলোঁ। সদৌ শেষত নিৰ্বাচনী প্ৰচাৰ কাৰ্য্য চলোৱাৰে পৰা, ৰাষ্ট্ৰীয় সন্ত্ৰাসে জনজীৱন বিপৰ্য্যস্ত কৰা সময়ত মোৰ অনুপস্থিতিত যিসকল বন্ধু-বান্ধৱী (বিশেষকৈ ভৃগু, হেমন্ত, ৰণজিৎ, শেৱালী, লগতে তুধনৈ মহাবিদ্যালয়ৰ সমূহ মাননীয় অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

তুধনৈ মহাবিদ্যালয় তথা মহাবিদ্যালয় আলোচনীখনৰ দীৰ্ঘায়ু কামনাৰে —

**শ্ৰীহৰেকৃষ্ণ কলিতা।**
সহকাৰী সাধাৰণ সম্পাদক।
১৯৯০-৯১ ইং।

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতেই ১৯৯১ চনৰ বছৰটোৰ বাবে দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে বিনা প্ৰতিদ্বন্দীতাৰে নিৰ্বাচিত কৰা বাবে সমূহ ছাত্ৰ ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

যি আশা লৈ মোক এই দায়িত্বভাৰ অৰ্পণ কৰা হৈছিল সেই দায়িত্ব মই কেনে ধৰণে পালন কৰিব পাৰিলো তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰতে এৰি দিলো। মই অতি দুখেৰে জনাবলৈ বাধ্য হৈছো যে এখন মহাবিদ্যালয় হিচাবে ইয়াৰ ছাত্ৰ জিৰণি কোঠা অতি গুৰুত্বপূৰ্ণ । কিন্তু আমাৰ মহাৰিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাটো বহিব পৰা অৱস্থাত নাই । মই কেবাবাৰো অধ্যক্ষ মাননীয় শ্ৰীযুত কৰুণাকান্ত ৰাভাদেৱ চাবৰ লগত ছাত্ৰ জিৰণি কোঠাটো সলোৱাৰ আলোচনা কৰো। কিন্তু মহাবিদ্যালয়ৰ চৌহদত বনাই থকা ঘৰটো সম্পূৰ্ণ হৈ নুঠা বাবে তেখেতে আগৰ কোঠালিটো কিছু উন্নত কৰি দিয়ে।

মোৰ কৰ্য্যকালত বেছিভাগ কামেই আধ-ৰুৱা হৈ থাকে। সেইবোৰৰ ভিতৰত আছে, ছাত্ৰ জিৰণি কোঠাৰ বাবে মই কেইখনমান বাতৰি কাকত আৰু আলোচনী বিচাৰিছিলো। কিন্তু দুখৰ বিষয় সেইবোৰ আমি নেপালো। এইখিনিতে মই ছাত্ৰ জিৰণি কোঠাৰ সৰ্বাঙ্গীন উন্নতিৰ অৰ্থে ছাত্ৰ বন্ধুসকলৰ শৈক্ষিক দিশত অৰিহণা যোগাবলৈ মহাবিদ্যালয় কতৃপক্ষৰ দৃষ্টি গোচৰ কৰিলো।

মোৰ কাৰ্য্যকালত অইনবাৰৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। উক্ত মহাবিদ্যালয় সপ্তাহত প্ৰচলিত খেলবোৰৰ উপৰিও ডবা খেল পতা হয়। দুখৰ বিষয় যে দেশৰ পৰিস্থিতিৰ বাবে বহু প্ৰতিযোগীয়ে প্ৰতিযোগিতাবোৰত অংশগ্ৰহণ কৰিবলৈ অপৰাগ হ'ল। তথাপিও যিসকল ছাত্ৰয়ে উৎসাহেৰে প্ৰতিযোগিতাবোৰত অংশগ্ৰহণ কৰি মোকো উৎসাহিত কৰিলে তেওঁসকলৰ ওচৰত মই কৃতজ্ঞ। মোৰ কাৰ্য্যকালত বিভিন্ন বিষয়ত দিহা পৰামৰ্শ দিয়া বাবে তত্বাৱধায়ক অধ্যাপক কুলেন শৰ্মা, অধ্যক্ষ শ্ৰীকৰুণাকান্ত ৰাভাদেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ।

তথাপিও মোৰ কাৰ্য্য পৰিচালনাত সততে দিহা পৰামৰ্শ দি সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ ছাত্ৰী বন্ধু বান্ধৱী ক্ৰমে কপিল, ৰুবুল, প্ৰীতিলেখা, নমিতা, জয়ন্ত, বিজু, অজিত, ৰূপাঞ্জলি, অন্নদা, দীপক, কণিষ্ক সত্যশংকৰ, গোপালশংকৰ, দ্বীপেন, ভৃগু, দ্বীনেন, টিঙ্কু, হীৰেণ মুকুল আৰু দুধনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ইয়াৰ উপৰি গোলাপ কলিতা ( ককাইদেউ) মুকুন্দ বসুমতাৰী ( ককাইদেউ ) অজয় দেব বৰ্মণ ( ককাইদেউ ) ধনঞ্জয় ৰাভা (ককাইদেউ) দিলীপ নাথ ( সাধাৰণ সম্পাদক ) হৰেকৃষ্ণ কলিতা ( সহঃ সাঃ সম্পাদক ) কংকণ খাখলাৰী ( উপ সভাপতি ) বিভিন্ন কামত সু-পৰামৰ্শ তথা সহায় সহযোগৰ বাবে তেওঁলোকৰ নাম কৃতজ্ঞতাৰ শিতানত ৰাখিবলৈ বাধ্য ।

শেষত জ্ঞাত অজ্ঞাত ভুলৰ বাবে ক্ষমা বিচাৰিছো । সদৌ শেষত তুধনৈ মহাবিদ্যালয়ৰ উজ্বল ভবিষ্যত আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ ।

জয়তু তুধনৈ মহাবিদ্যালয়
॥ জয় আই অসম ॥
শ্ৰীহেমন্ত নাথ ।
সম্পাদক, ছাত্ৰ জিৰণি কোঠা ।
তুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ।

# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদন লিখনিৰ পাতনিতে যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলে ১৯৯০-৯১ চনৰ ছাত্ৰ একতা সভাত বিনা প্ৰতিদ্বন্দ্বিতাত তেওঁলোকৰ আন্তৰিকতাৰে লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন জনাই পাতনি মেলিলোঁ !

বিভাগীয় দায়িত্ব বহন কৰি সমস্যা বহুল বিভাগটোৰ আংশিক উন্নতি কৰি থৈ যোৱাৰ আগ্ৰহ অসীম আছিল । কিন্তু মোৰ কাৰ্যকালত কিমানখিনি কৰিব পাৰিলোঁ সেয়া আপোনালোকেহে বিচাৰ কৰিব পাৰে । তথাপিও ক্ৰটিহীন যত্নৰ বিপৰীতে যিখিনি অফল হৈ ৰ'ল সেয়া মোৰ অনিচ্ছাকৃত ভুলৰ বাবে হব পাৰে তাৰ বাবে নিশ্চয় ক্ষমা কৰিব ।

পৰম্পৰাগত মহাবিদ্যালয় সপ্তাহ এইবাৰ ২০ ডিচেম্বৰ' ৯১ পৰা পাঁচ দিনীয়া কাৰ্যসূচীৰে উৎযাপন কৰিবলৈ লোৱা হয় । সাম্প্ৰতিক পৰিস্থিতি আৰু ছাত্ৰ ছাত্ৰীসকলৰ অনুপস্থিতিত যিমান খিনি কৰিব লাগিছিল, সিখিনি কৰিব পৰা নহ'ল । কিছুমান প্ৰতিযোগিতামূলক খেল এনেয়ে বাতিল কৰিব লগা হ'ল । এইবাৰে যি হ'ল, হ'ল যেন আগলৈ এনেকুৱা নহয় তাৰ বাবে ছাত্ৰ ছাত্ৰীসকলক বিনম্ৰ অনুৰোধ জনালোঁ । ইয়াৰোপৰি বিশেষ অনুৰোধ থাকিল যে, পৰবৰ্তী সময়ছোৱাত যেন এইবাৰৰ দৰে বিভিন্ন

খেলৰ সামগ্ৰী সমূহ হেৰাই নাযায়। কাৰণ কিছুমান ছাত্ৰ ছাত্ৰীয়ে মহাবিদ্যালয় খনক নিজৰ বুলি ভাবি নলয়। তেওঁলোকে সদায় বিভাগীয় সম্পাদক সকলক শলঠেকত পেলাবলৈ চেষ্টা কৰে।

যিয়ে নহওঁক আমি আশা ৰাখিছো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলৰ মাজৰ পৰা ভাল খেলুৱৈ হৈ লগতে মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়।

মোৰ কাৰ্য্যকালত সু-দিহা পৰামৰ্শৰে সহায় কৰা তত্বাৱধায়ক মহোদয় শ্ৰীমহেশ তালুকদাৰ আৰু ছাত্ৰ বন্ধু-বান্ধৱী সৰ্বশ্ৰী সঞ্জীৱ, মুকুন্দ, কণিক, দীনেন, দীপক, দ্বীপেন, নমিতা, আৰু প্ৰণীতাৰ ওচৰত চিৰ কৃতজ্ঞ।

সদৌ শেষত জ্ঞাতে অজ্ঞাতে হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা বিচাৰিছোঁ। শেষত দুধনৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি ইমানতে প্ৰতিবেদনৰ লিখনি সামৰিলোঁ।

জয়তু দুধনৈ মহাবিদ্যালয়

**শ্ৰীবিপুল চন্দ্ৰ নাথ**
সম্পাদক, লঘু ক্ৰীড়া বিভাগ
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
১৯৯০-৯১ চন।

□

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

শুভেচ্ছা গ্ৰহণ কৰিব। প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯০-৯১ চনৰ দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক হিচাপে যিসকল ছাত্ৰ ছাত্ৰী আৰু বন্ধু-বান্ধৱীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুযোগ-সুবিধা দিলে সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

মই তৰ্ক বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণৰ পিছৰে পৰা এই বিভাগটোৰ ওপৰত মোৰ সীমিত অভিজ্ঞতাৰে কিছু নতুনত্ব প্ৰদান কৰিবলৈ প্ৰচেষ্টা চলাই গৈছিলো। মহাবিদ্যালয় তাৰ্কিক দলৰ দ্বাৰা প্ৰায় লুপ্ত হৈ যাব ধৰা তৰ্ক সভাৰ কৃতিত্ব পুৰ্ণজীৱিত কৰি তুলিবলৈ দৃঢ় প্ৰতিজ্ঞাবদ্ধ হৈছিলো। কিন্তু দুৰ্ভাগ্য এয়ে

যে— নানা ধৰণৰ অনুকালৰ মাজেৰে বছৰটো অতিক্রম কৰি বহুতো ক্ষেত্রত প্রচলিত গতানুগতিকতাক প্রত্যাহবান জনাই কিছুমান নতুন পদক্ষেপ গ্রহণ কৰাৰ বাবে বহুতৰে কটু সমালোচনাৰ সম্মুখীন হৈছিলো। কটু সমালোচনা তথা বহুতৰে অপলাগী হলেও বছৰটোৰ ভিতৰত অনুষ্ঠিত কৰা অনুষ্ঠান কেইটিৰ কাৰ্য্যৱলী বিশ্লেষণ কৰি ( তৰ্ক আৰু আলোচনা চক্র সম্পাদক হিচাপে মোৰ কাৰ্যকালৰ খতিয়ান লব পাৰি আৰু বিনা প্রতিদ্বন্দ্বীতাৰে নিৰ্বাচিত হলেও মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ বিভিন্ন বিভাগৰ বিষয়ববীয়া সকলৰ দৰেই, মইও নিজ বিভাগত দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰিছো বুলি দৃঢ়তাৰে দাবী কৰিব বিচাৰিছো।

মোৰ কাৰ্য্যকালত এখন আন্তঃ মহাবিদ্যালয় তৰ্ক প্রতিযোগিতা গড় গাঁও মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। এইখন "৺তনুকোঁৱৰ সোঁৱৰণী" তৰ্ক প্রতিযোগিতা আছিল। উক্ত সোঁৱৰণী তৰ্ক প্রতিযোগিতাত আমাৰ ডুধনৈ মহাবিদ্যালয় অংশগ্ৰহণ কৰি কৃতিত্ব অৰ্জনেৰে শ্রেষ্ঠ দল হিচাপে পৰিগণিত হৈছিল।

নবাগত আদৰণি সভা উপলক্ষে মোৰ কালছোৱাত এখনি তৰ্ক প্রতিযোগিতা হৈছিল আৰু আন্তঃ মহাবিদ্যালয় তৰ্ক প্রতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ বাচনিমূলক প্রতিযোগিতা অনুষ্ঠিত কৰি ওপৰোক্ত উল্লেখিত বিজয়ী দলটিক নিৰ্বাচন কৰি উলিওৱা হৈছিল। তদুপৰি মহাবিদ্যালয় সপ্তাহত বিভিন্ন ধৰণৰ যেনে— কুইজ, তৰ্ক, আকস্মিক বক্তৃতা, কবিতা, আবৃত্তি আদি অনুষ্ঠান কেইটি পতা হৈছিল।

মোৰ কাৰ্য্যকালত বহুমূলীয়া দিহা পৰামৰ্শৰে কাৰ্য্যসাধনত সহায় কৰা বাবে অধ্যক্ষ মহাশয় আৰু তৰ্ক আৰু আলোচনা চক্র বিভাগৰ তত্বাবধায়ক শ্ৰীতৰুণ চাংমাই অধ্যাপক মহোদয়লৈ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো। যিসকল বন্ধু বান্ধৱী তথা ছাত্র-ছাত্রীয়ে বিভিন্ন সময়ত অনুষ্ঠিত কৰা তৰ্ক প্রতিযোগিতাত অংশগ্ৰহণ কৰি মোক সহায় সহযোগিতা আগবঢ়ালে সেই সকললৈ মই ধন্যবাদ জনাইছো।

সদৌশেষত, মোৰ জ্ঞাতে-অজ্ঞাতে হৈ যোৱা আসোঁৱাহৰ বাবে ক্ষমা বিচাৰিছো। মোৰ মৰমৰ মহেন্দ্ৰ, তৰণী, হিতেশ, প্রবীণ, মুকুন্দ, ধনঞ্জয়, দিলীপ, ভাগ্যদেৱী, ইভাৰাণী, প্রীতিলেখা বন্ধু-বান্ধৱীৰ ওচৰত মোৰ কামত সহায় আগবঢ়োৱাৰ বাবে ঋণী হৈ থাকিম। শেষত ডুধনৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যত কামনা কৰি আটাইলৈ অন্তিম অভিনন্দন ও শুভেচ্ছা জনাই ইমানতে প্রতিবেদনৰ লিখনি সামৰিলোঁ। ইতি—

জয়তু ডুধনৈ মহাবিদ্যালয়

**শ্ৰীপ্ৰদীপ দাস।**
সম্পাদক, তৰ্ক আৰু আলোচনা চক্র বিভাগ
ডুধনৈ মহাবিদ্যালয় ছাত্র একতা সভা
১৯৯০-৯১ চন।

# শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে ডুধনৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ ছাত্ৰীলৈ অভিনন্দন জ্ঞাপন কৰিছোঁ।

১৯৯০-৯১ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। মই মোৰ কাৰ্যকালছোৱাত নানা সমস্যাৰ মাজেৰে খেল সমূহ চলাই নিয়াত সফল হৈছোঁ। যোৱা সময়ছোৱাত মই মোৰ দায়িত্ব আৰু কৰ্তব্য কি ভাবে পালন কৰিলোঁ তাক বিচাৰ কৰা দায়িত্ব আপোনালোকৰ। বন্ধু-বান্ধৱী, ছাত্ৰ ছাত্ৰীসকল মোৰ কাৰ্যকালত শৰীৰ চৰ্চা বিভাগৰ তৰফৰ পৰা যি পদক্ষেপ লব লাগিছিল, তাক যে লব পৰা নাই সেয়া আপোনালোকে অনুভৱ নকৰিলেও মই নিজেই অনুভৱ কৰিছোঁ। বহুতো কাৰ্যসূচী হাতত লৈছিলোঁ যদিও বহুল সা-সুবিধা, সাম্প্ৰতিক পৰিস্থিতিৰ কাৰণে এইবোৰ বাস্তৱত ৰূপায়িত কৰিব পৰা ন'গল। পৰৱৰ্তী সম্পাদকে যেন খেলৰ প্ৰয়োজনীয় সামগ্ৰী যোগাৰ কৰি খেলবোৰ চলাই নিয়ে যেন।

মোৰ কাৰ্যকালত যোৱা ১০-৯-৯১ তাৰিখে শ্ৰীশ্ৰীশংকৰ দেৱৰ তিৰোভাব তিথি উপলক্ষে মহাবিদ্যালয়ৰ পুখুৰীত সাঁতোৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াত ভালে সংখ্যক প্ৰতিযোগীয়ে যোগদান কৰে। পুখুৰীটো ভালকৈ সাঁতৰাৰ বাবে উপযোগী নকৰিলে ভৱিষ্যতে সাঁতোৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নাযাব। মই সমূহ ছাত্ৰ ছাত্ৰীৰ হৈ মহাবিদ্যালয় কৰ্তৃপক্ষক মহাবিদ্যালয়ত এটা 'চুইমিংপুল' আৰু এটা জিমনেজিয়াম 'হল' বনাবলৈ অনুৰোধ জনালো।

অইন বছৰৰ দৰে এই বছৰো ১৯৯১ চনৰ ২০ ডিচেম্বৰৰ পৰা মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। দুখৰ বিষয় যে সাম্প্ৰতিক পৰিস্থিতিৰ কাৰণে খেল-ধেমালীত যোগদান কৰা প্ৰতিযোগীৰ সংখ্যা কম আছিল। তথাপি প্ৰতিকুলতাৰ মাজেৰে মই মোৰ বিভাগৰ দেহশ্ৰী আৰু পাঞ্জাখেল পাতিবলৈ সমৰ্থ হওঁ। বিশেষ কাৰণঃবশত সাঁতোৰ আৰু প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱত শৰীৰ চৰ্চা সম্পৰ্কীয় অইন প্ৰতিযোগিতাসমূহ পাতিব পৰা নগ'ল।

মোৰ কাৰ্যকালত মোক দিহাপৰামৰ্শ আগবঢ়োৱা বাবে দিলীপ, কংকণ, বৈকুণ্ঠ, ধনঞ্জয়, অঞ্জন, বিজু, নুৰ, নজমুল, আৰু তত্বাৱধায়ক অধ্যাপক পবিত্ৰ কুমাৰ ব্ৰহ্মলৈ মই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত ডুধনৈ মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদনৰ লিখনি সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

**মহম্মদ নজৰুল ইছলাম**

সম্পাদক শৰীৰ চৰ্চা বিভাগ

ডুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

৩০/১/৯২।

# 'মহাবিদ্যালয় বাৰ্ষিক সপ্তাহ'ৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ ফলাফলসমূহ—

১। তৰ্ক প্ৰতিযোগিতা—

(ক) ১ম ঃ শ্ৰীদিলীপ কুমাৰ নাথ ( স্নাতক ২য় বাৰ্ষিক )

(খ) ২য় ঃ মোঃ ৰফিজুল হক ( স্নাতক ৩য় বাৰ্ষিক )

২। কুইজ প্ৰতিযোগিতা—

১ম—

(ক) শ্ৰীগোপাল শঙ্কৰ নাথ ( স্নাতক ৩য় বাৰ্ষিক )

(খ) মোঃ নজৰুল ইছলাম ( দ্বাদশ শ্ৰেণী )

(গ) শ্ৰীসত্যশঙ্কৰ নাথ ( স্নাতক ১ম বাৰ্ষিক )

(ঘ) মিচ্ ৰূপাঞ্জলী দাস ( দ্বাদশ শ্ৰেণী )

২য়—

(ক) মোঃ মুকুল হুছেইন ( দ্বাদশ শ্ৰেণী )

(খ) মোঃ আব্দুল চালাম "

(গ) শ্ৰীজয়ন্ত নাথ "

(ঘ) শ্ৰীজিতু মেধী "

৩। ইংৰাজী কবিতা আবৃত্তি—

(ক) ১ম ঃ মিচ্ খাদিজা খাতুন ( স্নাতক ৩য় বাৰ্ষিক )

(খ) ২য় ঃ শ্ৰীদিলীপ কুমাৰ নাথ ( স্নাতক ২য় বাৰ্ষিক )

৪। অসমীয়া কবিতা আবৃত্তি—

(ক) ১ম ঃ মিচ্ দিপালী বসুমতাৰী ( একাদশ শ্ৰেণী )

(খ) ২য় ঃ শ্ৰীমুন তালুকদাৰ ( স্নাতক ২য় বাৰ্ষিক )

৫। বড়ো কবিতা আবৃত্তি—

(ক) ১ম : শ্ৰীমোহন সিং ৰামচিয়াৰী ( একাদশ শ্ৰেণী )

(খ) ২য় : মিচ্ বিনীতা কছাৰী ( দ্বাদশ শ্ৰেণী )

৬। আকস্মিক বক্তৃতা—

(ক) ১ম : শ্ৰীৰণজিৎ দে ( স্নাতক ৩য় বাৰ্ষিক )

(খ) ২য় : মোঃ চৌকৎ আলী আহমেদ মণ্ডল ( স্নাতক ৩য় বাৰ্ষিক)

৭। অসমীয়া বাতৰি পঢ়া প্ৰতিযোগিতা—

(ক) ১ম : মিচ্ খাদিজা খাতুন ( স্নাতক ৩য় বাৰ্ষিক )

(খ) ২য় : দিলীপ কুমাৰ নাথ ( স্নাতক ২য় বাৰ্ষিক )

৮। বড়ো বাতৰি পঢ়া প্ৰতিযোগিতা—

(ক) ১ম : মিচ্ নিওঁতি ব্ৰহ্ম ( একাদশ শ্ৰেণী )

(খ) ২য় : শ্ৰীমোহনসিং ৰামচিয়াৰী ( „ )

৯। আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল—

(ক) শ্ৰীদিলীপ কুমাৰ নাথ ( স্নাতক ২য় বাৰ্ষিক )

(খ) মোঃ চৌকৎ আলী আহমেদ মণ্ডল ( স্নাতক ৩য় বাৰ্ষিক )

আকৌ শ্ৰেষ্ঠ তাৰ্কিক—

শ্ৰীদিলীপ কুমাৰ নাথ ( স্নাতক ২য় বাৰ্ষিক)

□□

# ॥ ত্ৰুটি স্বীকাৰ ॥

ছুধনৈ মহাবিদ্যালয় আলোচনী ( ১৯৯০-৯১ চন, অষ্টম সংখ্যা ) খন পৰিস্থিতি সাপেক্ষে লগতে বিভিন্ন আনুসঙ্গিক অসুবিধাৰ হেতুকে পলমকৈ প্ৰকাশ পালে।

ইয়াৰোপৰি মহাবিদ্যালয়ৰ ছাত্ৰ বন্ধু-বান্ধৱী তথা সদাশয় পাঠক পাঠিকা সকলক দৃষ্টিগোচৰ কৰিবলগীয়া হয় যে, আলোচনীখনে যিদৰে মানদণ্ডপূৰ্ণৰ পথত অগ্ৰগতি লাভ কৰিব লাগিছিল সেইখিনিৰ সমল বিশেষকৈ নহ'ল। মূলতে বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদনৰ লগতেও নিজৰ ফটো, অন্যান্য শ্ৰেষ্ঠ দল বিলাকৰ ফটো আৰু "মহাবিদ্যালয় সপ্তাহ"ত অনুষ্ঠিত হৈ যোৱা প্ৰতিযোগিতা-মূলক বিষয়ৰ ফলাফল সমূহ প্ৰকাশৰ আগমুহূৰ্তলৈও নোপোৱাৰ বাবে আলোচনীৰ পাতত প্ৰকাশ কৰিব পৰা নহ'ল।

—সম্পাদক
॥ আলোচনী বিভাগ ॥

# দুধনৈ মহাবিদ্যালয় আলোচনী

॥ পঞ্চদশ বছৰ ঃ অষ্টম সংখ্যা ঃ ১৯৯০-৯১ চন ॥

॥ দুধনৈ মহাবিদ্যালয় আলোচনীৰ পূৰ্ব প্ৰকাশিত সংখ্যা আৰু সম্পাদকসকল ॥

| | | | |
|---|---|---|---|
| প্ৰথম বছৰ | প্ৰথম সংখ্যা | ১৯৭৭ ইং চন | শ্ৰীযশোবন্ত ৰাভা |
| দ্বিতীয় বছৰ | দ্বিতীয় সংখ্যা | ১৯৭৮ ইং চন | শ্ৰীসোমেশ্বৰ ৰাভা |
| পঞ্চম বছৰ | তৃতীয় সংখ্যা | ১৯৭৯-৮১ ইং চন | শ্ৰীকেশৱ চন্দ্ৰ চৌধুৰী |
| নৱম বছৰ | চতুৰ্থ সংখ্যা | ১৯৮৩-৮৪ ইং চন | শ্ৰীগুণধৰ ৰাভা |
| | | ১৯৮৪-৮৫ ইং চন | শ্ৰীবুদ্ধদেৱ পাটগিৰী |
| একাদশ বছৰ | পঞ্চম সংখ্যা | ১৯৮৬-৮৭ ইং চন | শ্ৰীগঙ্গেশ্বৰ কলিতা |
| ত্ৰয়োদশ বছৰ | ষষ্ঠ সংখ্যা | ১৯৮৮-৮৯ ইং চন | শ্ৰীসৰ্বেশ্বৰ ইংতি ৰাভা |
| চতুৰ্দশ বছৰ | সপ্তম সংখ্যা | ১৯৮৯-৯০ ইং চন | শ্ৰীগুণেন্দ্ৰ কলিতা |

দুধনৈ মহাবিদ্যালয় আলোচনী (১৯৯০-৯১) সম্পাদক শ্ৰীধনঞ্জয় ৰাভাৰ দ্বাৰা প্ৰকাশিত আৰু স্নুকুমাৰ প্ৰিণ্টিং ওৱাৰ্কচ, ধূপধৰাত মুদ্ৰিত ।